# নগ'চিয়ান

## উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মুখপত্ৰ

বাৰ্ষিক প্ৰকাশ

১৯৯৭—৯৮ বৰ্ষ

একাদশ সংখ্যা


প্ৰফুল্ল কাকতি
তত্ত্বাৱধায়ক

হৰকান্ত কলিতা
সম্পাদক

## সমুহ নগ'চিয়ানৰ হৈ সম্পাদনা সমিতি

উত্তৰ গুৱাহাটী মহাবিদ্যালয়

গুৱাহাটী-৩১


সভাপতি : ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীধীৰেন্দ্ৰ নাথ কলিতা

তত্বাৱধায়ক অধ্যাপক : শ্ৰীপ্ৰফুল্ল চন্দ্ৰ কাকতি

সম্পাদক : শ্ৰীহৰকান্ত কলিতা

সদস্য আৰু সদস্যাসকল :

অধ্যাপক : শ্ৰীহিতেন্দ্ৰ নাথ ভট্টাচাৰ্য্য

,, : ড° ভৃগুমোহন গোস্বামী

,, : শ্ৰীপৰেশ চন্দ্ৰ বড়া

,, : শ্ৰীলুপেচ দাস

,, : শ্ৰীযতীন চৌধুৰী

অধ্যাপিকা : শ্ৰীদিপ্তীৰাণী শইকীয়া

শ্ৰীৰবি বড়ো

শ্ৰীমেঘজ্যোতি হাজৰিকা

শ্ৰীমধুস্মিতা তামুলী

শ্ৰীধনালী তৰালী

শ্ৰীসৌৰভ চৌধুৰী

বেটুপাতৰ শিল্পী :

শ্ৰীনিৰুপম দাস



মুদ্ৰক :

গৌৰী প্ৰিণ্টিং হৰ্কছ, গুৱাহাটী-৩১


## :: সূচীপত্ৰ ::


| | বিষয় | লিখক | পৃ |
|---|---|---|---|
| | প্ৰৱন্ধ : | | |
| ১। | মজুলা ঘাটত মাৰ্কণ্ডেয় | শ্ৰীমনীন্দ্ৰ কুমাৰ বৰুৱা | ১ |
| ২ | বৰ্ত্তমান শিক্ষা ব্যৱস্থা আৰু ইয়াৰ ভবিষ্যৎ : এটি পৰ্য্যালোচনা | শ্ৰীঅশোক দত্ত | ৬ |
| ৩। | অসমৰ সাংস্কৃতিক জীৱনত বাঁহ | ড° ভৃগুমোহন গোস্বামী | ১০ |
| ৪। | পানী প্ৰদূষণ | প্ৰদীপ কুমাৰ কলিতা | ১৫ |
| ৫। | পুৰণি পুথিত অসমৰ সাজপাৰ আৰু অলংকাৰ | শ্ৰীমনীষা বড়া | ১৯ |
| ৬। | সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্ম্মা দেৱৰ সোঁৱৰণ | শ্ৰীজুনুমনি কলিতা | ২১ |
| ৭। | প্ৰাচীন যুগ সমাজ | শ্ৰীবণিতা বড়ো | ২৩ |
| ৮। | অসমৰ এটি জনজাতি 'বড়ো কছাৰী'ৰ বিষয়ে | শ্ৰীৰবি বড়ো | ২৬ |
| ৯। | উত্তৰ পূব সীমান্ত ৰেলৱে আৰু আনুষংগিক কিছু কথা | প্ৰতাপ চন্দ্ৰ বৰ্মন | ৩০ |
| | কবিতা : | | |
| ১। | মৰিলে স্বৰ্গ, তৰিলে ন্যায়ৰ খজাজ | শ্ৰীজিতু মণি মলিতা | ৩৫ |
| ২। | সমীক্ষা | শ্ৰীঅনুপম বৰুৱা | ৩৬ |
| ৩। | গোলাপ | শ্ৰীবিত্ত দাস | ৩৭ |
| ৪। | বসন্ত আহিলে | শ্ৰীবৰীতা দাস | |
| ৫। | নগ'চিয়ান | শ্ৰীবনমালী তৰালী | ৩৮ |
| ৬। | প্ৰতীক্ষা | শ্ৰীকনক বৈশ্য | |
| ৭। | বিদায় | মহম্মদ বাবুল আলি | ৩৯ |
| ৮। | চকুলো | শ্ৰীগীতিকা দাস | |
| ৯। | মই মাথো সাৰে আছো | শ্ৰীউৎপল নাথ | ৪০ |
| ১০। | সময় আকৌ আহিব | শ্ৰীদীপ বড়া | |
| ১১। | প্ৰতিজ্ঞা | শ্ৰীশৰৎ দাস | ৪১ |
| ১২। | জোনাক | শ্ৰীমনজুল বড়ো | |

| বিষয় | লিখক | পৃষ্ঠা |
| --- | --- | --- |
| ১৩। মোৰ প্ৰেম | শ্ৰীনিপন গোস্বামী | ৪২ |
| ১৪। প্ৰতিজ্ঞা | শ্ৰীতপোধন দাস | |
| ১৫। আজলী গোলাপ | শ্ৰীজয়ন্ত বড়া | ৪৩ |
| ১৬। ৰঙা কলিজাৰ ফুল | শ্ৰীঅসীম চমুৱা | ৪৪ |
| ১৭। তোমাৰ বাবেই সকলো ( এটি প্ৰেমৰ কবিতা ) | শ্ৰীপ্ৰশান্ত শৰ্মা | ৪৫ |
| ১৮। অন্তৰ্দণ্ড | অধ্যাপিকা কস্তুৰী দেৱী | |
| ১৯। বিশ্বজ্যোতি | শ্ৰীহৰকান্ত কলিতা | ৪৬ |
| ২০। শাশ্বত সঙ্গীত | শ্ৰীকুসুমী ভৰালী | ৪৭ |
| ২১। অগ্নিসভাই আমনি কৰা নিশাবোৰত | শ্ৰীদিগন্ত ডেকা | ৪৮ |
| ২২। স্বৰ্ণজয়ন্তী স্বাধীনতা দিৱসৰ উপলক্ষি | শ্ৰীদিপ্তী দাস | ৪৯ |
| ২৩। আত্মঃকলহ | শ্ৰীমীনাক্ষী শৰ্মা | ৫০ |
| ২৪। প্ৰজ্ঞা | শ্ৰীজিতেন ভট্টাচাৰ্য্য | ৫১ |
| — আপোনাৰ প্ৰশ্ন মোৰ উত্তৰ — | | ৫২ |
| গল্প ঃ | | ৫৩ |
| ১। জুলাইৰ এনিশা | শ্ৰীবিনিতা সিংহ | |
| ২। এটা পুৱতি নিশাৰ সপোন | শ্ৰীসমীন বেজবৰুৱা | ৫৫ |
| ৩। গুপ্ত ভক্ষক | শ্ৰীকন্দৰ্প দাস | ৫৮ |
| ৪। মৰিচিকা | শ্ৰীৰাজীব বৰুৱা | ৬১ |
| ৫। এটা হেৰুৱা ঠিকনা | শ্ৰীজিন্তী বৰুৱা | ৬৬ |
| ৬। মিলনৰ আৰ্তনাদ | শ্ৰীহৰকান্ত কলিতা | ৬৭ |
| ৭। এটুকুৰাও ঠাই নাই | শ্ৰীবিষ্ণু বড়ো | ৬৯ |
| ৮। সমিধান বিচাৰি | শ্ৰীবিন্তু দাস | ৭২ |
| English Section : | | ৭৯ |
| 1. Dr. Amartya Sen, a Son of India | Sri Poresh Chandra Borah | 81 |
| 2. Global Warming | N.C. Borah, M. N. Deka | 85 |
| 3. Librarian as in information | Sri Rama kanta Baruah | 88 |
| 4. Impact of Pollution on Environment | Dilip Das | 90 |
| 5. Report of the Principal | Dhirendra Nath Kalita | 93 |







স্বদেশ আৰু স্বজাতিৰ হকে আত্মবলিদান দিয়া মহান স্বহীদ সবলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

**সম্পাদনা সমিতি**

# শুভেচ্ছা বাণী

**Lakshya Dhar Choudhury**
Ex. Chairman, G.M.
Ex. Mayor, G.M.C.
Ex. Minister, Assam

Ambari, Lamb Road
Guwahati-781001
Phone : 546101

Date....................

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী নগ'চিয়ানৰ একাদশ সংখ্যা প্ৰকাশৰ প্ৰস্তুতি চলোৱাৰ বাতৰিয়ে আমাক বৰ আনন্দ দিছে।

এই আলোচনীত ছাত্ৰ ছাত্ৰী সকলৰ লিখা পঢ়িবলৈ আমি আগ্ৰহেৰে বাট চাই থাকিলো।

নগ'চিয়ানৰ সকলো দিশতে সাফল্য কামনা কৰিলো।

স্বাক্ষৰ
শ্ৰীলক্ষ্যধৰ চৌধুৰী
৫/৭/৯৯

নগ'চিয়ান ( ১১ দশ সংখ্যা )ৰ
সম্পাদক
শ্ৰীহৰকান্ত কলিতাৰ যোগে
উত্তৰ গুৱাহাটী মহাবিদ্যালয়

# সম্পাদকীয়



সম্পাদকীয় টেবুলতে আজি থমকি ৰৈছো মহীবোৰ গোট মাৰিছে যেন পাইছো, লাজত,

ভয়ত ! নে,

আন কিবা কাৰণত !

সময় বোৱঁতি সুঁতিৰ দৰেই আহে আৰু যায়। সময় চিৰ প্ৰবাহ মান। সময়ৰ বেগী ধোঁৱাক প্ৰত্যাহ্বান জনোৱাৰ আমাৰ কাৰো সাহস নাই। তাতে আমাৰ জীৱন তেনেই ক্ষণস্থায়ী। তথাপিও এচাম চিৰপূজ্য, আইৰ সুসন্তানে এই সময় খিনিৰেই সদ্য ব্যৱহাৰ কৰি, তেখেতসকলৰ শিল্প সাহিত্য সৃষ্টিৰ মাধ্যমেদি সমাজক শুদ্ধ পথেদি পৰিচালিত কৰি আহিছে, সমাজক প্ৰতিকূল বান্ধৱৰ পৰা উদ্ধাৰ কৰি।

আকৌ সময়ৰ এই স্বয়ংক্ৰীয় গতিৰ দাবীতেই কেইজনমান মহান সমাজ সংগঠক, দাতাকৰ্ণৰ আত্মপুৰুষাৰ্থ প্ৰচেষ্টাত জন্ম হৈছিল এই " উত্তৰ গুৱাহাটী মহাবিদ্যালয় লুইতৰ উত্তৰ পাৰ উজ্জ্বলাবলৈ।" শিক্ষানুষ্ঠান এখনৰ সাৰ্থকতা নিৰ্ভৰ কৰে ক্ৰমে শিক্ষা দান আৰু শিক্ষা গ্ৰহণৰ ওপৰত। আমি আজি প্ৰত্যেকে নিজ নিজ দায়িত্বক ভালকৈ উপলব্ধি কৰিলে ভৱিষ্যতে ই আৰু মুখ উজলাব।

১৯৩৬ চনত অসমীয়া ভাষাৰ ওপৰত বঙালী ভাষাৰ যি আক্ৰমণ চলিছিল, আজিও তাৰ কুপ্ৰভাৱ সমাজত বিৰাজমান। শেহতীয়াভাৱে অসমীয়া ভাষাৰ আদিপাঠ বঙালী ভাষালৈ অনুদিত হোৱাটো নিশ্চয় পৰিহনাৰ যোগ্য। আকৌ অসমীয়া ভাষাত অপশব্দৰ প্ৰাদুৰ্ভাৱ আৰু বানান বিভ্ৰাট এক দৰ্শনীয় বিষয় হৈ পৰিছে। আজি আমি চিৰ চেনেহী ভাষা জননীৰ এই প্ৰত্যাহ্বানবোৰ আপোচবিহীন ভাৱে আতৰ কৰাটো প্ৰধান কৰ্তব্য।

আমি আজি কুৰি শতিকা পাছকি একৈশ শতিকাত ভৰি দিব ওলাইছো। সময়ৰ পৰ্যায়ক্ৰমে আমি জানো আগুৱাব পাৰিছো ? সকলো ক্ষেত্ৰতে আমি বাহ্যিকতা আৰু পশ্চিমীয়া সংস্কৃতিকহে আকোঁৱালি লৈছো। উৎসৱ-পাৰ্বন, নৃত্য, গীত, পোছাক-পৰিচ্ছদ, খাদ্যাভ্যাস আনকি আমাৰ বাপতি সাহোন বিহুৰে স্বকীয় বৈশিষ্ট্যৰ কথা পাহৰি বাহ্যিকতাহে অধিক গুৰুত্ব দিয়া দেখা যায়।

অসমীয়া ভাষা সংস্কৃতিৰ ঐতিহ্য আৰু বৈশিষ্ট্য অটুত ৰাখি "আমি অসমীয়া" বুলি সগৌৰৱে একভাৱে বিশ্বৰ দৰবাৰত থিয় দিবলৈ এই ক্ষেত্ৰত অধিক সচেতন হ'বৰ হ'ল। অন্যথা পশ্চিমৰ এৰেহ্‌ৱাই নিজৰ সংস্কৃতিৰ বৰডোখৰ উচ্ছন হ'ব।

আজি ৩৬ বছৰে গৰকা আমাৰ মহাবিদ্যালয়ৰ আলোচনী নগ'ছিয়ানৰ সংখ্যাবোৰ পৰম্পৰাগত ভাৱে প্ৰতি দুই তিনি বছৰৰ মূৰে মূৰে প্ৰকাশ হৈ আহিছে। সেয়ে মাত্ৰ এবছৰীয়া সম্পাদনাত প্ৰকাশ হোৱা আমাৰ নগা'ছিয়ানৰ একাদশ সংখ্যাটিয়ে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ বুকুত ইতিহাস ৰচিলে।

আমাৰ নগ'ছিয়ানৰ একাদশ সংখ্যাটিয়ে অসমৰ সাহিত্য সংস্কৃতি বিকাশত কিমানখিনি অৱদান আগবঢ়াব তাক ক'বলৈ নোৱাৰোঁ। কিন্তু ই যে আমাৰ মহাবিদ্যালয়ৰ নবীন প্ৰবীন লিখক-লিখিকাক উৎসাহিত কৰিব-ই ধুৰুপ। নতুন প্ৰতিভা বিকাশত ই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।

শলাগিছোঁ :- প্ৰথমে নগ'ছিয়ান একাদশ সংখ্যাৰ সমূহ লেখক-লেখিকালৈ মোৰ অকৃত্ৰিম কৃতজ্ঞতা যাচিলো। সম্পাদনা কাৰ্যত বিভিন্ন প্ৰকাৰে সহায় কৰা বাবে মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত ভৱকান্ত শৰ্মাদেৱ, ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় মাননীয় ধীৰেন্দ্ৰ নাথ কলিতা দেৱ আৰু সম্পাদনা সমিতিৰ আন্তৰিক শলাগ লৈছো। লিখনি সমূহৰ ভুল-ক্ৰটি শুধৰাই দিয়া বাবে শ্ৰদ্ধাভাজন শিক্ষাগুৰু মাননীয় শ্ৰীযুত প্ৰফুল্ল কাকতি দেৱ, শ্ৰীযুত পৰেশ বড়া দেৱ, শ্ৰীযুত ভৈৰৱ শৰ্মাদেৱ, শ্ৰী হৃপেশ দাস চাৰ, শ্ৰী যতীন চৌধুৰী চাৰৰ শলাগ লওঁ। শলাগ লওঁ প্ৰতি খোজতে সহায়ৰ হাত আগবঢ়োৱা সাংবাদিক শ্ৰী দিগন্তদাৰ, বন্ধুবৰ ৰবি, অশোক, হেমেন, সুৰুজ, মানৱ, বাবুল, আমিনুল, ক্ষীৰদা, ধীৰাজ, দ্বীপ'ৰ লগতে সমূহ নগ'ছিয়ান বন্ধু-বান্ধৱীৰ। শেষত আলোচনীখন ছপাই বন্ধাই দিয়া বাবে গৌৰী প্ৰিংন্টাৰ্চৰ স্বত্বাধিকাৰ শ্ৰী বিপুল চৌধুৰী আৰু তেখেতৰ কৰ্মচাৰীবৃন্দলৈ শলাগৰ শৰাই আগবঢ়ালো।

কোনো লোক বা পুথিয়েই সমালোচনাৰ উৰ্দ্ধত নহয়। মোৰ অনভিজ্ঞ হেতু অনাকাংক্ষিত ভুলৰ বাবে মহাবিদ্যালয়ৰ সুধি সমাজৰ ওচৰত ক্ষমা বিচাৰিলোঁ। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় লেখাৰ ইতি কৰিলোঁ।

হৰকান্ত কলিতা

সম্পাদক

নগ'ছিয়ান







কৰ্তব্যৰত অৱস্থাত ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়

শ্ৰীযুত ধীৰেন্দ্ৰ নাথ কলিতা

# মঙ্গলা ঘাটত মাৰ্কণ্ডেয়

শ্ৰীমনীন্দ্ৰ কুমাৰ বৰুৱা

তত্ব আৰু দৰ্শনৰ শিখৰ বিন্দুত আৰোহন-কাৰী ব্যাসসদৃশ মহান মনীষাইয়ো মহা-ভাৰতৰ জটিল ভাষ্যৰ প্ৰাঞ্জল ব্যাখ্যাৰ বাবে প্ৰিয় শিষ্য জৈমিনীক মাৰ্কণ্ড শিষ্যৰ কাষলৈহে প্ৰেৰণ কৰি' লগা হৈছিল। সাক্ষাৎ ব্ৰহ্মা, বিষ্ণুৰ কৰুণা লাভৰ পাচতো মাতৃসত্বাৰ গূঢ় তত্ব উপলব্ধিৰ বাবেই হয়তো মহামায়া দেবীৰ পাদযুগলৰ অন্বেষণতে মাৰ্কণ্ডেয় কামৰূপত প্ৰবেশ কৰিব লগা হৈছিল। হিমালয়ৰ সাধন পুষ্ঠ পৰিবেশ গঙ্গা যমুনাৰ সমৃদ্ধ পটভূমিকো আওকাণ কৰি ঋষিশ্ৰেষ্ঠই খোজ দিছিল তীৰ্থ-ৰাজ ব্ৰহ্মপুত্ৰৰ উৰ্ব্বৰ ভূমি প্ৰান্তৰত আৰু তেওঁৰ সাধনক্ষেত্ৰৰ অন্বেষণত আগবাঢ়িছিল। মাৰ্কণ্ডেয় পুৰাণত কামৰূপৰ বিস্তৃতআৰু তথ্যপূৰ্ণ বৰ্ণনাই তাৰ সাক্ষ্য বহন কৰে। এই পুৰাণত কৈছে যে সমগ্ৰ ভাৰতবৰ্ষৰ ভূমি আগুৰি কূৰ্মৰূপী বিষ্ণু বিৰাজমান, আৰু কূৰ্মৰ মুখ, শিৰ. চকু, অ গতৰিব স্থিতিয়েই পূৰ্ব্বদেশ, আৰু এই পূৰ্ব্বদেশতেই কামৰূপ ( অসম ) বিৰাজমান। পশ্চিম দেশত কাশ্মীৰ, সৌৰাষ্ট্ৰ, কচ্ছ ইত্যাদি। আন এঠাইত ; সমগ্ৰ ভাৰত ভূমিকে তেওঁ ৯টা ভাগত ভাগ কৰি, ভাৰতৰ উত্তৰ দিশত মেৰুপৰ্ব্বতৰ স্থিতি নিৰ্দ্ধাৰণ কৰিছে। এই অংশ বিলাকৰে ভদ্ৰাশ্ববৰ্ষত অশ্বশীৰা বিষ্ণুৰ স্থিতি নিৰ্ণয় কৰা হৈছে। পূৰ্ব্বপ্ৰান্তৰ দেবকুটন মেৰে পৰ্ব্বতৰ পূৱ সীমাতেই ভদ্ৰাশ্ববৰ্ষ। ভদ্ৰা+অশ্ব-ভদ্ৰাশ্ব অৰ্থাৎ পূবে ভদ্ৰা নদী আৰু পশ্চিমে অশ্বশীৰা বিষ্ণুৰ পবিত্ৰ ক্ষেত্ৰ হয়গ্ৰীব মাধৱৰ স্থান। এই ভদ্ৰাশ্ববৰ্ষৰ স্থিতিয়েই হ'ল কামপীঠৰ সীমা-ৰেখাৰ ভিতৰত কামাখ্যাৰ যোনিকুণ্ডৰ প্ৰভাবা-ধীন এলেকা বৃন্দাবনক্ষেত্ৰ।

"পূৰ্ব্বেণ যৎস্থিতং বৰ্ষং ভদ্ৰাশ্বঃ তৎন্নিবোধমে।
শ্বেতপৰ্ণশ্চ, নীলশ্ব শৈবালশ্চ আচলোত্তম ॥
( ৫৮-৪ ) মাঃ পুঃ

এই ভদ্ৰাশ্ববৰ্ষত জন্মলাভ কৰা লোকসকল শুভ্ৰবৰণৰ আৰু সোণৰ দৰে প্ৰভাবিশিষ্ট। লগতে এই বুলিও বৰ্ণমা আছে

শীতা, শংখাবতী, ভদ্ৰা চক্ৰবৰ্ত্তাদিকা ঃ তথা ॥
( ৫৮-৭ ) মাঃ পুঃ

এই ভদ্ৰাশ্ববৰ্ষৰ ভিতৰতে শ্বেতপৰ্ণ, নীল, শৈবাল আদি পাহাৰ, তাৰে নীল পৰ্ব্বতেই হ'ল নীলাচল। আৰু এই বৰ্ষতে সীতা শংখাবতী, ভদ্ৰা আৰু চক্ৰাবৰ্ত্ত নদী। এই ভদ্ৰা নদীয়েই হ'ল হিমগিৰি নিৰ্গতা বৰ্ত্তমানৰ বৰনদী আৰু তাৰ মৰাসুঁতিয়েই হ'ল 'পুষ্পভদ্ৰা'। কালিকাপুৰাণত কৈছে— "নদী সুমঙ্গলা নাম হিম পৰ্ব্বত নিৰ্গতা। অৰ্থাৎ এই ভদ্ৰা নদীয়েই

সুমঙ্গলা নদী। যোগিনী তন্ত্রত ইয়াৰ নাম দিছে-"ঐশান্যং মণিশৈলষ্য মঙ্গলা নাম নদী বৈঃ। অৰ্থাৎ ভদ্ৰা নদীয়েই মঙ্গলা নদী।

মাৰ্কণ্ডপুৰাণত এই বৰ্ণনাৰাশিয়ে স্পষ্ট কৰি দিয়ে যে ঋষিশ্ৰেষ্ঠৰ এই অঞ্চল বিশেষৰ প্ৰতিটো অংশই যেন চৰজমিনে পৰিচিত স্থান।

সাধকোত্তম ভাৰতীয় সকলৰ শুক্ৰাচাৰ্য্য বশিষ্ঠ, পৰশুৰাম, জমদগ্নি আদিৰ সাধন ভূমিয়ে ব্ৰহ্মপুত্ৰ সভ্যতাৰ ভেটী সুদৃঢ় কৰি তুলিছে। আজি যি গৰাকী মহান ভাৰতীয়ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ উৰ্ব্বৰ ভূমিত খোজ বিচাৰি আগবঢ়া হৈছে তেৰেই হ'ল মাতৃ-সত্বাৰ একান্ত উপাসক সাধক মাৰ্কণ্ডেয়। সেয়েই অকল নহয় ভেওঁ ভাৰতৰ শাক্ত আৰাধনাৰ কেন্দ্ৰ পুৰুষ। মাৰ্কণ্ড পুৰাণেই তাৰ সাক্ষী ফলক।

মাঃ পুঃ—মাৰ্কণ্ডেয় পুৰাণ

মাৰ্কণ্ডক ধৰ্ম্মাৰণ্য কামৰূপৰ পৰিবেশে আকৃষ্ট কৰাৰ মূলতেই হয়তো যোগিনতন্ত্ৰৰ এই শ্লোকটো— "কামৰূপং মহাপীঠং গুহ্য'দ. গুহ্যতমং পৰং" এক সমৰ্থনকাৰী উদ্ধৃতি। এই কামৰূপৰে মহাপীঠ মহামায়া কামাখ্যাৰ কুণ্ড পীঠশ্ৰেষ্ঠ। এই পীঠস্থানতে তেওঁৰ পৰম প্ৰিয় যোগিনী সকলৰো ক্ষেত্ৰ বিৰাজমাণ। কামাখ্যা'ৰ অষ্টযোগিনীৰ ভিতৰত গুপ্তকামা, কোটেশ্বৰী, ভূবনেশ্বৰী, দী.ৰ্ঘশ্বৰীৰ বৰ্ণনা কৰা হৈছে। আনহাতে কালিকা পুৰাণত কৈছে—

"প্ৰত্যেকং যোগিনীং যস্তু পুজয়েৎ নৰসত্তমঃ।
স সৰ্ব্বযজ্ঞস্য ফলং প্ৰাপ্নোতি নৰসত্তমঃ।"

ভগবানৰ পৰম ভক্ত ব্ৰহ্মা, মনু, হৰ আদিক তপস্যা কৰিলে যিদৰে বাঞ্ছিত ফলপ্ৰাপ্তি হয় তেনেদৰে যোগিনীৰ আৰাধনাত দেৱী প্ৰাপ্ত ফল সুযম হয়। সেয়ে মহৰ্ষিয়ে মহামায়া কামাখ্যাৰ ধামত আশ্ৰম বা সাধনক্ষেত্ৰ বাচনি নকৰি তেওঁৰ ভক্তৰ পীঠকে বাচি ললে।

যোগিনী তন্ত্ৰৰ ৪ৰ্থ পটলৰ (৩-৩০) শ্লোকত পাৰ্ব্বতীৰ প্ৰশ্নৰ উত্তৰত মহাদেৱে কৈছে—

কৃত্তে যুগে পুষ্কৰাণি, ত্ৰেতায়াং নৈমিষং মতম্।
দ্বাপৰে তু কুৰুক্ষেত্ৰং অশ্বতীৰ্থ কলৌযুগে।
তস্যাৎ উত্তৰে তীৰে সাধয়েত মানস্-ঈপিসতম্॥

অৰ্থাৎ সত্য যুগৰ ক্ষেত্ৰ বাচনিত পুষ্কৰ, ত্ৰেতাত নৈমিষাৰণ্য, দ্বাপৰত কুৰুক্ষেত্ৰ আৰু কলিত অশ্বতীৰ্থ পৰম স্থান। তাৰ উত্তৰ দিশত, উত্তৰ পাৰত সাধকৰ বাঞ্ছিত ফল লাভ হয়। অৰণ্য ঋষিশ্ৰেষ্ঠ দ্বাপৰ কলিৰ সন্ধিক্ষণৰ লোক, মহাভাৰতৰ যুগৰ। আন এটা যোগিনী তন্ত্ৰৰ শ্লোক মতে—

"ব্যক্তাৎ গুপ্তং পুণ্যতৰং দুৰাপং সাধকোত্তমৈঃ।
সৰ্ব্বত্ৰ লভতে দেৱী কুলদ্বয় বিশাৰদৈঃ॥

অৰ্থাৎ ব্যক্ত কুণ্ডতকৈ গুপ্তকুণ্ডত সাধনৰ ফল অধিক উত্তম। সেয়েই হয়তো মাৰ্কণ্ডই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত সীতা পৰ্ব্বতৰ দেৱীৰ গুপ্তকুণ্ড বাছি ললে। এয়েই বৰ্ত্তমান উত্তৰ গুৱাহাটী ৰংমহল অঞ্চলৰ দীৰ্ঘেশ্বৰীৰ কুণ্ড।

আগতেই কৈ আহিছো মঙ্গলা এখন পবিত্ৰ নদী। গঙ্গা, যমুনা, সৰস্বতীৰ দৰেই মঙ্গলাও পবিত্ৰ জলৰাশি। পিঙ্গলেশ্বৰ, গোপেশ্বৰ, মদনকামদেৱ, নটুৱানাচা পৰ্ব্বতৰ কাষেদি আহি দীৰ্ঘেশ্বৰী পাহাৰৰ দাতিয়েদি বৈ মণিকৰ্ণেশ্বৰ পৰ্ব্বতৰ গাতে ব্ৰহ্মপুত্ৰত মিলিছে। যিদৰে "সৰস্বতী দ্বিবিধা দেৱতাঃ নদী ৰূপাচ"— মঙ্গলাও "দ্বিবিধা দেৱতা নদী ৰূপাচ"। হিমালয় পৰ্ব্বতৰ হিমগলা হিয়া বাগৰি এক নিৰ্ম্মল জলধাৰা বাগৰি আহিল বসুমতীৰ উৰ্ব্বৰতা প্ৰমাণ কৰিবলৈ। দুয়োপাৰে শস্য শ্যামলা ধৰণীৰ বুকুত মঙ্গলাই মাতৃৰূপে তীৰবৰ্ত্তী সমাজ, জীৱজগত, তৰুতৃণ লতা সকলোকে ৰস, আৰু জ্যোতিৰ সন্ধান দিলে। সেয়ে প্ৰথমে নদীৰূপা মঙ্গলাৰ আৰাধনাই শেষলৈ দেৱীৰূপা মঙ্গলাকালীৰ আৰাধনালৈ ৰূপান্তৰিত হ'ল। মঙ্গলাৰ উৰ্ব্বৰভূমি, মাটি, পানী মঙ্গলাকালী, মঙ্গলাচণ্ডীৰ প্ৰতীক হৈ পৰিল।

এই মঙ্গলাকালীৰ প্ৰতীক ৰূপেই মঙ্গলা ঘাটৰ সীতাপৰ্ব্বতৰ শিলাময়ী কুণ্ডৰ পবিত্ৰ জলৰাশি আৰু সলিলা ফল্গু হৈ সীতা পৰ্ব্বতৰ বুকু ভেদি বৈ আহি সংযোগ স্থাপন কৰিলে মঙ্গলা নদীৰ পবিত্ৰ জলধাৰাত। এই জলৰাশি সমৃদ্ধ কুণ্ডকেই দেৱী পাৰ্ব্বতীৰ উৰুপীঠৰূপে চিহ্নিত কৰা কৰা হৈছে। এয়েই গুপ্ত কামাখ্যাৰূপে খ্যাত



দীৰ্ঘেশ্বৰীকুণ্ড। এই মঙ্গলা নদীৰ প্ৰবাহমান সোঁত গৈ মণিকৰ্ণেশ্বৰ পাহাৰৰ গাতে ব্ৰহ্মপুত্ৰৰ লগত মিলিত হ'ল। এনে সঙ্গমৰ নিৰ্দ্ধাৰিকা দিশেই প্ৰমাণ কৰি দিলেযে সীতাপৰ্ব্বতৰ মঙ্গলাকালীৰ নিৰ্দ্দিষ্ট ভৈৰব মণিকৰ্ণিকাৰ "মহা মনীশ্বৰ"। সেয়ে প্ৰতিবছৰেই মদন চতুৰ্দ্দশীত মণিকৰ্ণিকাৰ শিৱৰ ক্ষেত্ৰত দেৱীৰ বিবাহ সম্পন্ন কৰিবলৈকে দেৱীক ইয়ালৈ অনা হয়। ৰংমহল গড়েই দেৱী বিচৰণৰ বিশিষ্ট পথ।

ঋষিশ্ৰেষ্ঠ মাৰ্কণ্ডৰ আশ্ৰমথান তথা সাধনাক্ষেত্ৰ দীৰ্ঘেশ্বৰীৰ গুপ্তকুণ্ডযে আছিল তাক জানিবৰ বাবে আজি যুক্তিৰ মেখনি মাৰিব লগা হৈছে। বিভিন্ন প্ৰসঙ্গৰ পৰা আমি পতিয়ন যাবই লাগিব যে এই মহান মণিষাৰ ক্ষেত্ৰ বাচনিৰ ক্ষেত্ৰত দীৰ্ঘেশ্বৰীৰ ক্ষেত্ৰই নিসন্দেহে অগ্ৰাধিকাৰ পাইছিল। কাৰণ চণ্ডীগ্ৰন্থ খনৰ লিখন প্ৰণালি, বৰ্ণনা, আৰু প্ৰচ্ছদপট্ সমূহে আমাক যথেষ্টই আভাষ দিয়ে। চণ্ডী মাৰ্কণ্ড পুৰাণৰে কিছু অংশ সাতশ শ্লোক মাত্ৰ। চণ্ডীৰ মেধচ্ মুনিৰ আশ্ৰমথনৰ বৰ্ণণাত আছে

"স তত্ৰ আশ্ৰমম দ্ৰ'ক্ষী দ্বিজবৰ্য্যস্য মেধসঃ।
প্ৰশান্ত শ্বাপদাকীনং মুনি শিষ্যোপ শোভিতম্॥"

তপস্যাৰ প্ৰভাৱত মুণিবৰ মেধসৰ আশ্ৰমত ব্যাঘ্ৰ সিংহ, প্ৰভৃতি হিংস্ৰ জন্তু বিলাকে হিংসা পৰিহাৰ কৰি শান্তভাৱে নিৰ্ভয়ে চলা ফিৰা কৰিছিল। মুণিবৰ মাৰ্কণ্ডৰ দীৰ্ঘেশ্বৰী আশ্ৰমখনো তেনে পৰিবেশতে বাছি লোৱা হৈছিল

আৰু তেনে এখন আশ্ৰমৰ প্ৰতিচ্ছবিয়েই হয়তো চণ্ডী বৰ্ণনাত ঠাই পাইছিল।

চণ্ডী গ্ৰন্থখনৰ কেইটামান শ্লোকৰেই আমি বিচাৰ কৰি চালে অনুমান হয় যে মহৰ্ষি গৰাকীৰ ধ্যান ধাৰণা এই মঙ্গলানদীৰ ঘাটতেই সমপন্ন হৈছিল। এই কুণ্ডৰ কাষতেই বৈ যোৱা পবিত্ৰ জলধাৰাত মহৰ্ষিয়ে নিত্যৌ স্নান. সন্ধ্যা গায়ত্ৰাদি সমাপন কৰি পথৰ দাতিত লানিলগা মূৰ্ত্তিৰাজিক প্ৰণাম কৰি হয়তো তেওঁৰ তপস্যা মণ্ডপত ধ্যানমগ্ন হৈছিল।

দীৰ্ঘেশ্বৰীৰ পবিত্ৰ ভূমিত তেওঁৰ সাধনাৰ চৰমমাৰ্গ দৰ্শনাকাংক্ষা কৰি হয়তো আৰম্ভ কৰিছিল—

জয়ন্তী মঙ্গলাকালী ভদ্ৰকালী কপালিনী
দুৰ্গা, শিবা ক্ষমাধাত্ৰী স্বাহা স্বধা নমোহস্তুতে॥

মঙ্গলাকালীৰ আৰাধণাই ইয়াত মুখ্য স্থান পাইছে। আন এটা শ্লোকত মহৰ্ষিয়ে তেওঁৰ ওচৰত শৰণাপন্ন হোৱা স্বৰ্গচ্যুতা অপ্সৰা পুষ্পভদ্ৰাৰ প্ৰসঙ্গও ভদ্ৰাস্তুতিৰে প্ৰতিপন্ন কৰিছে। যেনে—

"নমো দেব্যৈ মহাদেব্যৈ শিবায়ৈ" সততং নমঃ
নমো প্ৰকৃত্যৈ ভদ্ৰায়ৈ নিয়তা প্ৰণতাস্মতাম্ ॥

এই ক্ষেত্ৰত চাৰিও কাষতে থকা শিৱতীৰ্থ নটৰাজনাচাৰ শিৱ, উমানন্দৰ কামাখ্যাভৈৰৱ, মণিকৰ্ণেশ্বৰৰ মহামণিশ্বৰৰ স্থিতিও লক্ষনীয় আৰু ভদ্ৰাৰ, পুষ্প্ৰভদ্ৰাৰ বা মঙ্গলাৰ সান্নিধ্যও প্ৰণিধানযোগ্য বিষয়।

লিখিত বুৰঞ্জীৰ হাঁকুটিয়ে ঢুকি নোপোৱা কথাবোৰৰ ক্ষেত্ৰত কিংবদন্তী, মুখ বাগৰি অহা প্ৰবাদ তথাই জনগনৰ অন্তৰত ঠাই পোৱাতো স্বাভাৱিক। মহৰ্ষি ব্যাসৰ সম্পাদনাৰ আগমূহুৰ্ত্তলৈকে মুখবাগৰা কাহিনী বৰ্ণনাই ভাৰতীয় চিন্তাধাৰাৰ সুঁতি অব্যাহত ৰাখিছিল। সীতাপৰ্ব্বতৰ নামনিত মঙ্গলাঘাটত মাৰ্কণ্ডৰ পদাৰ্পন কিংবদন্তি প্ৰবাদ হৈ থাকিলেও স্বৰ্গদেউ শিৱসিংহৰ নিৰ্দ্দেশত তৰুণ দুৱৰা বৃহৎফুকনে দেৱীকুণ্ডৰ ওপৰত মন্দিৰ নিৰ্মাণৰ কাৰ্য্য হাতত লয়। মন কৰিব লগীয়া কথা এয়ে যে দেৱালয়খনৰ প্ৰবেশদ্বাৰত খোদিত ঋষিজনাৰ প্ৰতিমূৰ্ত্তি এটিয়ে এই প্ৰাঙ্গণত তেওঁৰ উপস্থিতিৰ স্বাক্ষৰ স্বৰূপ। আনহাতে মন্দিৰ প্ৰাঙ্গণতে থকা মন্দপকেই মাৰ্কণ্ড মণ্ডপ, কাষেদি বৈ যোৱা নিজৰাৰ স্থান বিশেষক ঋষিৰ কৰ্ম্ম ক্ষেত্ৰ 'মাৰ্কণ্ডেয় কুণ্ড" বুলি চিহ্নিত কৰা হৈছে। আনহাতে কঠোৰ সাধ্য সাধনাৰ বিনিময়ত দেৱীদৰ্শন লাভ কৰা সাধকজনৰ সিদ্ধিৰ স্বাক্ষৰ বহণ কৰিছে শিলত চিহ্নিত দেৱীৰ পদ যুগলে। একালে অশ্বক্লান্তৰ নদী জীয়লীত বিষ্ণুৰ পাদপদ্মৰ চিহ্ন আৰু আনফালে দীৰ্ঘেশ্বৰীৰ দেৱীৰ পাদ যুগলৰ চিহ্নই পশ্চিমৰ "কাশীৰ" আহিৰে উত্তৰ গুৱাহাটী অঞ্চলকো "পূৰ্ব্ব কাশীৰ" মৰ্য্যাদাৰে বিভূষিত কৰিছে।

চণ্ডীগ্ৰন্থত "যা দেৱী সৰ্ব্বভূতেষু" মন্ত্ৰোধনেৰে দেৱীক বিভিন্ন ৰূপত আৰাধনা আৰু আহবান কৰা হৈছে। মাৰ্কণ্ডৰ এই ধৰ্ম্মধাৰাই দেৱালয়খনতো প্ৰভূত প্ৰভাৱ পেলোৱা দেখা যায়। ইয়াত দেৱীক চিৎৰূপা সৰস্বতী (বিৰহৰি) সদংৰূপা মহালক্ষ্মী আৰু আনন্দৰূপা মহাকালিৰ সমাহাৰ (সদ্‌চিদানন্দ) সৎচিৎ আনন্দ—মাতৃস্বৰী ভগৱৎ ধাৰাক সাৰ্থক ৰূপ দি গ'ল।

মহৰ্ষি মাৰ্কণ্ডৰ পবিত্ৰ পদৰেণুৰে মঙ্গলা নদীৰ ঘাট পবিত্ৰ হ'ল। দেৱী কামাখ্যাৰ প্ৰিয় যোগিনী দীৰ্ঘেশ্বৰীৰ আৰাধনাই যিদৰে মাৰ্কণ্ডক মাৰ্গদৰ্শনত সহায় কৰিলে, আজি সেই মহৰ্ষিৰ ধৰ্মপাদৰ পদাঙ্ক অনুসৰণ কৰিয়েই ভক্ত সকলেও সিদ্ধিৰ পথ প্ৰসস্ত কৰিলে। মাৰ্কণ্ডই যিদৰে প্ৰমাণ কৰি গ'ল যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ কামপীঠৰ পবিত্ৰ ভূমিত সাধ্য-সাধনাৰ, চিন্তাচৰ্চাৰ ধ্যান ধাৰণাৰ প্ৰকৃত প্ৰশস্ত ক্ষেত্ৰ, পিচৰ কালতো সাধ্য—সাধনা, ধ্যাণ ধাৰণাৰে অধ্যয়ন অধ্যাপনাৰে এই এলেকা মহান মনীষাই আলোকিত কৰি থৈ গ'ল। স্বয়ং সম্পূৰ্ণ প্ৰতিভাৰে কেন্দুকলাই, ৰামসৰস্বতী, অনন্ত কন্দলী, নাৰায়ণ দেৱ, বলদেৱ, আনন্দৰাম বৰুৱা প্ৰমুখ্যে, সাধক, সাহিত্যিকৰ চামে চামে আৱিৰ্ভাৱ তাৰেই এক ইতিবাচক সংযোজন।

চণ্ডীৰ মূৰ্ত্তিৰহস্যৰ ৮নং শ্লোকত কোৱা হৈছে



দীৰ্ঘৌ লম্বাৱতী স্থূলৌ তাৱত্ত অতি মনোহৰৌ।
কৰ্কশাবতি কান্তে তে সৰ্ব্বানন্দপয়ে াধিনী ॥

পৃথিৱীৰ মেৰুপৰ্ব্বত সদৃশ দীৰ্ঘ মনোহৰ স্তনযুগলেৰে মানৱক অমৃত প্ৰদান কৰোতা দয়াময়ী কালী দীৰ্ঘেশ্বৰীৰ বৰ্ণনা ইয়াত বিদ্যমান। দীৰ্ঘেশ্বৰ মহাকালৰ ভাৰ্য্যা দীৰ্ঘেশ্বৰী, মহাকালী।

সীতা পৰ্ব্বতৰ নৈসৰ্গিক পটভূমিত চণ্ডী কাব্যৰ তথা মাৰ্কণ্ড পুৰাণৰ শ্লোক সমূহ যদি ঋষিশ্ৰেষ্ঠৰ কণ্ঠত নিগৰিত হৈছিল, তেনেহলে গীতাৰ দৰে চণ্ডীৰ আলাপ ক্ষেত্ৰও পবিত্ৰ ষট্ সংবাদ ক্ষেত্ৰ। তথানুৰূপ কুৰুক্ষেত্ৰ আৰু বদৰিকা শ্ৰমৰ দৰেই মঙ্গলা ঘাটো এক পবিত্ৰ ষট্‌সংবাদক্ষেত্ৰ। এই ক্ষেত্ৰ ভাৰতীয় ঐতিহ্যৰ গৌৰবময় ক্ষেত্ৰ। কাৰণ ইয়াতেই বিৰাজ কৰিছিল ব্যাসৰো শ্ৰদ্ধাৰ পাত্ৰ, চিৰনমস্য, ভাৰতীয় মনীষাৰ অনন্য প্ৰতিভূ গৰাকীয়ে। ভক্তপ্ৰাণ ৰাইজ জনপ্ৰিয় চৰকাৰৰ পৰ্য্যটন বিভাগ তথা পৰ্যাবেক্ষণ বিভাগৰ এই পবিত্ৰ ক্ষেত্ৰৰ মৰ্য্যদা ৰক্ষাৰ দায়িত্ব আহি পৰিছে।

★★★

# বৰ্তমানৰ ভাৰতীয় শিক্ষা ব্যৱস্থা আৰু ইয়াৰ ভৱিষ্যৎ : এটি পৰ্য্যালোচনা

শ্ৰীঅশোক দত্ত
স্নাতক ২য় বৰ্ষ ( বিজ্ঞান )

আদিম অৱস্থাত যেতিয়া এই পৃথিৱীলৈ সভ্যতাৰ পোহৰ অহাই নাছিল সেই সময়ত জীৱজগতৰ অন্যান্য প্ৰাণীবোৰৰ লগত মানুহৰ বিশেষ পাৰ্থক্য নাছিল। মানুহে এক বৰ্বৰ প্ৰণালীৰে জীৱন ধাৰণ কৰিছিল। লাহে লাহে সময়ৰ বিবৰ্তন হ'ল আৰু মানুহে জীয়াই থকাৰ বাবে নতুন নতুন পদ্ধতিৰ ব্যৱহাৰ কৰিলে। জীয়াই থকাৰ প্ৰচেষ্টা আৰু নানা ধৰণৰ নতুন প্ৰণালীবোৰে মানুহক অন্য জীৱজগতৰ পৰা সম্পূৰ্ণৰূপে পৃথক কৰি জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে আখ্যা দিলে। আজি মানুহে জীৱজগতক অধ্যায়ণ কৰিছে আৰু তাৰ পৰা পাবলগীয়া সুবিধাসমূহ আয়ত্ব কৰিছে আৰু জীৱণটোক নানা ৰূপত সজাই তুলিছে।

আদিম অৱস্থাৰ পৰাই মানুহে নানা শিক্ষাৰ প্ৰণালীৰ সহায় লৈ আনিছে আৰু নিজকে আনতকৈ এখোপ শ্ৰেষ্ঠ বুলি প্ৰমাণিত কৰিছে এই শিক্ষাৰ সুযোগ লৈয়েই মানুহ শ্ৰেষ্ঠৰ পৰা শ্ৰেষ্ঠতৰ হৈ আহিছে। সেয়েহে মানুহে শ্ৰেষ্ঠৰ পৰ শ্ৰেষ্ঠত্বৰ হোৱাৰ একমাত্ৰ সহজ আৰু স্বাভাৱিক পথ বাচি ললে শিক্ষাক আৰু গঢ় দিয়া হ'ল শিক্ষা ব্যৱস্থা। আমি আজি এই প্ৰৱন্ধত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বৰ্তমান ৰূপটোৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিম।

এই বিষয়ে কিবা লিখিব যোৱাৰ আগতে স্থানীয় মহাবিদ্যালয় এখনত সংঘটিত এটা ঘটনাৰ বিষয়ে অৱগত কৰিব বিচাৰিছো। ঘটনাটো আছিল এনেধৰণৰ— ১৯৯৮ চনৰ স্নাতক প্ৰথম বৰ্ষৰ পৰীক্ষা চলি থকা সময়ত এজন ছাত্ৰই পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰাত পৰীক্ষকে তেওঁৰ ওপৰত নীতিগত যাবতীয় কৰ্তব্য কৰে।

কিন্তু ছাত্ৰজনে আৰু পৰীক্ষা গৃহত পৰীক্ষা দি থকা অন্য কেইজনমান ছাত্ৰই ইয়াৰ তীব্ৰ বিৰোধিতা ক'ৰে। ছাত্ৰ কেইজনৰ মত হ'ল তেওঁলোকে এনে অসৎ কাৰ্য্য কৰিছিল কাৰণ বিগত বছৰটোত তেওঁলোকে নিয়মীয়াকৈ পঢ়া নাছিল আৰু তেনেদৰে পঢ়াটো বাঞ্ছনীয় বুলিও ভবা নাছিল। কিয় পঢ়া নাছিল বুলি সোধা প্ৰশ্নৰ উত্তৰত কৈছিল যে তেওঁলোকে বৰ্তমান শিক্ষা ব্যৱস্থাটোক কোনো গুৰুত্ব নিদিয়ে আৰু ভৱিষ্যৎ জীৱনত ইয়াৰ লাভা-লাভ শূণ্য বুলি ভাবে। আজি হয়তো আমি বহু ক্ষেত্ৰত উক্ত যুৱক কেইজনৰ লগত একমত হ'ব নোৱাৰিম বা তেওঁলোকে কৰা কাৰ্য্যক বাঃ বাঃ দিব নোৱাৰিম। কিন্তু আজি আমি সকলোৱে একবিংশ শতিকাৰ দুৱাৰ ডলীত থিয় দি সময়ত ভাৰতবৰ্ষৰ জনসংখ্যা 100 কোটি বা তাতোধিক তেনে সময়ত চিন্তা কৰিব বাধ্য হৈ পৰিছো যে আমি সঁচাকৈয়ে উচিত শিক্ষা লৈছোনে? আজি আমি প্ৰত্যেকেই বৰ্তমান শিক্ষা ব্যৱস্থাটোৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছো। এতিয়া প্ৰশ্ন হ'ল আজি আমাৰ মনত শিক্ষা ব্যৱস্থা বা প্ৰণালীটোৰ ওপৰত ইমান সংশয় কিয়। এই প্ৰশ্নৰ উত্তৰ বিচাৰিব লাগিলে আমি বৰ্তমানৰ শিক্ষা প্ৰণালীটোৰ এটা পুংখানুপুংখ বিশ্লেষণ কৰাটো নিতান্তই প্ৰয়োজন।

পুৰণি কালত যি সময়ত ভাৰতবৰ্ষত পাশ্চত্যৰ শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ পৰা নাছিল সেই সময়ত ভাৰতীয় চিন্তাধাৰাত শিশুৰ ভিতৰত বীজৰূপত বিভিন্ন গুণ থকা বুলি বিশ্বাস কৰিছিল আৰু সেই হিচাপে শিশু সকলক শিক্ষা দিছিল। এই শিক্ষা ব্যৱস্থা ছাত্ৰ কেন্দ্ৰিক আছিল। অৰ্থাৎ ছাত্ৰজনক কেন্দ্ৰ কৰি এক ধৰণৰ শিক্ষা ব্যৱস্থা গঢ় লৈ উঠিছিল। লাহে লাহে ভাৰতীয় শিক্ষাৰ ওপৰত পশ্চিমীয়া প্ৰভাৱ পৰিল আৰু ইয়াৰ লগে লগে ভাৰতীয় শিক্ষা ব্যৱস্থাটো শিক্ষক কেন্দ্ৰিক, কিতাপ কেন্দ্ৰিক আৰু পৰীক্ষা কেন্দ্ৰিক হৈ পৰিল। এই শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত নিজৰ মনে বিচৰা বিষয়ৰ উপৰিও নানাধৰণৰ অন্যান্য বিষয় জাপি দিলে যাৰ ফলত নেকি ছাত্ৰ-ছাত্ৰীৰ অনিচ্ছাস্বত্তও সেইবোৰ বিষয় অধ্যয়ণ কৰিব বাধ্য হ'ল কেৱলমাত্ৰ পৰীক্ষা কেন্দ্ৰিকে শিক্ষা ব্যৱস্থাটোৰ বাবে কিন্তু যেতিয়া ভাৰতবৰ্ষৰ বৰ্ধিত জন সাধাৰণৰ হেঁচাই অগনন নিবনুৱাৰ সৃষ্টি কৰিলে তেতিয়া স্বাভাৱিকতে পৰীক্ষা কেন্দ্ৰিক শিক্ষা ব্যৱস্থাটোৰ ওপৰত আস্থা হেৰাই গ'ল আৰু ইয়াৰ লগে লগে সকলোৱে শিক্ষা ব্যৱস্থাটোৰ পৰিবৰ্তনৰ দাবী জনালে। আজি আমি লক্ষ্য কৰিলে দেখা পাওঁ যে আজিৰ শিক্ষা ব্যৱস্থাই মুষ্টিমেয় ছাত্ৰৰ বাদে সৰ্বসাধাৰণৰ ভৱিষ্যৎ জীৱনত বিশেষ গুৰুত্ব লাভ কৰিব পৰা নাই।

আৰু এই কথা আজি আমি সকলোৱে স্বীকাৰ কৰিব বাধ্য কিন্তু এতিয়া প্ৰশ্ন হ'ল এনে হৈছে কিয়? আজিৰ ছাত্ৰ সমাজৰ প্ৰায় ভাগে ( প্ৰায় 99% ) শিক্ষাৰ শৰণাগত হৈছে এই কাৰণেই যে তেওঁলোকে ভৱিষ্যৎতৰ জীৱিকাৰ বাবে শিক্ষাগত অৰ্হতা অৰ্জন কৰা, জ্ঞান অৰ্জন কৰা নহয়। কিন্তু যিখিনি সময়ত শিক্ষাৰ যাথাযথ অৰ্হতা থকা স্বত্তেও জীৱিকাৰ কোনো পথ নাপায় লাখ লাখ নিবনুৱাৰ সৃষ্টি হয় সেইখিনি সময়ত ছাত্ৰ সমাজে শিক্ষা ব্যৱস্থাৰ ওপৰত আনাস্থা প্ৰকাশ কৰাটো একো অস্বাভাৱিক নহয়। আজিৰ সমাজৰ প্ৰায় ভাগ লোকেই চাকৰিমুখী। এটা সুন্দৰ চাকৰিৰে ভৱিষ্যৎৰ জীৱন উজ্জ্বলাই

তোলাৰ বাবে তেওঁলোকে সদায়েই চেষ্টা চলাই আহিছে। কিন্তু বৰ্তমানৰ বৰ্দ্ধিত জনসংখ্যাই ইয়াৰ পথত হেঙাৰ হিচাপে থিয় দিছে আৰু লাখ লাখ নিবনুৱাৰ সৃষ্টি কৰিছে উচিত শিক্ষাগত অৰ্হতা থকা স্বত্তেও।

শিক্ষাৰ ওপৰত অকল এই কাৰণেই আনস্থা প্ৰকাশ কৰাটো আমাৰ উচিত হৈছেনে? নে অন্য কাৰণো কিবা আছে? অলপতে এখন মুখপত্ৰ পঢ়িছিলো। তাত এযাৰ কথা পাইছিলো যে বৰ্তমান শিক্ষা ব্যৱস্থা প্ৰগতিবাদী, প্ৰয়োজনীয়বাদী, প্ৰকৃতিবাদী ইত্যাদি ৰূপত প্ৰকাশ পাইছে কিন্তু মানৱতাবাদী ৰূপত প্ৰকাশ পোৱা নাই। আমিও আজি বৰ্তমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিলে এই কথা একমুখে স্বীকাৰ কৰিব বাধ্য যে মানুহৰ মাজত মানৱতাৰ হ্ৰাস পাইছে আৰু মানুহ ক্ৰমান্বয়ে যান্ত্ৰিক হৈ পৰিছে আৰু ই বৰ্তমানৰ সমাজৰ ওপৰত বৰ বেয়াকৈ প্ৰভাৱ পেলাইছে। আজি মানুহে কনমানি স্বাৰ্থৰ বাবে সমাজৰ অতুলনীয় ক্ষতি কৰাটোও পৰিলক্ষিত হৈছে। ফলত নানা ধৰণৰ উগ্ৰবাদী কাৰ্য্যকলাপে দেখা দিছে। আমি যদি এই উগ্ৰবাদী কাৰ্য্যকলাপবোৰ লক্ষ্য কৰো। তেন্তে দেখা পাম যে প্ৰায় ৪০% শিক্ষিত মানুহেই ইয়াৰ লগত জড়িত নতুবা ইয়াৰ নেতৃত্ব দিছে। ইয়াৰ কাৰণ কি? নে আজি আমি সচাঁকৈয়ে উল্লেখিত মুখপত্ৰখনক সমৰ্থন কৰিব লাগিব যে বৰ্তমান শিক্ষাই মানুহৰ অন্তৰৰ পৰা মানৱতাৰ হ্ৰাস ঘটাইছে?

ভাৰতবৰ্ষ পৃথিবীৰ ভিতৰত বৃহত্তম গণতান্ত্ৰিক দেশ যি দেশৰ জনসংখ্যা ১০০ কোটি বা তাতোধিক। এখন গণতান্ত্ৰিক দেশৰ সকলোবোৰ দিশ যেনে অৰ্থনৈতিক, সামাজিক নতুবা ৰাজনৈতিক দিশবোৰ নিৰ্ভৰ কৰে দেশখনৰ নাগৰিকৰ গণতান্ত্ৰিক সজাগতা কিন্তু আজি ভাৰতবৰ্ষৰ এই বিশাল জনসম্পদৰ প্ৰায় ৩৫% ৪০% লোক শিক্ষিত আৰু বাকী অশিক্ষিত। শিক্ষিত জনসাধাৰণৰো অধিকাংশই প্ৰাথমিক পৰ্য্যায়ত শিক্ষা সমাপ্ত কৰিছে। মাত্ৰ কেই কোটিমান জনসাধাৰণেহে উচ্চ শিক্ষাৰ দ্বাৰা শিক্ষিত হৈছে।

কিন্তু ভাৰতীয় গণতন্ত্ৰৰ প্ৰাথমিক পৰ্য্যায়ৰ জ্ঞানখিনিত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ প্ৰাথমিক পৰ্য্যায়ত পোৱা নাযায়। ফলত কেইকোটিমান নাগৰিকৰ বাদে বাকী অধিকাংশ নাগৰিক গণতন্ত্ৰৰ মূলতত্বৰ পৰা বঞ্চিত হৈছে। তেওঁলোক মাত্ৰ এটা কথাই জানে যে গণতান্ত্ৰিক চৰকাৰে নাগৰিকৰ চৰকাৰ আৰু চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া সময়মতে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰি এখন চৰকাৰ গঠন কৰিব লাগে। কিন্তু এতিয়া প্ৰশ্ন হ'ল এখন গণতান্ত্ৰিক দেশৰ নাগৰিকৰ কৰ্তব্য নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাইনে? নিশ্চয় নহয়। আজি যদি ভাৰতবৰ্ষৰ দৰে দেশ এখনত গণতন্ত্ৰ সফল হ'ব লাগে তেন্তে ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকে গণতন্ত্ৰৰ প্ৰকৃত স্বৰূপৰ জ্ঞান পোৱাৰ উপৰিও ইয়াৰ প্ৰতি সজাগতা অৱলম্বন কৰা উচিত। তাৰ বাবে শিক্ষা



ব্যৱস্থাৰ পৰিবৰ্তন তথা উন্নতি সাধন নিতান্তই প্ৰয়োজন অনাথাই ৰাজনৈতিক ক্ষেত্ৰত এক বিৰাট অৰাজকতাৰ উত্থান ঘটিব যি বৰ্ত্তমান বিদ্যামান।

উপৰোক্ত বিষয় সমূহক ভাৰতীয় শিক্ষা ব্যৱস্থাৰ অৰ্থনৈতিক, ৰাজনৈতিক তথা সামাজিক দিশত মূল্যাংকণ কৰিবৰ চেষ্টা কৰা হৈছে। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ দৰে এটা বিশাল জটিল শিক্ষা ব্যৱস্থাৰ মূল্যাংকণ ইমান কম সময়তে মাত্ৰ কেইখিলামান কাগজত কৰা সম্ভৱ নহয়। কিন্তু আজি আমি সকলোৱে ভাৰতীয় শিক্ষা ব্যৱস্থাটোৰ পৰিবৰ্তনৰ লগে লগে উন্নতি সাধনৰ নিতান্তই প্ৰয়োজন অনুভৱ কৰিছো। অন্যথাই আমি আমাৰ ধৰ্ম্ম সংস্কৃতি পাহৰি পশ্চিমীয়া শিক্ষাৰে শিক্ষিত হৈ এজো একোজন শিক্ষিত নাগৰিক হ'ব পাৰিম সঁচা কিন্তু আমি কেতিয়াও শিক্ষিতৰ উচিত মূল্যাংকণ বা ব্যৱহাৰ কৰিব নোৱাৰিম কাৰণ এজন শিক্ষিত মানুহ জ্ঞানী নহবও পাৰে। আমাৰ সকলোৱে এইটো জ্ঞাত যে শিক্ষা গ্ৰহণ কৰাটো সহজ, জ্ঞান গ্ৰহণ কৰাটো কঠিন।

জ্ঞান লাভৰ প্ৰকৃত পথ হৈছে সাধনা। আজিৰ যুৱ সমাজ সাধনাৰ পৰা বিচ্যুত। শিক্ষাৰ সংস্কাৰ সমাজ সংস্কাৰ আদি কাৰ্য্যাত লাগিব সহযোগ, দূৰদৃষ্টি আৰু এটা উপযুক্ত জাতি গঠনৰ প্ৰবল স্পৃহা। আমাৰ সমাজত এই খিনিৰে অভাৱ পৰিলক্ষিত হৈছে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে দেখুৱাই দিয়া শিক্ষা-নীতি এতিয়া ধোৱাঁচাঙত। ছাত্ৰ-ছাত্ৰীকলৈ এতিয়া অপৰিপক্ক শিক্ষাবিদ আৰু চৰকাৰে যিবোৰ গবেষণা আৰম্ভ কৰিছে যিবোৰৰ পৰা শিক্ষা ব্যৱস্থাৰ কোনো উন্নতি নহয়। ভাৰতীয় আদৰ্শ, পৰম্পৰা আদিৰ প্ৰতি সন্মান জনাই সম্পূৰ্ণৰূপে ভাৰীয় চিন্তাধাৰাৰ ভেটিত নতুন শিক্ষা ব্যৱস্থা প্ৰবৰ্তন কৰিলে নিশ্চয় ভাৰতৰ আৰ্থ সামাজিক অৱস্থাৰ পৰিবৰ্ত্তন হব। আজিৰ ভাৰতীয় প্ৰধানভাবে বিষয়ী হৈ পৰিছে যিটো পশ্চিমীয়া সংস্কৃতি এটা অশুভ প্ৰভাৱ। কৰ্ম্ম সংস্কৃতি উজ্জীপিত কৰিবলৈ হলে শিক্ষা নীতি তেনে আধাৰত প্ৰতিষ্ঠিত হব লাগিব।

এনে আমূল পৰিবৰ্ত্তন একোটা দিন বা এৰাতিতে ৰূপায়িত কৰা বস্তু নহয়। ইয়াৰ কাৰণে কৰ্ম্মই মানৱ শক্তি আগ বাঢ়ি আহিব লাগিব আৰু কৰ্ম্ম সংস্কৃতিক অগ্ৰাধিকাৰ দি ভাৰতীয় শিক্ষা ব্যৱস্থাক কৰ্ম্মমুখী কৰিব লাগিব, তেতিয়াহে ভাৰতৰ উন্নতি আশা কৰিব পাৰি।

—x—

# অসমৰ সাংস্কৃতিক জীৱনত বাঁহ

ড° ভৃগুমোহন গোস্বামী

অসমীয়া লোক জীৱনত নতুবা সাংস্কৃতিক জীৱনত বাঁহৰ ব্যৱহাৰ মন কৰিবলগীয়া। কৃষিৰ লগত অসমীয়া মানুহক পূৰ্বকালৰ পৰা সম্বন্ধ। অসমীয়া মানুহক সাধাৰণতে কৃষি-জীৱী বুলি কোৱা হয়। কৃষি জীৱী অসমীয়া মানুহে থাকিবলৈ যিবোৰ ঘৰ সাজিছিল তাক বাঁহেৰেই সাজিছিল। কামি, কৰা, খুটা, পালিখুটা, বেৰ আদি বাঁহৰেই আছিল। থকাঘৰ, বৰঘৰ, ৰহাঘৰ, ৰান্ধনিঘৰ, ভড়ালঘৰ, গোহালি আদি সকলো ধৰণৰ ঘৰ বাঁহেৰে সাজে। তদুপৰি অসমীয়া মানুহৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা প্ৰায়বোৰ বস্তু বাঁহেৰে তৈয়াৰী। চালনী, গুৰি চালনী, খৰাহী, ডলা, কুলা, বিচনী, চাৰি আদি সকলো বাঁহৰ। হেঙাৰ, শলখা (সং-শলাকা) আদিতো বাঁহ ব্যৱহাৰ কৰে।

বাঁহক অসমীয়া জাতি, জনজাতি সকলোৱে বিভিন্ন ৰূপত পূজা কৰে। তাৰে এটা শ্ৰেষ্ঠ নিদৰ্শন হ'ল পাউৰা বা পাৰ বাঁহ তোলা। এই অনুষ্ঠানটোক কোনো কোনো ঠাইত ভুঠেলি নামেৰেও জনা যায়। সহৰ, ফুৰোৱা, মথনিৰ মথনি দণ্ড আদিতো বাঁহৰ ব্যৱহাৰ আছে।

অসমীয়া জাতি জনজাতিৰ মাজত এটা প্ৰবাদ আছে যে শনিবাৰ আৰু মঙ্গলবাৰে মানুহে বাঁহ কটা নিষেধ। জাতি বাঁহৰ জন্ম শনিবাৰ আৰু ভলুকা বাঁহৰ জন্ম মঙ্গলবাৰ বুলি জন সমাজত প্ৰচলিত আছে।

বাঁহ অসমীয়া মানুহৰ দৈনন্দিন জীৱনৰে ব্যৱহাৰ্য একমাত্ৰ আহিলা নহয়। উৎসৱ পাৰ্বন, ধৰ্মীয় অনুষ্ঠান আদি কৰি, বিয়া সবাহ, বিহু সকলোতে বাঁহ লাগে। মাঘ বিহুৰ মেজি কামৰূপ, গোৱালপাৰা আৰু দৰঙত বাঁহেৰে সাজে। বাঁহৰ হিলৈ বিখ্যাত। এই বাঁহেৰে পানী হিলৈ মাৰিছিল। পানীহিলৈৰ চোঁচটো নাৰিকল গছত আঁৰি দিলে নাৰিকল বেছি লগে বুলি লোক বিশ্বাস আছে। মাঘ বিহুৰ মেজি বাঁহেৰে সজোৱাৰ উপৰিও এই বিহুৰ চুঙাপিঠা বাঁহৰ চুঙাৰে কৰে। চুঙা পিঠাই প্ৰমাণ কৰে যে এসময়ত মানুহে চুঙাতো ভাত ৰান্ধি খাইছিল। বহাগ বিহুৰ সাত শাকীৰ লগত বাঁহ গাজ খোৱা প্ৰথাও আছে।

বাঁহৰ গাজেৰে শুকান খৰিচা, পকা খৰিচা আদি তৈয়াৰ কৰে। বাঁহ গাজেৰে আজিকালি আচাৰো বনায়।

অসমীয়া 'খৰ্‌চি' শব্দই মিহি নোহোৱা গুৰিকে বুজায়। এই 'খৰ্‌চি' শব্দৰ পৰাই খৰিচা শব্দৰ জন্ম যেন লাগে। খৰিচা বাঁহ গাজৰ পৰা তৈয়াৰ কৰা এবিধ প্ৰাচীন খাদ্য দ্ৰব্য। যিয়ে এবাৰ খৰিচা খাই পাইছে তাৰ সোৱাদ পাহৰিব নোৱাৰে। খৰিচা দুই প্ৰকাৰৰ (১) পকা খৰিচা আৰু (২) শুকান খৰিচা।

হেমচন্দ্ৰ বৰুৱাই 'হেম কোষত' পকা খৰিচাৰ বিষয়ে এনেদৰে লিখিছে, "কুটি আধা খুন্দা কৰা বাঁহ-গাজ পানী দি কলহত ভৰাই থলে, সি টেঙা হয়, তেতিয়া তাক 'পকা খৰিচা বোলে আৰু তাৰ আঞ্জা খোৱা হয়।

শুকান খৰিচাৰ বিষয়ে হেমচন্দ্ৰ বৰুৱাই লিখিছে, "কুটা বাঁহ গাজ শুকাই গুৰি কৰিলে তাৰ নাম শুকান খৰিচা" বা জিম্ খৰিচা হয়, তাকো আঞ্জাত খোৱা যায়।" শুকান খৰিচা বহুদিন সংৰক্ষণ কৰিব পাৰি। বসন্ত ৰোগীক মাগুৰ মাছৰ লগত খৰিচা খুউৱা নিয়ম আছে। পোৰা মাছৰ লগত খৰিচা শালি (পানীতিতা) ভাত খোৱাৰ সোৱাদ অসমীয়া গ্ৰাম্য সমাজে ভালকৈ জানে।

বাঁহ গছক লৈ অন্ধবিশ্বাস, জনবিশ্বাস কিছুমানো আছে। বাহঁ গছৰ তলত যখিনী, ধোঁৱা বাক থাকে বুলি লোক বিশ্বাস আছে। হাবিতলীয়া সভ্যতাত এনে ধৰণৰ ধাৰণা থকাতো আচৰিত কথা নহয়। সেয়ে গাঁৱত ভৰদুপৰীয়া ল'ৰা ছোৱালীক বাঁহৰ তললৈ যাব নিদিয়ে

জন্ম, বিবাহ, মৃত্যুৰ লগত বাহঁৰ সম্বন্ধ অপৰিহাৰ্য্য। বাঁহৰ চোঁচেৰে কেচুৱাৰ নাৰী কটা হৈছিল। আকৌ এই বাঁহেৰেই বিয়াত



ৰভা দিয়া হয়। বাঁহেৰে চাঙী সাজি মৃতকৰ সংকাৰ কৰিবলৈ নিয়ে। সংকাৰ কৰিবলৈ যোৱা মানুহে নিজৰ ঘৰৰ বাঁহ এডালকে লগত নিয়ে। যি 'চোপা' বাঁহেৰে মৃতকৰ সংকাৰ কৰে সেই চোপা বাঁহ এবছৰলৈ কটা নিষেধ। বাঁহৰ জন্ম বৃদ্ধি কৰাই ইয়াৰ প্ৰধান উদ্দেশ্য।

অসমৰ বিভিন্ন ঠাইত বিভিন্ন শ্ৰেণীৰ বাঁহ পোৱা যায়। তাৰ ভিতৰত জাতি-বাঁহ; বিজুলী বাঁহ, মকাল বাঁহ, কটা বাঁহ, ভলুকা বাঁহ ইত্যাদি। ভলুকা বাঁহৰ গাজৰ খৰিচা ভাল বুলি সকলোৱে জানে। এই বাঁহৰ গাজ কটা সমাজত নিষেধ। গজমুৰীয়া লোককহে বাঁহ গাজ কাটিবলৈ দিয়া হৈছিল। নতুবা গৰু মাহ ভঙা বাঁহ গাজৰ (গাজ-অঙ্কুৰ) পৰা খৰিচা তৈয়াৰ কৰা হৈছিল। ইয়াৰ কাৰণো বাঁহৰ বংশ নাশ নকৰা, গ্ৰাম্য সমাজত প্ৰচলিত প্ৰবচন হ'ল—

"যাৰ নাই বাঁহ,
তাৰ নাই সাহ।
যাৰ নাই গৰু,
সি সবাতকৈ সৰু।"

আকৌ কোৱা হয়- "ভাগে ভাগে ৰুবা বাঁহ
হাজাৰ বিপদতো থাকিব সাহ।"

বাঁহৰ নামেৰে মাছৰ নামো ৰখা হয়। যেনে বাঁহপাতী। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে অসম কিয় ভাৰতৰ ওখ ঠাইবোৰৰ নাম গছৰ নামেৰে আৰু দ ঠাইবোৰৰ নাম মাছৰ নামেৰে ৰখা দেখা যায়। যেনে তাঁহত গুৰি,

বেবেল ভোলা, বেলশৰ আদি গছৰ নামেৰে থোৱা ঠাই, ওখ ঠাই, আকৌ মাছৰ নামেৰে থোৱা বৌ মাৰি, বল্লিমাৰী, (ৰবাজিমাৰী), পুঠিমাৰী আদি ঠাই দ ঠাই।

বাঁহৰ ব্যৱহাৰ গাঁৱতকৈ নগৰত কম যদিও বাঁহৰ কাঠিৰে তৈয়াৰী বাঁহৰ জাপি গাওঁ চহৰ উভয়তে সংস্কৃতিৰ প্ৰতীক হৈ পৰিছে। বাঁহৰ খৰাহীত ফুলৰ টাব ৰখাও দেখা যায়। দিনে নিশাই গাঁৱৰ পৰা বাঁহ নগৰলৈ আহিয়েই আছে। নগৰৰ অট্টালিকা-বোৰ সাজোতে বাঁহৰ কি প্ৰয়োজন সকলোৱে জানে।

মঙ্গোলীয়া লোক সকলে বাঁহৰ উমান বেছি প্ৰয়োগ কৰিছিল যে তেওঁলোকৰ সভ্যতাক বাঁহ সংস্কৃতি বুলিয়ে কোৱা হৈছিল। বাঁহৰ চাং পাভটি গাঁৱে গাঁৱে। সেইদৰে ডলা (সংডলক) কুলা চালনী, খৰাহি, পাচি, জাপি, খালৈ, চেপা, পাল', জুলুকি আদিৰ নিৰ্মাণ বাঁহেৰেই কৰা হয়। পুৰণি অসমত কাপোৰ থৰলৈ ব্যৱহাৰ কৰা জপাটো বেত বা বাহঁৰেই নিৰ্মাণ কৰিছিল।

এই বাঁহৰ পৰা এখেৰবৰ বচন ভাষী সৃষ্টি হৈছে যেনে "বাঁহৰ আগ তল খণ্ডক, কাঁইটৰীৰ বং চাওঁ', বাঁহৰ গছৰ ভোল" ইত্যাদি। পূৰ্বপুৰুষ বা পূৰ্বপুৰুষে দেখা নোপোৱা কালৰ পৰাই বাঁহৰ প্ৰচলন হৈ আহিছে। এই বাঁহ মঙ্গোলীয় সংস্কৃতিৰ উপাদান বুলি পণ্ডিত সকলে মত পোষণ কৰিছে। অসমীয়া সংস্কৃতিৰ লগত আবহমান কালৰ পৰা বাঁহ সাজোৰ খাই আহিছে। বাঁহক বাদ দিদি অসমীয়া সংস্কৃতি নিৰূপণ কৰিব নোৱাৰি।

বিহুগীতৰ বাদ্য গগনা, টকা, ঢোলৰ মাৰি আদিও বাঁহৰ। 'আগলি বাঁহৰে লাহৰি গগনা।" গগনা দুবিধ। লাহৰি গগনা আৰু জয়ধন গগনা। লাহৰি গগনা তিৰোতাসকলে বজোৱা বাদ্য। মিচিং সকলৰ মাজত বাঁহৰ ভাত-লাবনি (চাক) ভাল চুৰি কৰি নি গগনা সাজিলে ভাল বুলি লোক প্ৰবাদ আছে। মিচিং ভাষাত লাবন বাৰীক পীঞ্ঞ বোলে।

বাহঁৰ সহায়ত বিভিন্ন শিল্পীয়ে বিভিন্ন সাঁজুলি তৈয়াৰ কৰি জীৱন নিৰ্বাহ কৰি আহিছে। তাঁত শালৰ বিভিন্ন সা-সজুলি বাহঁৰে আহিলা-ব-চুঙা, উঘা, চেৰেকি সকলো বাহঁৰ। পুৰণি অসমত চাকুলী ভাৰত (কান্ধত তুলি নিয়া এখন চাকুলী পাচিৰ ভাৰ) কইনা ঘৰলৈ যি জোৰণ পঠাইছিল। এই ভাৰৰ পাচি বাহঁৰেই নিৰ্মিত আছিল। এচাবি বা জাক, হোকোঙা মাৰি বা হুলা বাৰী, উখুনি সকলো বাহঁৰ।

বাহঁৰে যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, ধনুকাড় আদি তৈয়াৰ কৰা হৈছিল। অসমীয়াৰ বাহঁ-প্ৰীতিৰ অন্ত নাই। বাৰীৰ চিপ আদিত বাহঁ খেতি কৰে। বাহঁ খেতি অসমীয়া মানুহৰ অপৰিহাৰ্য খেতি আছিল। মাঘ বিহুৰ দিনা বাহঁৰ গুৰিত এচপৰা হলেও মাটি দিয়া নিয়ম গাৱত চলি আছে। ঘৰৰ কোন কালে বাহঁ কৰ লাগে তাৰ কথা ডাক বচনত আছে। যেনে— "উত্তৰে গুৱা, দক্ষিণে ধুৰা, পুবে বাহঁ, পশ্চিমে বাহঁ" অৰ্থাৎ ঘৰ সাজোতে ঘৰৰ উত্তৰ ফালে তামোল পান কৰ লাগে। দক্ষিণ ফালে উদং (ধুৱা) হব লাগে, পুৱত হাহঁ চৰা পুখুৰী আৰু পশ্চিম ফালত বাহঁ কৰ লাগে। গাঁৱৰ মানুহে কথাতে কয়, বছৰে লবা বাহঁৰ যতন, তেহে পাবা বছৰৰ ৰতন।

অষ্ট্ৰিক সকলেও বাহঁৰ ব্যৱহাৰ কৰিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই "অসমীয়া ভাষা আৰু সংস্কৃতি" পুথিত লিখিছে, অষ্ট্ৰিক সকলে বাহঁৰ ব্যৱহাৰ কৰিছিল। অসমীয়াত প্ৰচলিত বাহঁৰ লগত সম্বন্ধ থকা শব্দ সমূহে সেই কথা সূচায়। যেনে কঁটলা (বাহঁ কটলা) জপা, জেং, টোপা (পাচি), টোকোন, বাও (খৰাহি-পাচিৰ)।"

ফাকুৱাত ব্যৱাৰ কৰা চেৰ্কা আৰু মহ খেদা অনুষ্ঠানৰ টোকনো বাহঁৰ আছিল। ৰ'দে বৰষুণে কৃষক সকলৰ মূৰত বাহঁৰে সজা জাপিটো নহলে অসমীয়া কৃষকৰ সৌন্দৰ্যই আধৰুৱা হৈ ৰয়। ছৈদিয়া গৰুৰ গাড়ীতো বাহঁৰ ব্যৱহাৰ আছে। কাম্বোল পিতা অনু-ষ্ঠানতো বাহঁৰ ব্যৱহাৰ আছে। বাহঁ অসমীয়া সংস্কৃতিৰ বাহন।

চকি, মেজ ওলোৱাৰ লগে লগে বাহঁৰ ঢাৰিখনৰ মূল্য কমি গৈছে যদিও অসমৰ সংস্কৃতিক জীৱনত বাহঁৰ ঢাৰিখন এতিয়াও সজীৱ হৈ আছে। গুৰুজনক বহিবলৈ বা গুৰুৰ কামত ব্যৱহাৰৰ কাৰণে চক ঢৰা বনাই ভড়াল ঘৰত ওলোমাই থোৱা দেখা যায়। সেই ঢাৰি অনা কামত ব্যৱহাৰ কৰা দেখা নাযায়।



নিম্নবিত্তৰ লোকে এতিয়াও ৰবঘৰ, ভড়াল ঘৰ, গোসাঁই ঘৰ, মাৰল ঘৰ আদি বাহঁৰেই সাজি লয়। নৈৰ ওপৰত পকি দলং হলেও গ্ৰাম্য অঞ্চলত এতিয়াও কিছুমান নৈত বাহঁৰ সাঁকো দিয়া অৱস্থাতে আছে। ছৈ ঘৰ, ছৈ পাচি (চাকুলী-পাচি) প্ৰদৰ্শনীৰ বস্তু হৈ পৰিছে। চেৰি, গুৰি, বাহঁৰ বাহ, বাহঁৰ মাকো, চেৰেকী, উঘা আদিৰ নাম একশ্ৰেণীৰ মানুহে এতিয়া গমেই নাপায়। চাকালী পাচি হল ছৈ দি ঢাকি থব পৰা চুকীয়া খুৰা লগা পাচি।

বাহঁৰ বিচনীৰ আদৰ গাঁৱত এতিয়াও কমি যোৱা নাই। ৰহাগ বিহুত নামনি অসমত এতিয়াও গৰু বিহুৰ দিনা গধুলি গৰুক বিচনিৰ বা দি উঠি ঘৰৰ সৰু-বৰ সকলোকে বিচনিৰ বা দিয়ে। চ'ত মাহলৈকে বিচনিৰ বা যে লব নাপায় সেই কথা লোক সমাজে এতিয়াও মানি আহিছে।" আপোন মা মলয়াৰ বা ; সতীয়া (সতিনী) মা বিচনীৰ বা" এই পটন্তৰ গাঁৱত এতিয়াও প্ৰচলিত। গ'কৰ বিহুৰ দিনা সন্ধিয়া জাগনি বা থুপা দিওতে থুপাৰ অন্যান্য দ্ৰব্যৰ লগত বাহঁৰ গজালি দিয়াও নিয়ম।

অসমৰ বহু কেইটা জনজাতিৰ নৃত্যৰ লগত বাহঁ জড়িত। বাহঁৰ মাজত জপিয়াই তাল ৰাখি নৃত্য কৰা হয়। বাহঁক অসমৰ কোনো কোনো ঠাইত লিঙ্গৰ প্ৰতীক হিচাপেও লয়।

বাহঁ গছ যদি দিনত ফুলে বা মানুহে দেখাত ফুলে তেনেহলে অমঙ্গল হয় বুলি লোক

বিশ্বাস আছে। বাহঁ হেনো বাতিহে ফুলে আৰু বাতিয়েই মৰে। বাহঁৰ খঁৰি লাগনি খৰি হিচাপেও ব্যৱহাৰ কৰা হয়। ডাকৰ বচনত আছে, "বাহঁ চিট, চলিয়া কাটি।"

বাহঁক লৈয়ে চহা কবিয়ে অস্থায়ী জীৱনৰ গীত ৰচনা কৰিছে—

ঘৰৰ কাষৰে জাতি বাহঁ এজুপি
সিও মোৰ সোদৰৰ ভাই
জীয়াই থাকো মানে কৰো কাঠি কামি
মৰিলে লগতে যায়।

বাহঁৰ প্ৰজননৰ প্ৰতীক হিচাপেও ব্যৱহাৰ কৰে। কাৰণ, বাহঁ গছে অতি সোনকালে গাজ ওলাই বংশ বৃদ্ধি কৰে। অসমৰ ধাৰ্মিক সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক ক্ষেত্ৰত বাহঁ জড়িত হৈ আছিছে। বড়োসকলে বাহঁৰ চুঙাত লাওপানী তৈয়াৰ কৰে। গাখীৰ খিৰোৱা কৰিয়াটো বাহঁৰে আছিল।

অসমীয়া সাংস্কৃতিক জীৱনত যেতিয়ালৈকে তাঁতশাল থাকিব বান্ধনিঘৰ থাকিব, ঢেকিশাল থাকিব, মাছধৰা সঁজুলি থাকিব তেতিয়ালৈকে বাহঁৰ বাহু বো থাকিব। এইবোৰ বাদ দিলে যেনেকৈ অসমীয়া সংস্কৃতিৰ অংগক্ষত হয় ঠিক তেনেকৈ বাহঁক বাদ দিলেও অসমীয়া সংস্কৃতি সম্পূৰ্ণ নহয়। অসমীয়া সাংস্কৃতিক জীৱনত বাহঁৰ ব্যৱহাৰ অপৰিসীম। অসমৰ পৰ্বতে ভৈয়ামে বসবাস কৰা লোকৰ এক আপুৰুগীয়া সম্পদ হ'ল বাহঁ। ডেকা চাঙৰ কথা কোনে নাজানে। অসমৰ সাধুকথা সমূহত যেনে চিলনী জীয়েকৰ সাধুতো বাহঁৰ কথা উল্লেখ আছে। "বাহঁৰ আগলি লৰে কি চৰে, চিলনী আই মোৰ আগতে পৰে।" এইবোৰ কথাই প্ৰমাণ কৰে যে বাহঁ আমাৰ কিমান আপোন। বান্ধনি ঘৰৰ জুই ফুওৱা চুঙাটোৰ পৰা লাউ-কোমোৰাৰ চাং বা হেদালিখনলৈকে বাহেঁ আগুৰি আছিল।

দুখৰ বিষয় বাহঁ আমাক লাগে। কিন্তু বাহঁৰ সংৰক্ষণ গাঁৱত কমি গৈছে। দিনে নিশাই কাগজৰ কললৈ, পকাঘৰ সাজিবলৈ গাঁৱৰ পৰা নগৰলৈ বাহঁ আহিয়েই আছে কিন্তু বাহঁৰ সংৰক্ষণৰ কথা কেইজনে ভাবিছে মন কৰিব লগীয়া কথা।

—×–×—

××××××××××××××××:×:××××××××××××××××××

: কৌতুক :

শ্ৰীতৰ্পন লেখাৰু
উঃ মাঃ ১ম বৰ্ষ (কলা)

১ম মুৰ্খ— যাচোন বাহিৰত জোনটো ওলাইছেনে চাই আহ।
২য় মুৰ্খ — বাহিৰত বৰ এন্ধাৰ, জোনটো ওলাইছেনে নাই ধৰিবই নোৱাৰিলো।
১ম মুৰ্খ — হেৰ মুৰ্খ, লেমটো লৈ গৈ চাব লাগিব বুজি কব লাগিব নেকি?

××××××××××××××××:×:××××××=××××××××××

# পানী প্ৰদূষণ

প্ৰদীপ কুমাৰ কলিতা
প্ৰবক্তা—ৰসায়ন বিভাগ

পানী জীৱ জগতৰ বাবে এটা অপৰিহাৰ্য্য সামগ্ৰী। জীৱন ধাৰণৰ বাবে প্ৰতিটো পৰ্য্যায়তে পানীৰ আৱশ্যকতা সম্পৰ্কে কোৱাৰ প্ৰয়োজন নাই। কিন্তু এই পানী যেতিয়া দুষিত হয় তেতিয়া ই হৈ পৰে জীৱনৰ বাবে এটা অভিশাপ। উন্নয়নশীল দেশ সমূহত পানীৰ পৰা হোৱা ৰোগ তথা মহামাৰী কিমান ভয়াবহ তাক উল্লেখ নকৰিলেও হব। পানী প্ৰদূষিত হোৱাৰ প্ৰধান কাৰণ হৈছে পানীৰ সৈতে মিহলি হোৱা গাওঁ আৰু চহৰ অঞ্চলৰ পৰা আৰু উদ্যোগৰ পৰা বৰ্জিত পদাৰ্থ। পানী দুষিত হ'লে ইয়াৰ সোৱাদ বেয়া ধৰণৰ হব পাৰে বা হ্ৰদ, নদী, সাগৰ আদিৰ পানী দুৰ্গন্ধযুক্ত হব পাৰে। পানীত কিছুমান জলজ উদ্ভিদ গজিব পাৰে। নদী খাল বিল আদিত মাছৰ সংখ্যা কমি যোৱাটো পানী দুষিত হোৱাৰ লক্ষণ।

ঘৰ, অফিছ ব্যৱসায়ীক প্ৰতিস্থান আদিৰ পেলনীয়া পানীত মানুহ আৰু জীৱ জন্তু মল-মূত্ৰ বিভিন্ন খাদ্য অপমাজক আদি মিহলি হৈ থাকে। তাৰোপৰি বিভিন্ন ৰোগৰ বীজাণু অনুজীৱ আৰু অন্যান্য জৈৱিক প্ৰদূষকো এনে পানীত মিহলি হৈ থাকে। গধুৰ ধাতুৰ প্ৰানম্বিত পদৰ্থ আদিও পেলনীয়া পানীত মিহলি হৈ থাকে।

উদ্যোগৰ বৰ্জিত পদাৰ্থত জৈৱিক আৰু অজৈৱিক দুয়োপ্ৰকাৰৰ পদাৰ্থ মিহলি হৈ থাকে। এই পদাৰ্থ সমূহ উদ্যোগে অপঘটিত কৰি অপকাৰী পদাৰ্থলৈ পৰিবৰ্তিত কৰিব লাগে যদিও উদ্যোগে সেইটো নকৰে ফলত এই পদাৰ্থবোৰে পানী প্ৰদুষিত কৰে। উদ্যোগৰ বৰ্জিত পদাৰ্থত থকা আৰ্ছেনিক, সীহ আৰু চায়েনাইড আদিয়ে মস্তিস্কৰ সৈতে জৰিত স্নায়ুতন্ত্ৰৰ ৰোগৰ সৃষ্টি কৰে। ভাৰতৰ প্ৰায়বোৰ বৃহৎ বৃহৎ উদ্যোগ নদীৰ পাৰত অৱস্থিত। উদ্যোগৰ পেলনীয়া সামগ্ৰী এই নদীয়ে বহন কৰে। অকল গংগা নদীৰ পাৰত প্ৰায়ে 315 উদোগিক অঞ্চল আছে। উত্তৰ ভাৰতৰ প্ৰায় 300 নিযুত মানুহৰ ভগ্নস্বাস্থ্যৰ কাৰণ এই গংগা নদী হৈ পৰিছে।

আমি ব্যৱহাৰ কৰা কীটনাশকবোৰো পানী প্ৰদুষণৰ বাবে যথেষ্ট দায়ী। উন্নত দেশ যেনে আমেৰিকা যুক্তৰাষ্ট্ৰত বহুত কীটনাশক নিষিদ্ধ কৰা হৈছে। কিছুমান কীটনাশকৰ ব্যৱহাৰ তলত দিয়া হ'ল।

1) এলড্ৰিন ডাইএলড্ৰিন : তামেলপান কপাহত হোৱা কীটণু নিয়ন্ত্ৰণ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। বৰ্তমান U.S.A.ত নিষিদ্ধ কৰা হৈছে।

2) ক্লৰডেন : উঁই পোক মাৰাৰ বাবে

ব্যৱহাৰ কৰা হয়। ই কেন্সাৰ সৃষ্টি কৰিব পাৰে বাবে 1975 চনতে U S Aত নিষিদ্ধ কৰিছে।

E) লিণ্ডেন : কপাহ ধান গছৰ কাণ্ড অংশ নষ্ট কৰা পোক মাৰিবলৈ ব্যৱহাৰ কৰা হয়।

4) DDT : বিভিন্ন শস্যৰ পোক আৰু মহ নিবাৰণ কৰিবলৈ ব্যৱহাৰ কৰা হয়। কিন্তু ইয়াৰ অপঘটন নহয় বাবে খাদ্যৰ জৰিয়তে প্ৰাণী দেহত জমা হৈ অনিষ্ট সাধন কৰে। বৰ্তমান U.S.A.ত নিষিদ্ধ কৰা হৈছে।

5) টক্সা'ফন : খেতিৰ শস্য আৰু চপোৱা শস্যৰ পোক নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱহাৰ কৰা হয়। U.S.A.ত বহুল ভাবে ব্যৱহাৰ কৰে যদিও ইয়াৰ কেন্সাৰ সৃষ্টি কৰা গুণৰ বাবে ইয়াক নিষিদ্ধ কৰাৰ কথা চিন্তা কৰা হৈছে।

6) হেপাক্লৰ : মাটিত থকা কীটাণু নাশ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। কেন্সাৰ সৃষ্টি কৰা ক্ষমতা থকা বাবে ইয়াৰ ব্যৱহাৰ বন্ধ কৰা হৈছে।

7) এনড্ৰিন : এই কীট নাশক ব্যৱহাৰৰ সময়ত চৰ্মৰ স্পৰ্শ হব নালাগে।

8) মিথক্সিক্ল'ৰ : এই কীট নাশক DDTৰ পৰিবৰ্তে ব্যৱহাৰ কৰা হয়। ইয়াৰ জৈৱ অপঘটন হয় আৰু স্তন্যপায়ী প্ৰাণী দেহত প্ৰতিক্ৰিয়া কম হয়।

9) মালথিয়ান : ফলমূল শাক পাচলিৰ কীটাণু নিয়ন্ত্ৰণ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। প্ৰাণীদেহৰ বাবে কম বিষাক্ত।

10) পাৰাথিয়ান্স : ম'হ আৰু ফলমূল শাক পাচলি আদিৰ কীট নিয়ন্ত্ৰণ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়।

11) মিথাইল পাৰাথিয়ান : আমেৰিকাত এই কীটনাশকৰ উৎপাদন বন্ধ কৰা হৈছে।

আমি ব্যৱহাৰ কৰা অপমাজ'কবোৰেও পানী দুষিত কৰিব পাৰে। বিল পুখুৰী আদিৰ দৰে বদ্ধ পানীত আমি ব্যৱহাৰ কৰা অপমাজ'কবোৰ মিহলি হলে পানীৰ পৃষ্ঠ শক্তি হ্ৰাস হয়। ফলত পানীত অদ্ৰ'ব্য পদাৰ্থবোৰে পানীৰ সৈতে এটা অদ্ৰৱৰ সৃষ্টি কৰি পানী ঘোলা কৰে। সেই বাবে বদ্ধ পানীত অপমাজ'ক চাবোন আদি পেলাব নালাগে।

সমুদ্ৰবোৰ হৈছে পৃথিৱীৰ সকলো আবৰ্জনাৰ অন্তিম স্থল। উদ্যোগ, গাওঁ, নগৰ পাম আদি সকলোৰে আৱৰ্জনাবোৰ শেষত সাগৰত জমা হয়। প্ৰতি বছৰে প্ৰায় 20 বিলিয়ন টন কঠিন পেলনীয়া দ্ৰব্য উদ্যোগৰ পৰা সাগৰলৈ যায়। লগতে 300 মিলিয়ন টন বিষাক্ত দ্ৰব্য সাগৰলৈ যায়।

কেইবছৰমান আগেয়ে যুক্তৰাষ্ট্ৰৰ নৰফক (Norfolk)ৰ উপকুলীয় অঞ্চলত উত্তৰ সাগৰত শ শ চিলমাছৰ মৃত্যুৰ কাৰণ আছিল সমুদ্ৰত পেলাই দিয়া বিষাক্ত দ্ৰব্য।

উদ্যোগত উৎপাদিত খনিজ তেল সমূহ ঘটনা বা দুৰ্ঘটনা ক্ৰমে, যেনে তেল পৰিবহনকাৰী জাহাজৰ বিস্ফোৰণৰ বাবে সাগৰৰ পানীত মিহলি হৈ পানী দূষিত কৰে। ১৯৬৭ চনত ইংলেণ্ডৰ ওচৰত অইল টেংকাৰ টৰি কেনিয়ন (Torry canyon)ৰ দুৰ্ঘটনাত প্ৰায় ১০০০,০০ টন খাৰুৱা তেল সাগৰত মিহলি হয়। ১৯৭৭ চনত ব্ৰিটেনী উপকুলত এমক কেডিজ তেল টেংমাৰ (Amco Cadiz oil tanker)ৰ ২২৩০০০ টন তেল সমুদ্ৰত মিহলি হৈ যায়। ১৯৮৯ চনতো আলাস্কা উপকূলত এটা তেল দুৰ্ঘটনা হয় য'ত বণ্য আৰু মেৰুদণ্ডী প্ৰাণীৰ জীৱন ধাৰণৰ পৰিস্থিতি বিষময় হৈ উঠিছিল। সমুদ্ৰত ঘটা আন বহুত তেল দুৰ্ঘটনাই সমুদ্ৰৰ পানী প্ৰদুষিত কৰি তুলিছিল।

অজৈৱ প্ৰদুষকবোৰ হৈছে অজৈৱ লৱন, খনিজ এছিড, ধাতুৰ সূক্ষ্ম কণা বা ধাতৱ যৌগ প্ৰাকৃতিক পানীৰ সৈতে হোৱা ধাতৱ জটিল যৌগ আৰু জৈৱ ধাতৱ যৌগ। অপমাজ'কত থকা পলি ফছফেট সমূহে পানী প্ৰদূষণত যথেষ্ট ভূমিকা লয়। এই পলি ফছফেটবোৰে পানীত খেলুৱৈৰ গঁজাত সহায় কৰে। কয়লাৰ খনিত থকা ফেৰাছ ছালফাইড পানী আৰু বায়ুৰ সংস্পৰ্শত জাৰণ ঘটি ছালফিউৰিক এছিডৰ সৃষ্টি হয়। এই এছিডযুক্ত পানী দুষিত হয়। কিছুমান বিষাক্ত গধুৰ ধাতু যেনে সীহ, মৰ্কাৰী (পাৰা) তাম, কেডমিয়াম আদি বিভিন্ন উদ্যোগ, খনি ঘৰুৱা আৱৰ্জনা যনবাহন আদিৰ জৰিয়তে সদায় পানীৰ জৰিয়তে প্ৰাণী দেহত জমা হব ধৰে। ফলস্বৰূপে বিভিন্ন বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। নগৰৰ এজন মানুহে প্ৰতিদিনে



খাদ্যৰ জৰিয়তে ২০০–৩০০ মাইক্ৰ গ্ৰাম লেড খাদ্যৰ জৰিয়তে আৰু ১০–১৫ মাইক্ৰ গ্ৰাম পানীৰ জৰিয়তে গ্ৰহণ কৰে। ইয়াৰে ২০০ মাক্ৰ গ্ৰাম বৰ্জিত পদাৰ্থ হিচাপে নিৰ্গত হয়। কিন্তু প্ৰায় ২৫ মাইক্ৰ গ্ৰাম হাড়ত জমা হব ধৰে। লেডে ৰক্তহীনতা, বৃক্কৰ অসুখ আৰু স্নায়ুৰ ৰোগৰ সৃষ্টি কৰে। খনিজ নিষ্কাশন আৰু কীট নাশকৰ পৰা উৎপন্ন আৰ্ছেনিক যৌগ জীৱ দেহৰ বাবে অতি বিষাক্ত যৌগ। পানীৰ নলাত ব্যৱহাৰ কৰা কেডমিয়াম মানৱ দেহত জমা হলে ই উচ্চ ৰক্তচাপ, কিডনী নষ্ট কৰাৰ উপৰিও ৰক্ত কণিকা ধ্বংশ কৰে।

উষ্ণতাৰ বাবেও পানী প্ৰদূষণ হব পাৰে। যেতিয়া বিভিন্ন প্ৰক্ৰিয়াৰ বাবে পানীৰ উষ্ণতা বৃদ্ধি পায় তেতিয়া পানীত দ্ৰৱীভূত অক্সিজেনৰ পৰিমাণ কমি গৈ পানী প্ৰদূষিত হব পাৰে। বিভিন্ন উদ্যোগৰ পৰা উত্তপ্ত বৰ্জিত পদাৰ্থ পানীত পেলাই দিয়াৰ বাবে পানীৰ সাধাৰণ উষ্ণতা বৃদ্ধি পাব পাৰে। ফলত পানী প্ৰদূষিত হৈ জলচৰ প্ৰাণীৰ বেছি অনিষ্ট সাধন ক'ৰ।

## পানী প্ৰদূষণ নিয়ন্ত্ৰণ

পাৰিপাৰ্শ্বিকতাত সাম্যতা ৰক্ষা কৰি পানী প্ৰদূষণ নিয়ন্ত্ৰণ কৰাটো আটাইকৈ বেছি বিজ্ঞান সন্মত পথ। ইয়াৰ বাবে পানীৰ লগত মিহলি হোৱা বা হব পৰা পেলনীয়া সামগ্ৰীবোৰ উৎসতে হ্ৰাস কৰিব লাগে। পিছত এইবোৰ যেতিয়া নলা-নৰ্দমা আদিৰ মাজেৰে

বৈ আছে তেতিয়া পানীত থকা কণা সমূহ আঁতৰাব লাগে। জৈৱ যৌগ সমূহ বিযোজিত কৰিব লাগে। উপযুক্ত ৰাসায়নিক দ্ৰব্যৰ দ্বাৰা জীৱাণু বা অন্যান্য অনিষ্টকাৰী পদাৰ্থবোৰ নাইকীয়া কৰিব লাগে। অৱশেষত মৰ্দমাৰ পানী নিৰ্জীৱ কৰা প্ৰক্ৰিয়া যথেষ্ট ব্যয় বহুল। আমাৰ দেশত নাগপুৰস্থিত NEERI য়ে পানী প্ৰদূষণ ৰোধ কৰাৰ বাবে কাৰ্যকৰী পদ্ধতি কিছুমান আগবঢ়াইছে। NEERI ৰ সম্পূৰ্ণ নাম হৈছে The National Environmental Engineering Research Institute.

যথেষ্ট সূৰ্য্যৰ পোহৰ পৰা আৰু উষ্ম জলবায়ুৰ অঞ্চলত পেলনীয়া সামগ্ৰীবোৰ বিশেষ ধৰণৰ পুখুৰীত ৰখা হয়। তাত সূৰ্য্যৰ পোহৰ আৰু জৈৱ পোষক দ্ৰব্যৰ দ্বাৰা পেলনীয়া সামগ্ৰীবোৰৰ অপঘটন কৰি তাৰ অনিষ্টকাৰী গুণ নোহোৱা কৰা হয়। পিছত এইবোৰ খেতি পথাৰৰ কামত ব্যৱহাৰ কৰিব পাৰি।

নতুন দিল্লীস্থিত বৈজ্ঞানিক আৰু গৱেষণা পৰিষদে পানীত থকা প্ৰদূষকবোৰ আঁতৰোৱাৰ বাবে বহুত উপায় উলিয়াইছে

পানী প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে water (prevetion and control of pollution) Act, 1974 প্ৰণয়ন কৰা হৈছে। প্ৰায়বোৰ ৰাজ্যত এই আইনৰ প্ৰয়োগ হৈ পানী প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ড গঠন কৰা হৈছে। এই বৰ্ডৰ মুখ্য উদ্দেশ্য হৈছে—

ক) ঘৰুৱা আৰু বাণিজ্যিক পেলনীয়া সামগ্ৰী কৃষিৰ বাবে উপযোগী কৰি তোলা।

খ) মাটিত পৰি থকা পেলনীয়া সামগ্ৰীৰ উপযুক্ত অপঘটন কৰা।

গ) মাটিত পৰি থকা ঘৰুৱা আৰু উদ্যোগিক পেলনীয়া সামগ্ৰী মাটি, জলবায়ু আৰু জলজ সম্পদৰ ক্ৰিয়া কৰা। এই আইন পুনৰ ১৯৮৮ চনত সংশোধন কৰা হয়।

× × ×

: কৌতুক :

শ্ৰীৰুণুমী ভৰালী
স্নাতক ১ম বৰ্ষ (কলা)

………দৌৰি দৌৰি আহি মাধৱে দেউতাকক কলে—
— দেউতা আপুনি চুলি কাটিবলৈ দিয়া টকা কেইটা বাহি হ'ল।
দেউতাক— কেনেকৈ?
— চাৰিআলিত থকা ল'ৰ'জাকে মোৰ চুলিখিনি খুৰাই দিলে।

— — —

আলোচনী সম্পাদক— তুমি এই কবিতাটো নিজে লিখিছানে?
ছাত্ৰ— হয়। প্ৰতিটো শব্দই মই নিজে লিখিছো।
— তেনেহলে, নমস্কাৰ 'কবি ৰঘুনাথ চৌধাৰী'। মই আকৌ আপোনাৰ কেতিয়াবাই মৃত্যু হোৱা বুলি ভাবিছিলো।

# ঃঃ পুৰণি পুথিত অসমৰ সাজপাৰ আৰু অলংকাৰ ঃঃ

শ্ৰীমনীষা বড়া
স্নাতক তৃতীয় বৰ্ষ (কলা)

ভাৰতৰ অন্যান্য অঞ্চলৰ লোকৰ লগত অসমীয়া মানুহৰ সাজপাৰ আৰু অলংকাৰৰ কিছু পাৰ্থক্য দেখা যায়। অসমৰ জনসাধাৰণৰ মাজত সাজপাৰৰ কোনো উগ্ৰতা নাই। চৰিওফালে পাহাৰ, পৰ্বত, গছ-গছনিৰে ভৰা সেউজীয়া পৰিবেশৰ মাজত থকা অসমীয়া মানুহে বগা ৰঙকেই বেছি ভাল পায়। আমাৰ অসমীয়া সমাজৰ নাৰী পুৰুষৰ মাই সাজ হ'ল মেখেলা চাদৰ আৰু ধুতি-চোলা। এই সাজবো একে দিনে প্ৰচলন হোৱা নাই। ইয়াৰ ইতিহাস বহু পুৰণি। আৰ্য আৰু অনাৰ্যৰ সংমিশ্ৰণত এই সাজ গঢ় লৈ উঠিছে।

এই প্ৰাচীন কথাবোৰ জানিবলৈ হলে আমি আশ্ৰয় লব লাগিব বিভিন্ন লিপি আৰু ভাস্কৰ্য্য সমূহৰ ওচৰত। 'কালিকা পুৰাণ' আৰু 'যোগিনী তন্ত্ৰ'ত পুৰণি কামৰূপৰ বিচিত্ৰতাৰ বিষয়ে পোৱা যায়। এই বোৰৰ ওপৰত ভিত্তি কৰি 'কালিক পুৰাণে'[১] পুৰণি সাজপাৰবোৰক চাৰিটা ভাগত ভাগ কৰিছে। সেই কেইটা হ'ল—১) কৰ্পাস, অৰ্থাৎ কপাহ জাতীয় সামগ্ৰীৰ পৰা তৈয়াৰ কৰা, ২) কম্বল বা উমলগা সাজ, ৩) বল্ক বা আঁহজাতীয় দ্ৰব্যৰ পৰা প্ৰস্তুত কৰা, আৰু ৪) কোষজ, ইয়াক পলু পুহি তাৰ লেটাৰ পৰা ওলোৱা সুতাৰ পাট, মুগা আৰু এড়ি কাপোৰ বোৱা হৈছিল। বল্ক জাতীয় দ্ৰব্যৰ পৰা প্ৰস্তুত কৰা ক্ষৌম বস্ত্ৰ আছিল উত্তম বিধৰ আৰু ইয়াৰ শ্ৰেষ্ঠতাৰ বিষয়ে মহাভাৰতত্তো পোৱা যায়।

পুৰণি অসমৰ সাজ-পাৰ কেনে আছিল তাৰ বিষয়ে পোৱা যায় পুৰণি ভাস্কৰ্যসমূহত। কালিকা পুৰাণত বস্ত্ৰ আৰু অ'চ্ছ'দনে সাজ-পাৰক বুজাইছে পুৰুষ মূৰ্তিৰ ভাস্কৰ্যত দেখা যায় যে ককালত এটুকুৰা কাপোৰ মেৰিয়াই থোৱা থাকে ইয়াক পৰিবেশ' বোলে। যিবোৰ সম্ভ্ৰান্ত শ্ৰেণীৰ তেওঁলোকৰ শৰীৰৰ ওপৰ অংশ উত্তৰীয়ৰ দ্বাৰা আবৃত কৰিছিল। সেইদৰে নাৰী মূৰ্তিসমূহৰ শৰীৰৰ ওপৰ আৰু ককালৰ তলৰ ছাৱা দুয়ো অংশ আবৰি আচ্ছাদন ব্যৱহাৰ কৰা দেখা যায়।

'বৃন্দাবনী বস্ত্ৰ'ত[২] মধ্যযুগীয় অসমৰ বোৱা কটা শিল্পৰ সুন্দৰ উদাহৰণ পোৱা যায়। কৃষ্ণই বৃন্দাবনত কৰা লীলা সমূহ এই বস্ত্ৰত চিত্ৰিত কৰি ব্যাখ্যাৰ বাবে আথৰো পৰিস্ফুত কৰি থোৱা হৈছিল। বোৱা কটাৰ কামটো অসমীয়া তিৰোতাৰ দৈনন্দিন কামহিচাপে পৰিগণিত হৈছিল। এই তিৰোতা সকলেই

পৰিয়ালৰ সকলোৰে সাজ-পাৰ বই দিছিল।

আগে যুগত মৰ্য্যাদা অনুসৰি সাজ-পাৰ পিন্ধাৰ নিয়ম আছিল। সম্ভ্ৰান্ত আৰু সাধাৰণ মানুহৰ মাজত পাৰ্থক্য সাজ-পাৰৰ পৰাই কব পৰা গৈছিল। এই সম্ভ্ৰান্ত লোকৰ দেহ শুৱাইছিল সিং-খাপৰ সাজে। তিৰোতা মানুহে মেখেলা, ৰিহা আৰু চেলেং পৰিধান কৰিছিল। পুৰুষে চুৰিয়া, চোলা আৰু কেতিয়াবা গাত চেলেং, মূৰত পাগুৰি, কঁকালত টঙালি আৰু হাঁচতি লৈছিল। ৰিহা, চেলেং, ৰৰকাপোৰ আদিত আঁচু দি, দহি বাচি, ৰবৈ লগাই বুটা তুলি, গুণাৰ ফুল তুলি, কাচিপৰ বন কৰি নাইবা গুণা-সুতাৰে বিচিত্ৰ ফুল তুলি পাট মুগা-সিংখাপৰ মেখেলা প্ৰস্তুত কৰা হৈছিল। আহোম ৰমণীয়ে প্ৰথমতে মূৰত ওৰণিৰ পৰিবৰ্ত্তে এখন কাপোৰ পাগুৰিৰ দৰে মেৰিয়াই লৈছিল। এই পাগুৰিৰ ভিতৰত আছিল— টুকা পাগ, চিকণ পাগ, মথুৰা পাগ ফচৌ আদি।

অসমীয়া নাৰীয়ে বিভিন্ন অলংকাৰেৰে শৰীৰ সজায়। পুৰণি ভাস্কৰ্য্যবোৰত নাৰী আৰু পুৰুষ উভয়েৰে শৰীৰত অলংকাৰ দেখা যায়। শিৰৰ পৰা চৰণলৈকে শৰীৰৰ বিভিন্ন অংগত আছিল— শিৰত কীৰিটি, শিৰোৰত্ন, কপালত ললাটিকা। কাণত কুণ্ডল, ডিঙিত হাৰ, বাহুত অংগদ, হাতত কংকন, কঁকালত চন্দ্ৰহাৰ ভৰিত পাদঅংগদ আৰু নেপুৰ পৰিধান কৰা হৈছিল। এই অলংকাৰবোৰৰ নাম 'কালিকা-পুৰাণ'ত° পোৱা যায়। আহোম ৰজাসকলৰ দিনত অলংকাৰৰ বৈচিত্ৰ বৃদ্ধি হয়। অসমীয়া তিৰোতাসকলৰ ডিঙি শুৱাইছিল জোনবিৰি, ঢোলবিৰি, লিলিখাবিৰি, ভুগডুগি, গেজেৰা, গলপতা, সাতসৰী আদি ভূষণে আৰু আঙুলি শুৱাইছিল— জেঠীনেজীয়া পত্নমকলি, মাছ-বাকলীয়া আদি আঙঠিবোৰে। পুৰুষে পিন্ধা লোকাপাৰ কাণৰ অলংকাৰৰ ভিতৰত সৌন্দৰ্য্যত অনুপম। অসমীয়া নাৰীয়ে খোপাত সোণ-ৰূপৰ ফুল আৰু বিবিধ গোন্ধযুক্ত ফুল বা ফুলৰ মালা ব্যৱহাৰ কৰাৰ কথা পুথিসমূহত আছে। যুতি-মালতী, কপৌ, তগৰ, বকুল, আদি ফুলে খোপা শুৱনি কৰিছিল আৰু ফুলৰ বেণুয়ে মুখৰ মসৃণতা বঢ়াইছিল। অনায়াসে পাব পৰা অথচ মূল্যবান অলংকাৰতকৈও শোভাবৰ্দ্ধন কৰা ফুলৰ মালা, ফুলৰ খোপাই অসমীয়া মানুহক বিশেষকৈ উৎসৱৰ দিনত সদায়েই আকৰ্ষণ কৰি আহিছে।

×✱×✱×✱×★×★×★×★×✱×★×★×★×✱×



## ॥ সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা দেৱৰ সোঁৱৰণ ॥

শ্ৰীকুসুমণি কলিতা
দ্বিতীয় বৰ্ষ স্নাতক মহলা

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যৰ পণ্ডিত, কবি, সমালোচক, বুৰঞ্জীবিদ, শিক্ষাবিদ সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাৰ জন্ম হয় ১৯০৬ চনৰ আঘোন শুক্ল পক্ষত যোৰহাট জিলাৰ তিতাবৰ অঞ্চলৰ হামদৈ বগাৰ গাৱঁত।

'অধ্যাপকৰ ঘৰ' নামেৰে চিনাকী প্ৰয়াত লক্ষ্মীনাথ শৰ্মাৰ দ্বিতীয় পুত্ৰ যজ্ঞেশ্বৰ শৰ্মাই শৈশৱৰ পৰা অতি দুখ কষ্টৰে জীৱন অতিবাহিত কৰিছিল। নিজ গাওঁৰ হামদৈ বগাৰ গাৱঁত জেঠলোকৰ প্ৰাইমেৰী স্কুল নথকাত সকতে ওচৰৰ নামঘৰ বা ঘৰ আঁহতৰ তলত পঢ়িব লগা হৈছিল। পিছত অৱশ্যে পিতৃ স্বৰ্গীয় লক্ষ্মীনাথ শৰ্মাৰ আলমত গঢ়ি উঠা ১১৫ নম্বৰ বগাৰ গাওঁ প্ৰাথমিক বিদ্যালয়ত আনুষ্ঠানিক শিক্ষা লাভ কৰি যজ্ঞেশ্বৰ শৰ্মাই তিনিটকীয়া বৃত্তি লাভ কৰে। প্ৰাথমিক পৰীক্ষাত বৃত্তি লাভ কৰাৰ পিছত যজ্ঞেশ্বৰ শৰ্মাই ঘৰৰ পৰা ছাৰিমাইল দূৰত থকা একমাত্ৰ মাধ্যমিক বিদ্যালয় তিতাবৰ মধ্য ইংৰাজী বিদ্যালয়খনত ইংৰাজী শিক্ষা গ্ৰহণ কৰে আৰু ১৯১৯ চনত মধ্য ইংৰাজী বৃত্তি পৰীক্ষাত শিৱসাগৰ জিলাৰ মুঠ ৮৭ জন ছাত্ৰৰ ভিতৰত প্ৰথম হয়।

১৯২৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষা দি যজ্ঞেশ্বৰ শৰ্মাই অসমীয়া, সংস্কৃত, অতিৰিক্ত সংস্কৃত আৰু অংক বিষয়ত 'লেটাৰ' নম্বৰলৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। ১৯২৫ চনত কটন কলেজৰ পৰা অসমীয়া আৰু সংস্কৃতত 'লেটাৰ' নম্বৰ পোৱাৰ উপৰিও কলা বিষয়ৰ পৰীক্ষাৰ্থীসকলৰ ভিতৰত অসমৰ প্ৰথম স্থান লাভ কৰি আই, এ পৰীক্ষাত উত্তীৰ্ণ হয়।

আনহাতে তেওঁ ১৯২৭ চনত ইংৰাজীত অনাৰ্চসহ দ্বিতীয় শ্ৰেণীৰ একাদশ স্থান লৈ কটন কলেজৰ পৰা বি, এ পাছ কৰে। ১৯২৯ চনত যজ্ঞেশ্বৰ শৰ্মাই ইংৰাজী বিষয়ত দ্বিতীয় শ্ৰেণীৰ তৃতীয় স্থানলৈ কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা এম, এ ডিগ্ৰী লাভ কৰে। শৰ্মাদেৱে যোৰহাট চৰকাৰী হাইস্কুলত মাহে পইসত্তৰ টকা দৰমহাত অস্থায়ী ভাৱে তিনি মাহ শিক্ষকতা কৰিছিল যদিও ১৯৩০ চনত অসমৰ প্ৰথম বে চৰকাৰী কলেজ 'আপাৰ আছাম' কলেজত অধ্যাপক হিচাপে কৰ্মজীৱনৰ পাতনি মেলে। যোৰহাটত চাকৰি কৰি থকা অৱস্থাতে যজ্ঞেশ্বৰ শৰ্মাদেৱে তিনি বছৰ ধৰি শ্ৰীহট্টৰ মুৰাৰিচান্দ কলেজ আৰু

পাছত কটন কলেজত চৈধ্যমাহ অধ্যাপনা কৰিছিল। ১৯৩৩ চনত তেওঁ নগাঁৱৰ আনন্দ ৰাম ভট্টাচাৰ্য্য আৰু সত্যপ্ৰিয়া দেৱীৰ কন্যা শ্ৰীব্ৰজবালা দেৱীৰ লগত বিবাহ পাশত আবদ্ধ হয়। আনফালে তেখেতে ১৯৪৪ চনৰ আগষ্ট মাহত অসমৰ তৃতীয়খন বেচৰকাৰী কলেজ নগাঁওত প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগদান কৰে আৰু নগাঁৱতে স্থায়ীভাবে থাকিবলৈ লয়। ১৯৬৮ চনত নগাওঁ কলেজৰ পৰাই অধ্যক্ষ পদৰ পৰা অৱসৰ লয়।

সাহিত্যাচাৰ্য শৰ্মাদেৱে নানান দিশৰ পৰা চৰকাৰী চাকৰী আৰু উপযুক্ত পদত উচ্চস্থান পায়ো অধিকাৰ নকৰি তেখেতে বেচৰকাৰী কলেজত শিক্ষাদান কৰিয়েই কৰ্ম জীৱন অতি-বাহিত কৰিছিল। আনকাতে তেখেতে নিজকে শিক্ষক হিচাপে পৰিচয় দিবলৈহে অধিক ভাল পায় বুলি জীৱিত অৱস্থাত ব্যক্ত কৰে।

তেওঁ অসমীয়া সাহিত্যৰ এগৰাকী সুপ্ৰতি-ষ্ঠিত সাহিত্যিক কবি আৰু সমালোচক। ১৯১৯ চনত শৰ্মাই যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি থকা অৱস্থাতে তেওঁৰ জীৱনৰ সৰ্বপ্ৰথম লেখনী 'চুপহী' নামৰ স্কুলৰ আলোচনীখনত প্ৰকাশ পায়। ফুল আৰু জুই, শতপত্ৰ, লেফাফা সাহিত্য সংস্কৃতিৰ প্ৰবাহ, গুলজাৰৰ সাধু, উপনিষদৰ শ্লোকৰ অনুবাদ, লক্ষ্মীনাথ বেজ-বৰুৱাৰ গাঁৰলীয়া জীৱন, আজি দুপৰীয়া, দেৱতা আৰু মানুহ আদি তেওঁৰ মূল্যবান গ্ৰন্থ সমূহে অসমীয়া সাহিত্যৰ ভঁৰাললৈ এক উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। অসম সাহিত্য সভাৰ টিহু অধিবেশনৰ সভাপতি গৰাকীক ১৯৮৯ চনত অসম সাহিত্য সভাই সাহিত্যাচাৰ্য উপাধিৰে বিভূষিত কৰে। সাহিত্য সভাৰ উপৰিও প্ৰয়াত সাহিত্যাচাৰ্য গৰাকীক ডিব্ৰু-গড় বিশ্ববিদ্যালয়ে 'ডি লিট' উপাধিও দান কৰে।

সাহিত্যচাৰ্য গৰাকীৰ কিছুমান এনে বিশে-ষত্ব আছিল যে বহু দিন ধৰি অসুখত ভুগি থাকিলেও তেখেতে তিৰানৈৰে বছৰ বয়সলৈকে অৰ্থাৎ কাণেৰে নুশুনা, চকুৰে নেদেখা, আনকি লিখিবলৈ হয়তো দেখেতৰ আঙুলিত শক্তি হেৰাই গৈছে তথাপিও আনৰ হতুৱাই অসাধৰণ স্মৃতি আৰু ধী শক্তিৰ বলত মৃত্যুৰ আগমুহূৰ্ত্তলৈ সাহিত্য সৃষ্টি কৰিয়েই গ'ল। শৰ্মাদেৱে মৃত্যুৰ আঠদিন পূৰ্বে যোৱা ৫ নবেম্বৰত শ্ৰুত লিপি দি লিখোৱা "মোৰ চিন্তা আৰু বিশ্বাস" নামৰ এটা প্ৰবন্ধ ( লগতে এটা কবিতা ) "দৈনিক অসম" কাকতখনত ১১ নবেম্বৰত প্ৰকাশ পায়। সম্ভৱতঃ তেওঁৰ এয়া শেষ লিখনি। এই লিখনিত তেওঁ তেওঁৰ ধৰ্ম আৰু বিশ্বাসৰ বিষয়ে কৈছিল।

ক'লেও অত্ত নোহোৱা এই মহান সাহিত্যাচাৰ্য্য গৰাকীৰ মৃত্যু আমাৰ মাজত পূৰাব নোৱাৰা ক্ষতি। আনন্দৰাম বৰুৱাৰ ভাষা সংস্কৃতি সংস্থাই ১৯ নবেম্বৰত তেওঁৰ ৯৪তম জন্ম দিৱস উপলক্ষে "যজ্ঞেশ্বৰ শৰ্মাৰ প্ৰবন্ধ চয়ন" নামৰ প্ৰবন্ধ সংকলনটি উন্মোচন কৰাৰ কথা আছিল যদিও মাত্ৰ ছয়টা দিন থাকোতেই 'মহান' ব্যক্তি গৰাকীয়ে ১৩ নবেম্বৰত (১৯৯৮) দুপৰীয়া ১২-৪৫ বজাত নগাওঁ আমোলা-পট্টিৰ নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে।

★★★

# O স্খলিত যুৱ সমাজ O

শ্ৰীৰণিতা বড়ো
স্নাতক প্ৰথম বৰ্ষ ( কলা )
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা

বৰ্তমান যুৱ সমাজৰ ধাস্তৱ ক্ষেত্ৰত যথেষ্ট চিন্তা-চৰ্চা কৰাৰ সময় আহি পৰিছে। কিয়নো সময়ৰ লগে লগে যুৱ সমাজত এক উচ্ছৃংখলতাই বিৰাজ কৰিবলৈ আৰম্ভ কৰিছে। এই পৰিস্থিতিয়ে অতি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। উগ্ৰৱাদ অস্ত্ৰ আদি ধ্বংসাত্মক পথৰ বস্তুবোৰৰ প্ৰতিহে তেওঁলোকৰ আকৰ্ষণ বাঢ়ি গৈছে। সৃজনমূলক কামৰ প্ৰতি তেওঁলোকৰ প্ৰত্যেকৰে মনত অনীহা যুৱতী, বোৱাৰী কোনো মুক্তমনে ফুৰিব নোৱাৰা হৈছে। অশ্লীল ছবি, নিচাযুক্ত দ্ৰব্য আদিৰ প্ৰতি তীব্ৰ আকৰ্ষণ বাঢ়িছে। উক্ত বিষয়ৰ প্ৰতি অনাসক্ত যুৱকসকলে নিজকে ৰব অকলশৰীয়া অনুভৱ কৰিব লগা অৱস্থা হৈছে। সিহঁত যেন কেৱল স্খলনৰ পথত আগুৱাই গৈছে। সচেতন সকলৰ চিন্তা হৈছে যে বৰ্তমান যুৱ মান-সিকতাৰ ওপৰত যথেষ্ট চৰ্চা হোৱাৰ উপৰিও যুৱবিকাশত বিভিন্ন স্বেচ্ছাসেৱী অনুস্থান বা চৰকাৰৰ ফালৰ পৰা বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যদিও দিনে দিনে বাঢ়ি যোৱা অধঃপতনৰ মূলতে বা স্খলিত হোৱা কাৰণ কি হ'ব পাৰে ?

বহুতো সামাজিক কাৰণতো উঠি অহা আজিৰ যুৱসমাজ অবাটে পৰিচালিত হব পাৰে। প্ৰথমতেই যুৱসকলে সমাজৰ প্ৰভাৱৰ লগত জড়িত হৈ থাকে বাবে তাত পৰিয়ালৰ প্ৰাথমিক গোট বা ঘৰখনৰ কথাকে বুজায়। যিটো পৰিয়ালত প্ৰতিজন সদস্যৰ মাজত বুজা পৰাৰ অভাৱ প্ৰত্যেকে নিজক লৈয়ে ব্যস্ত কোনেও কাৰোবে লগত ভাৱৰ আদান প্ৰদান নকৰে, তেনে পৰিয়ালত বাস কৰা যুৱকজন বিপথে যোৱাৰ সম্ভাৱনা অধিক। যিহেতু প্ৰত্যেকলোকে নিজৰ কথা জনাবৰ বাবে এজোকন শ্ৰোতা, ভাৱৰ আদান প্ৰদানৰ বাবে এজোকন বন্ধুৰ প্ৰয়োজন। সেই শ্ৰোতা সেই বন্ধুজনৰ স্থায়ী যদি নিজ পৰিয়ালত নহয় তেতিয়া তেওঁ আমৰ পৰা হলেও শ্ৰোতা বন্ধুজন সংগ্ৰহ কৰিবলৈ বাধ্য। তেনে কৰিবলৈ যাওঁতে প্ৰতিদিনেই ক্লাবলৈ যাব য'ত লগ পাব পাৰে হতাশাত ভোগা বহুতো যুৱক। সেই যুৱকজনৰ জীৱনটো দেখি হয়তো দিনটো সৰহ সময় কটাব ক্লাবঘৰটোত। যুৱক সকলৰ স্খলনবোধ কৰিবৰ বাবে পৰিয়ালটোৰ প্ৰতি জনে পৰস্পৰে পৰস্পৰক বুজিবলৈ, উপলব্ধি কৰিবলৈ চেষ্টা কৰিব লাগিব। সহল সমাজ খনৰ উন্নতি হলেও, যুৱসমাজৰ বাবে অনেক অনুষ্ঠান পাতিলেও. ঘৰত সোমায় যদি হতাশা অশান্তিত সময় কটাব লগীয়া হয়, তেনেহলে যুৱক সকলৰ স্খলন হোৱাটো নিশ্চিত। যুৱসমাজৰ যুৱকসকল জন্মৰে পৰা

অপৰাধী হৈ জন্ম গ্ৰহন নিশ্চয় নকৰে। ইয়াৰ বাবে দায়ী এই আমাৰ সমাজ আৰু পৰিয়াল। যত অভাৱ অভিযোগ আৰু পৰস্পৰে পৰস্পৰক বুজি উঠিবলৈ সুযোগকণ দিয়া নাই।

অৰ্থনৈতিক বৈষম্যত যুৱ উচ্ছৃংখলতাৰ আন এটা কাৰণ। সমাজখনত সবলে দুৰ্বলক শোষণ কৰাটো এটা সংস্কৃতিত পৰিণত হৈছে। শোষকক শোষিতসকলে অন্যায় কৰাটো স্বাভাৱিক আৰু তাকে কৰিবলৈ যাওঁতে হয়তো উত্তেজিত যুৱকসকল শুদ্ধ পথৰ পৰা পিছলি পৰিছে। কিন্তু আচৰিত যে ইতিমধ্যে যুৱকসকলৰ দ্বাৰা সংঘটিত হোৱা বিভিন্ন ধৰণৰ অপৰাধজনিত ঘটনাত জড়িত থকা সৰহ সংখ্যক যুৱকেই হৈছে উচ্চ বিত্ত বা উচ্চ মধ্যবিত্ত শ্ৰেণীৰ লোক। তেওঁলোকৰ অভাৱ কি ?

ভাবিলে দেখা যায় যে অসৎ কাম কৰাটো হৈছে এওঁলোকৰ প্ৰৱণতা। পিতাকৰ কামটো যদি অসৎ হয় আৰু নিজকে গৰ্বক উপস্থাপন কৰে তেনেহলে তেওঁৰ পুত্ৰই জানো এইবোৰ কৰিবলৈ মন নেমেলিব ? আকৌ সামৰ্থ্য থকাজনে অযথা মথে টকা খৰছ কৰা দেখিলে, সামৰ্থ্য নথকা জনেও তাকেই কৰিবলৈ বিচাৰিব আৰু অন্য উপায়ে নহলে অসৎ পথত নামি পৰিব। গতিকে যুৱক হৈ থকা লৈকে অৰ্থাৎ শিক্ষানুষ্ঠানত থকালৈকে শিক্ষানুষ্ঠান সমূহে নিৰ্দ্ধাৰিত কৰি দিয়া পোচাকৰ তাৎপৰ্য্য প্ৰতিজন যুৱকৰ লগতে অভিভাৱক সকলেও বুজি বুজিবলৈ চেষ্টা কৰে। তেন্তে যুৱ সকলেক স্খলিত পথৰ পৰা উদ্ধাৰ কৰিব পৰাটো কিছু পৰিমাণে সম্ভৱ হব।

যুৱক সকল যাতে বাহিৰত গৈ অসৎ কাম, নিচাযুক্ত দ্ৰব্য সেৱন আৰু যৌন ব্যভিচাৰ কামত লিপ্ত নহয় তাৰ বাবে পৰিয়ালৰ লোকে সদায় তেওঁলোকৰ লগত মিত্ৰভাবে কথা বতৰা পাতে যেন লগতে পৰিয়ালৰ প্ৰত্যেক যুৱক সকলৰ ৰুচি অভিৰুচিবোৰত লক্ষ্য ৰাখিব লাগে। তেনেহলে যুৱক সকল মাক দেউতাকৰ প্ৰতি অধিক আগ্ৰহী হব আৰু কোনো অসৎ কাম কৰিবলৈ সংকোচ বোধ কৰিব।

বৰ্তমান শিক্ষণীয় দিশত যুৱকসকল উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিব নোৱাৰাটো অৰ্থাৎ যুৱশক্তিৰ সঠিক প্ৰয়োগ নোহোৱাটো উচ্ছৃংখলতাৰ এটা হেতু। বৰ্তমান শিক্ষা ব্যৱস্থাই আমাক স্বাক্ষৰ বা শিক্ষিত কৰিছে কিন্তু জ্ঞানী কৰিব পৰা নাই। ৰাধকৃষ্ণনে কৈছিল—"স্বাক্ষৰতা আৱশ্যকীয় কিন্তু কেৱল স্বাক্ষৰতাই শিক্ষা নহয়, শিক্ষাৰ লগত যদি জ্ঞানৰ সংযোগ নাথাকে তেন্তে তেনে শিক্ষা অভিশাপেই।"

তদুপৰি বৰ্তমান শিক্ষা ব্যৱস্থাটো হৈছে চাকৰি মুখী। নিবনুৱা সমস্যাই চুড়ান্তৰূপে যুৱক সকলক হতাশাগ্ৰস্ত কৰি তুলিছে। তেওঁলোকৰ মনবোৰ বজকৰা হৈ পৰিছে অধিক কৰ্মসংস্থাপন প্ৰতিষ্ঠা কৰি এই নিবনুৱা সকলক বিপথে পৰিচালিত হোৱাৰ পৰা উদ্ধাৰ কৰিব নিশ্চয় পাৰিব। ঠিক তেনেদৰে যুৱ সমাজ শৃংখলিত কৰিবৰ বাবে শিক্ষা ব্যৱস্থাৰ



পৰিবৰ্তন হোৱা প্ৰয়োজন। চাকৰিমুখী শিক্ষাৰ পৰিবৰ্তে এনেশিক্ষাৰে শিক্ষিত কৰা উচিত য'ত জ্ঞানৰ সংযোগ ঘটে আৰু সেই প্ৰকৃত শিক্ষাৰ প্ৰয়োগৰ দ্বাৰা যুৱ সমাজৰ সঠিক ব্যৱহাৰ হয়।

যুৱস্খলন ৰোধৰ বাবে ধৰ্মীয় দিশটোৰ ভূমিকা অধিক। সকলোৰে অন্তৰত আধ্যাত্মিক ভাৱৰ উদয় হোৱা উচিত। আধ্যাত্মিক ভাৱৰ উদয় নহলে সংযমী হোৱাৰ সম্ভাৱনা ক্ষীণ। সংযমিত হব নোৱাৰিলে দৃঢ় হব নোৱাৰি। মনৰ দৃঢ়তা অবিহনে সাধনাত সিদ্ধি লাভ কৰা অসম্ভৱ। যুৱক সকলে ভাল কথা বতৰা পাতি আৰু বিভিন্ন কিতাপ পত্ৰ পঢ়ি মনটো সংযত কৰি ৰাখিব পাৰিলে স্খলিত পথৰ পৰা আতৰি আহিব পৰা সম্ভৱ হব বুলি ধাৰণা আৰু বিশ্বাস।

যিহেতু এই সমস্যাৰ বাবে যুৱকসকলেও দায়ী ; গতিকে যুৱক সমাজেই এই সমস্যাৰ পথ নিজেই মুকলি কৰিব লাগিব। ইয়াৰ বাবে লাগিব আত্ম সংযম। জীৱনৰ যিকোনো পৰিস্থিতিতেই মাদক দ্ৰব্যৰ পৰা আতৰত থাকিব লাগিব যুৱ সমাজ। অসমৰ যুৱ সমাজ আজি বুজি উঠিবৰ হল যে ঠায়ে ঠায়ে চৰকাৰী পৃষ্ঠপোষকতাত গঢ়ি উঠা মদৰ দোকানবোৰ, ড্ৰাগছৰ চোৰা ব্যৱসায়, প্ৰতিস্থাসয়বোৰে আদি কেৱল যুৱ সমাজক বিভ্ৰান্ত কৰাই নহয়, সামাজিক বাতাবৰণো কলুষিত কৰি তুলিছে। এই পৰিস্থিতিত কেৱল নিজে এই কুশক্তিবোৰৰ পৰা আতৰি থাকিলেই নহব, লগতে আনকো আতৰাই আনিবলৈ প্ৰবল জনমত গঠন কৰিব লাগিব। এই সমস্যা সমাধানৰ অৰ্থে যদিও চৰকাৰে যুৱ কল্যাণ উপদেষ্টা পৰিষদ গঠন কৰি দিছে।

গতিকে যুৱক সকলে কৰা ভুলবোৰৰ যাতে পুণৰাগমন হব নোৱাৰে তাৰ বাবে অভিভাৱক সকল সচেতন হব লাগিব কৈশোৰৰ পৰাই কিছুমান যোগাভ্যাস শিকোৱা উচিত যাতে যুৱকৱস্থা পালেও যথেষ্ট সংযত হৈ থাকিব পৰা যায়।

বৰ্তমান যুৱসমাজত যি অনীহা, উচ্ছৃংখলতা, বজকৰা ভাৱৰ উদ্ৰেক হৈছে তাৰ বাবে মুখ্যত নিজৰ ঘৰখনেই দায়ী আৰু আজিৰ এই আমাৰ সমাজখন। প্ৰতিজন অভিভাৱকৰ লগতে যদি সমাজৰ ব্যক্তি সকলেও সচেতন হয়। যুৱক সকলেও বন্ধু, আত্মীয়ৰ পৰা মৰম অভিভাৱকৰ শোষণ ঘৰখনৰ পৰাই লাভ কৰে তেনেহলে বৰ্তমান চিন্তাৰ বিষয় হৈ পৰা যুৱ সমাজ বহু পৰিমাণে শৃংখলিত বুলি নিশ্চয় ধাৰণা হয়।

— + —

# ঃঃ অসমৰ এটি জনজাতি বড়ো কছাৰী'ৰ বিষয়েঃঃ

শ্ৰীৰবি বড়ো
স্নাতক তৃতীয় বৰ্ষ কলা

অসম এখন ঐতিহ্যপূৰ্ণ ঠাই। আদিতে এই অসমত কেনে ধৰণৰ মানুহ বাস কৰিছিল জানিবলৈ মন যোৱাটো স্বাভাৱিক। এই বিষয়ে নানাজনে নানা মত প্ৰকাশ কৰে। আজিলৈকে কোনোৱেই সঠিক ভাৱে কব পৰা নাই যদিও তেওঁলোকৰ মতবোৰৰ পৰা এইটো জানিব পাৰি যে আহোম সকলৰ আগতে অসমত মিচিং, ৰাভা আদি জনজাতিবোৰে আধিপত্য বিস্তাৰ কৰিছিল। তেনেকুৱা এটা জনজাতি হৈছে বড়ো কছাৰী।

বড়ো কছাৰী সকলক চীনা তীব্বতীয় মংগোলীয় গোষ্ঠীৰ মানুহ বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। খ্ৰীষ্টপূৰ্ব হুহেজাৰমান বছৰ আগতে এওঁলোকে ভাৰতৰ উৰ্ত্তৰ-পূৰ ফালেদি আহি সোমাইছিল আৰু ব্ৰহ্মপুত্ৰৰ শাখানদী বোৰৰ কাষতে সৰু সৰু ৰাজ্য স্থাপন কৰিছিল। সেইবাবে ব্ৰহ্মপুত্ৰৰ বহুতো শাখা নদীৰ বড়ো ভাষাৰে নামাংকিত হৈছে। আনকি বড়ো কছাৰীৰ 'বুল্ল'ৎ-বুথৰ' শব্দৰ পৰা ব্ৰহ্মপুত্ৰ শব্দৰ সৃষ্টি বুলি কোৱা হয়। কিন্তু তেওঁলোকৰ মতে তেওঁলোক ভাৰতত কোনো বেলেগ ঠাইৰ পৰা আহি থিতাপি লোৱা নাই। তেওঁলোকৰ মতে তেওঁলোক হৈছে আহোম গুৰুৰ সদিচ্ছাত জন্ম গ্ৰহণ কৰা আদি মানৱ মৌনছিংছিংৰ সতি সন্ততি।

বড়ো সকল কিৰাতৰ অন্তৰ্ভূক্ত। এওঁলোকৰ দেহৰ গঠনলৈ লক্ষ্য কৰিলে দেখা যায় যে যে—মুৰ চুটি, কপাল বহল, চকু সৰু, গাল গোলাকাৰ, নাক চেপেটা, অলপ গোফঁথকা, ভৰিৰ ভলুৱা চুটি, গাৰ বৰণ মধ্যমীয়া বগাৰ পৰা হালধীয়া বৰণৰ। এওঁলোকে বহু বছৰ ব্ৰহ্মপুত্ৰৰ উপত্যকা অঞ্চলত ৰাজত্ব কৰিছিল। বৰ্ত্তমানৰ ডিমাপুৰ, মাইবাং আদিতো কছাৰী ৰজাৰ ৰাজধানী আছিল বুলি ইতিহাসে প্ৰমাণ কৰিছে। তেওঁলোকক ডিমাছা বুলিও জনা যায়। ডিমাছা শব্দৰ অৰ্থ হৈছে ডাঙৰ নদীৰ সন্তান।

এওঁলোকৰ প্ৰধান জীৱিকা হৈছে খেতি-বাতি। তাৰবাবে তেওঁলোকে ধানখেতিৰ বাবে পথাৰ, মাছ-পুঠি পাবৰ বাবে বিল বা নদী আৰু খৰি থৈৰৰ বাবে অলপ হাবিতলীয়া অঞ্চলৰ কাষত গাওঁ পাতি থাকিবলৈ ভাল পায়। বগো কছাৰী সকল অত্যন্ত পৰিশ্ৰমী লোক। তেওঁলোক সৌন্দৰ্য্যৰ উপাসকো, কাৰণ ৰূপ অৰ্চনাৰ বহুতো লোকগীত তেওঁলোকৰ মাজত দেখা যায়। সাধাৰণতে পুৰুষতকৈ তিৰোতাৰ সৌন্দৰ্য্য বেছি। তেওঁলোকৰ গাৰ বৰণ কেঁচা হালধিৰ দৰে। কিন্তু আজি কালি তাৰ ব্যতিক্ৰমো দেখা যায়। ভৈয়ামৰ বড়ো কছাৰী সকলে চাংঘৰ নাসাজে। তেওঁলোকে চাৰিওফালে ঘৰ সজায়; মাজতে চোতাল ৰাখে। তেওঁলোকৰ নিয়ম মতে তিৰোতা মানুহ চাংঘৰত শোৱাৰ নিয়ম নাই; যদিও পাহাৰৰ বড়ো কছাৰীবোৰ চাংঘৰত বাস কৰে। এওঁলোকৰ পৰিয়ালৰ ভিতৰত বৰঘৰ, ভঁৰালঘৰ আৰু গোহালি ঘৰ অতি আৱশ্যকীয় ঘৰ।

এওঁলোকে চাউল সিজাই পচাই তাৰ পৰা মদ বা লাওপানী তৈয়াৰ কৰে। এই মদ তৈয়াৰ কৰোতে ডাঙৰ ডাঙৰ মাটিৰ কলহৰ প্ৰয়োজন হয়। কিছুমানে এই মদক গেলা বুলিও কয়। তেওঁলোকৰ দৈনন্দিন ব্যৱহাৰ্য্য বাহঁৰ সামগ্ৰীবোৰ নিজেই তৈয়াৰ কৰি লয়। কাঠৰ পৰাও প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰি লয়। ৰন্ধা-বঢ়া কৰা বাচন বৰ্তনবোৰ সাধাৰণতে কাঁহ পিতলৰ হয়।

এওঁলোকে জুইক জীৱন্ত যেন জ্ঞান কৰে। ৰন্ধা বঢ়া কৰাৰ উপৰিও জুইক সত্যবাদী আৰু পবিত্ৰতাৰ জীৱন্ত স্বৰূপ বুলি ভাৱে। বিয়াবাৰু, সখি পতা, প্ৰতিশ্ৰুতিমূলক শপত খোৱা, কোনো লোকৰ শ্ৰাদ্ধ, পূজা-পাতল আদি বিভিন্ন কাৰ্য্য জুইক সাক্ষী কৰি সমাধা কৰে।

বড়ো কছাৰী সকলৰ ভাতেই হৈছে প্ৰধান আহাৰ। আগতে তেওঁলোকৰ ৰন্ধন প্ৰণালী নিয় খাপৰ আছিল। কিন্তু আজি কালি আধুনিক সভ্যতাৰ বা লাগি আৰু শিক্ষাৰ পোহৰ পৰি ৰন্ধন প্ৰণালী আগতকৈ বহুত উন্নত হৈছে। কিন্তু কিছুমান ভিতৰুৱা অঞ্চলত তেওঁলোক এই ক্ষেত্ৰত পিছ পৰিয়েই আছে। আহাৰোপযোগী সকলো বস্তুৱেই সিজাই খায়। মাছ, মঙহ একে সাজতে খাই শেষ কৰিব নোৱাৰিলে শুকাই খায়। শুকান মাছ মঙহ তেওঁলোকৰ ৰুচিকাৰক খাদ্য। শুকান মাছ খুন্দি বহুদিন পিহুত তাক নাকাম্ কৰি খায়। শোকোতা, মেস্তাটেঙা, লফা, জতি বাঁহৰ গাজ বা ইৰিছা, দৌছে্ম, ছিক্ৰে, লাফু আদি তেওঁলোকৰ ৰুচিকাৰক আঞ্জা। অণ্ডায়গজাৰ বা বৌৰমা দাড়ি (ছাগলীৰ দাড়ি) নামৰ এবিধ তীব্ৰ গোন্ধৰ শাক কুছীয়া মাছ বা মঘহৰ আঞ্জাত দি খায়। তেওঁলোকে আদা, নহৰু, ধনীয়াৰ পাত, জাম্ৰাং আদি যি কোনো আঞ্জাত মচলা হিচাপে ব্যৱহাৰ কৰে। শামুকৰ খাৰৰ আঞ্জাও তেওঁলোকৰ প্ৰিয় খাদ্য। তাৰোপৰি এবিধ পলু পোক, কেকোঁৰা আৰু মাটিত থকা এবিধ উইচিৰিঙাৰ দৰে পোকো তেওঁলোকে খাদ্য হিচাপে গ্ৰহণ কৰে।

লোকে যোৱা বিচনা চাদৰ, গাত লোৱা চাদৰ আৰু মেজত পৰা কাপোৰৰ ফুলবছা নিপুণতা চালে চকুযোৱা। পুৰুষবোৰে চেপা, জলা, খৰাহি, জাকৈ, খালৈ আদিবোৰ নিজেই সাজি লয়। তেওঁলোকে উমৈহতীয়া ভাবে মাছ মাৰে, চিকাৰ কৰে আৰু এইবোৰ তেওঁলোকৰ মাজতে ভাগ কৰি লয়।

তেওঁলোকৰ বাদ্যযন্ত্ৰ হিচা'প খাম্ (মাদল) চিফুং (বাঁহী), জাবখে (বামতাল, বিডি (বণু), গংগা (গগনা), থৰ্খা (বাহৰ টকা), খাওবাং (তাল) আৰু জোঠা (মণ্ডুৰী) প্ৰধান। বিয়া, উৎসৱ, খেৰাই পূজা আদিত এইবোৰৰ ব্যৱহাৰ কৰে।

বড়ো কছাৰীৰ সমাজত নাৰীক পুৰুষৰ সমানে সমান বুলি ধৰা হয়। তেওঁলোকৰ মাজত বিধবা বিবাহৰ প্ৰচলনো আছে। গৃহস্থৰ কামত নিপুণতাৰ বাবে তিৰোতাবোৰ স্বাধীন মনৰ মানুহ হৈ পৰে।

এওঁলোকৰ মাজত পাঁচ প্ৰকাৰে বিয়া ১) সামাজিক নীতি নিয়ম মতে ২) ঘৰতে জোঁৱাই থাকি বিয়া কৰোৱা ৩) ঢকা থাকি বিয়া কৰোৱা ৪) ছোৱালীয়ে ল'ৰাৰ ঘৰত গৈ যাচি বিয়া হোৱা ৫) টানি আনি বিয়া হোৱা। তাৰে প্ৰথম চাৰিটা সামাজিকভাৱে স্বীকৃত কিন্তু শেষৰটো অবৈধ বুলি ভবা হয়। তেওঁলোকে সাধাৰণতে নিজৰ জাতিৰ বাহিৰে অইনত বিয়া হোৱাটো অপছন্দ কৰে।

বড়ো কছাৰীবোৰে মানুহ মৰিলে নিৰ্দ্দিষ্ট মৰিশালীত নি পুতি থয়। মানুহ মৰিলে ঘৰৰ বয়সস্থবোৰে লঘোণে থাকে আৰু সৰু ল'ৰা-ছোৱালীবোৰে নিৰামিষ ভোজন কৰে। শ্ৰাদ্ধৰ দিনা মদ মাংস চলে।

অসমৰ বড়ো কছাৰীৰ মাজতে কিছুমানে হিন্দু ধৰ্মৰে দীক্ষিত হৈ বৰ্মণ, ব্ৰহ্ম আৰু শৰণীয়া হৈছে। কিছুমানে খ্ৰীষ্টানো হৈছে। তেওঁলোকে থৰৰ চোতালত উত্তৰ পূবকাল

তেওঁলোকৰ সমাজত লাওপানীৰ ব্যৱহাৰ বহুল ভাবে দেখা যায়। ঘৰত পানীয় হিচাপে ব্যৱহাৰ কৰিলেও বহুতো সামাজিক আৰু ব্যক্তিগত ক্ৰিয়া কৰ্মৰ লগত ল'ও পানী জড়িত হৈ আছে। সেইবাবে বড়ো কছাৰীৰ সংস্কৃতি মদৰ লগত জড়িত বুলি বহুতে ভাবে। কিছুমানে মত প্ৰকাশ কৰিছে যে তেওঁলোকৰ মাজৰ পৰা লাওপানীৰ ব্যৱহাৰ উঠি গলে তেওঁলোকৰ সংস্কৃতিত ব্যাঘাত জন্মিব। এসময়ত তেওঁলোকৰ মাজত ভাং আৰু কানিৰ ব্যৱহাৰ আছিল বুলিও জনা যায়। কিন্তু এতিয়াৰ বড়ো কছাৰীৰ মাজত ভাং আদিৰ ব্যৱহাৰ একেবাৰে নাই।

তেওঁলোকৰ পুৰুষ বিলাকে ধুতি চোলা পৰিধান কৰে। আৰু আৰু তিৰোতাবোৰে ঘৰতে ব'চতীয়া কাপোৰ বৈ পিন্ধে হালধীয়া, ৰঙা বা কমলা ৰঙৰ দখনা তিৰোতাবোৰৰ প্ৰিয় পোচাক। তেওঁ সিজু গছ ৰুই তাৰ গুৰিত বেদী তৈয়াৰ কৰি বেদীৰ চাৰিওকালে বেৰ দি মাজত বাথৌ বুঢ়ীৰ থাপনা কৰি সন্ধিয়া চাকি বন্তি জ্বলায়। মাহেকে পষেকে নিৰ্দিষ্ট গাৰ্জাশালীত গাৰ্জা বা গাৰজীয়া পূজাৰ প্ৰভাগ আগবঢ়ায়। খেৰাই আৰু আৰু মাৰৈ পূজাৰ পৰা জ্বৰাব্যাধি দূৰ হয় আৰু মনোবাঞ্চা পূৰ্ণ হয় বুলি বিশ্বাস আছে। নদ-নদী, পৰ্বত পাহাৰ আদিকো দেৱতা জ্ঞান কৰে।

তেওঁলোকৰ নিজা মাতৃভাষা আছে। ভৈয়ামৰ বড়ো কছাৰীয়ে অসমীয়া মাধ্যমতেই শিক্ষা গ্ৰহণ কৰে। তেওঁলোকে ঘৰত নিজা ভাষা আৰু হাট বজাৰ আদিত অসমীয়া ভাষা ব্যৱহাৰ কৰে।

তেওঁলোকৰ লোকনৃত্য আৰু লোকগীতে বৰ্ত্তমান উচ্চস্থান অধিকাৰ কৰিছে। তেওঁলোকৰ নৃত্য অকল ভাৰতত্তে নহয় পৃথিৱীৰ অন্যান্য দেশৰ সাংস্কৃতিক অনুষ্ঠানতো প্ৰদৰ্শিত হৈছে। তেওঁলোকৰ পূজা পাৰ্বনত নৃত্যৰ ভঙ্গীমা গীতৰ মাধুৰ্য্যই মনত জোৱাৰ তোলে। তেওঁলোকৰ 'বাগুৰুম্বা' তালে তালে অকনমান নাচি দিবৰ মন যায়।

এওঁলোকৰ খেলধুলাত পাৰ্গত ল'ৰাবোৰে আগতে হাওগুহ খেলিছিল। কিন্তু আজিকালি তেওঁলোকৰ মাজত ফুটবলহে প্ৰিয় হৈ পৰিছে। ক্ৰিকেটো খেলিবলৈ ভাল পায়। এই ক্ষেত্ৰত ছোৱালীবোৰ সিমান আগবঢ়া নহয় যদিও আজিকালি ছোৱালীবোৰেও শিক্ষা দীক্ষাৰ পোহৰ পাই বহুত আগবাঢ়িছে।

এতিয়া দেখা গ'ল যে তেওঁলোকৰ সমাজ খন বাৰে ৰৰণীয়া। এই বাৰে ৰৰণীয়া সংস্কৃতিৰে বড়ো কছাৰী সকল হৈছে অসমৰ এটা অবিচ্ছেদ্য অংগ। তেওঁলোকক বাদ দি অসমৰ কথা ভাবিবই নোৱাৰি। তেওঁলোক হৈছে অসমৰ সংস্কৃতিৰ প্ৰাণস্বৰূপ; যাৰ সংগীতৰ সুৰত অসমৰ হিয়া মন নাচি উঠে। যাৰ চিংকৌৰ সুৰে সুৰে যেন একতাৰ নিজৰা বৈ যায়, আৰু অসমৰ বাৰে ৰৰণীয়া সংস্কৃতিত অসমীয়া ভাষাত বড়ো কছাৰী জনগোষ্ঠীৰ এখনি সুকীয়া আসন গ্ৰহণ কৰি বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অৰিহণা যোগাইছে।

— × —

---

## কৌতুক

মিচ চাবিদা বেগম
উঃ মাঃ ১ম বৰ্ষ

পতি—হেৰা, তুমি মোৰ কোটটো আজি চাফা কৰা নাছিলা নেকি ?

পত্নী—কৰিছিলো। কিয় চাফা হোৱা নাই নেকি ?

পতি—নহয়, মানে পকেটত এখন এশটকীয়া নোট আছিল। সেইখন এতিয়াও আছে।

---

# উত্তৰ পূব সীমান্ত ৰেলৱে আৰু আনুষংগিক কিছু কথা

প্ৰতাপ চন্দ্ৰ বৰ্মন
ভূগোল বিজ্ঞান বিভাগ

ভাৰতীয় ৰেল পৰিবহণক বিশ্বৰ এক উল্লেখযোগ্য পৰিবহণ ব্যৱস্থা বুলি জনা যায়। ভাৰতীয় ৰেলৱে জাল (Railway Network) খন ইমানেই বিস্তৃত আৰু শাখা-প্ৰশাখা যুক্ত যে ইয়াৰ নিয়ন্ত্ৰণ তথা উন্নয়নৰ কথা এক অতিকৈ জটিল সমস্যা। এনেকুৱা পৰিপ্ৰেক্ষিতত ভাৰতীয় ৰেল বিভাগটোক বৰ্তমানলৈ সৰ্বমুঠ ৯টা ভাগত ভাগ কৰা হৈছে। উত্তৰ পূব সীমান্ত ৰেলৱে' এই ৯টা ভাগৰে এটা। সেই দিনালৈকে মিটাৰগজ ৰেলপথৰ প্ৰাধান্যতা বুলি জনাজাত ভাৰতীয় ৰেলৰ এই শাখাটোত স্থাপন কৰা ৰেলপথৰ দৈৰ্ঘ্য প্ৰায় ৩৬০০ কি.মিঃ বুলিব পাৰি। এই বিভাগটোৰ উত্তৰ পূৰ্বাঞ্চলৰ সকলো বিলাক ৰাজ্যকে সামৰি লোৱাৰ উপৰিও উত্তৰ বংগ আৰু বিহাৰৰ পশ্চিমাঞ্চলক সামৰি লৈছে। তথাপিও বাস্তৱ ক্ষেত্ৰত উত্তৰ পূব সীমান্ত ৰেলৰ মূল পথছোৱা অসম, পশ্চিমবংগ আৰু বিহাৰতে সীমবদ্ধ হৈ আছে। উল্লেখযোগ্য যে এই বিভাগৰ অন্তৰ্বৰ্তী মিজুৰাম, মেঘালয় অথবা ছিকিমত আজিও ৰেলৰ চকা ঘূৰিব পৰা ব্যৱস্থা হোৱা নাই। তেনেদৰে অৰুণাচল প্ৰদেশ, নগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাত নাম মাত্ৰহে ৰেল পৰিবহণ আছে।

অসমত ৰেল লাইন স্থাপন কৰাৰ মূল লক্ষ্য আছিল উজনি অসমৰ মাটিত হোৱা চাহপাত, প্লাইউড আৰু কয়লা, খনিজ তেল আদি খনিজ পদাৰ্থবোৰ। এইবোৰ সম্পদ উদ্ঘাটন তথা আহৰণ কৰাৰ আশাৰে ইংৰাজ চাহাবে ১৮৮১ চনতে ডিব্ৰুৰ জাহাজ ঘাটৰ পৰা বুঢ়ীদিহিঙৰ পাৰৰ কয়লা খনিবোৰলৈ মুঠ ৬৫ কিঃমিঃ ৰেল পথ নিৰ্মাণৰ কাম সৰ্বপ্ৰথমে হাতত লৈছিল। মাত্ৰ চাৰিটা বছৰ অতিক্ৰম নকৰাতে ১৮৮৪ চনৰ ২৫ ডিচেম্বৰৰ দিনাখন এই পথছোৱা ৰেল চলাচলৰ বাবে মুকলি কৰি দিয়া হৈছিল। এই পথৰে সম্প্ৰসাৰণ ঘটোৱাৰ ফলত স্বাধীনতাৰ উত্তৰ কালতে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰ দেশৰ মূল অংশৰ লগত সংযোগ ঘটোৱা হৈছিল। কিন্তু দেশ স্বাধীন হোৱাৰ লগে লগে দ্বিখণ্ডিত হোৱাৰ ফলত উত্তৰ পূব ভাৰতৰ ৰেল লাইনবোৰ দেশৰ মূল অংশৰ পৰা পুনৰ বিচ্ছিন্ন হৈ পৰিব লগীয়া হৈছিল। কিন্তু ১৯৪৮ চনৰ 'অসম ৰেলৱে লিংক' নামৰ প্ৰকল্পৰ জৰিয়তে পশ্চিমবংগৰ কিষাণগঞ্জৰ পৰা অসমৰ ফকিৰাগ্ৰামলৈ ( শ্ৰীৰামপুৰেৰে ) নিৰ্মাণ কৰা ৰেলপথৰ জৰিয়তে পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক দেশৰ মূল ভূখণ্ডৰ লগত পুনৰ সংযোগ কৰা হৈছিল।

১৮৮৪ চনতে অসমৰ মাটিত ৰেল গাড়ী



চলাচল কৰিবলৈ লৈছিল যদিও ১৯৫৮ চনতহে পশ্চিমবংগ তথা বিহাৰৰ লগত সাঙুৰী লৈ উত্তৰ পূৰ্বাঞ্চলৰ ৰেলপথবোৰক উত্তৰ পূব সীমান্ত ৰেলৱে ( Norta East Frontier Railway ) নামেৰে নামাকৰণ কৰা হয়। ভাৰতীয় ৰেলৰ এই বিভাগটো পশ্চিমবংগৰ মালদাহলৈ আৰু বিহাৰৰ কাটিহাৰ পৰ্য্যন্ত বিয়পি আছে। যোৱা কেইটামান বছৰৰ আগলৈকে নিউবঙাইগাওঁ হৈ যোগীঘোপালৈ নিৰ্মাণ কৰা পথছোৱাৰ বাহিৰে উত্তৰ পূব সীমান্ত ৰেলৱেৰ প্ৰায়বোৰ পথেই আছিল সৰু গাড়ী চলাচল কৰা মিটাৰ গজ ৰেলপথ। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ বিলাকে উত্তৰ পূৰ্বাঞ্চলত ৰেল পথ স্থাপনৰ ক্ষেত্ৰত বিশেষ বাধা দি আহিছে যে এই কথা সকলোৱে জানে। তথাপিও ব্ৰহ্মপুত্ৰৰ ওপৰত শৰাইঘাট দলং নিৰ্মাণ কৰা ২০/২২ বছৰ পিছতহে ব্ৰডগজ ৰেলপথ প্ৰথমে গুৱাহাটীলৈ আৰু তাৰ পিচত তিনিচুকীয়ালৈ সম্প্ৰসাৰণ ঘটোৱা কথাটো সচাকৈয়ে চিন্তা কৰিব লগীয়া। উত্তৰ পূব সীমান্ত ৰেলৱেৰ উন্নয়নৰ এই গতিলৈ চাই বুজিব পাৰি এইছোৱা ৰেলপথত বৈদ্যুতিক ৰেল চলাবলৈ কিমানটা দশক আৰু পাৰ হব লাগিব। কলিকতা মহানগৰীত থকাৰ দিচিনা পাতাল ৰেল বা Underground Rail ৰ কথা এইবোৰ অঞ্চলত কোনো কালানিও হব বুলি আশা কৰিব নোৱাৰি।

উত্তৰ পূব সীমান্ত ৰেলৱেত সৰ্বমুঠ চাৰিটা সংমণ্ডল ( Division ) আছে। এই সংমণ্ডল কেইটা হৈছে বিহাৰৰ কাটিহাৰ সংমণ্ডল, পশ্চিম বংগৰ আলিপুৰদুৱাৰ সংমণ্ডল, অসমৰ লামডিং সংমণ্ডল আৰু উজনিৰ তিনিচুকীয়া সংমণ্ডল। পঞ্চম সংমণ্ডলটো কামৰূপ জিলাৰ ৰঙিয়া জংচনক লৈ স্থাপন কৰাৰ যো-জা চলি আছে। উত্তৰ পূব সীমান্ত ৰেলৱেৰ মূল পথটো অসমৰ তিনিচুকীয়াৰ পৰা বিহাৰৰ কাটিহাৰ আৰু পশ্চিমবংগৰ মালদাহলৈ প্ৰসাৰিত হৈ আছে। এই মূল পথছোৱা দৈৰ্ঘ্য হৈছে তিনিচুকীয়া আৰু কাটিহাৰৰ মাজত ১১৬০ কিঃ মিঃ আৰু তিনিচুকীয়া আৰু মালদাহলৈ ১১৭০ কিঃমিঃ। উত্তৰ পূব সীমান্ত ৰেলৰ এই মূল পথছোৱাৰ উপৰিও বিভিন্ন জংচনৰ পৰা ভালেমান শাখা ৰেল পথ স্থাপিত কৰা হৈছে। বিভিন্ন জংচনৰ পৰা প্ৰসাৰিত হোৱা এনেকুৱা শাখা ৰেল লাইন বিলাক হৈছে—কাটিহাৰ—কুমেদপুৰ—মালদহ টাউন (ব্ৰডগজ), সিংহবাদ—মালদহ টাউন (ব্ৰডগজ), নিউজলপাইগুৰী—হালধীবাৰী (ব্ৰডগজ), কাটিহাৰ—মনিহাৰীঘাট (মিটাৰগজ), কাটিহাৰ—যোগবানী মিটাৰগজ, শিলিগুৰী—দাৰ্জিলিং নেৰগজ, নিউ জলপাইগুৰী—শিলিগুৰী (মিটাৰগজ), বৰচ—ৰাধিকাপুৰ (মিটাৰ গজ), ভোযোছনি—ৰামচাই ( মিটাৰগজ ), আলিপুৰদুৱাৰ—বামনহাট (মিটাৰগজ) ফকিৰাগ্ৰাম—ধুবুৰী (মিটাৰগজ), নিউবঙাইগাওঁ—গোৱালপাৰা (ব্ৰডগজ), ৰঙিয়া—ৰাঙাপাৰা তেজপুৰ (মিটাৰগজ), ৰাঙিপাৰা—ভালুকপুং (মিটাৰগজ), ৰাঙাপাৰা—মুৰকংচেলেক (মিটাৰ গজ), চাপৰমুখ—শিলঘাট (ব্ৰডগজ), শেনছোৱা—মৈৰাবাৰী (মিটাৰগজ), ফৰকাটিং—

যোৰহাট—মৰিয়নি (ব্ৰডগজ), শিমলুগুৰী—মৰাণহাট (মিটাৰগজ), শিমলুগুৰী—নাগিনীমথা (মিটাৰগজ), মাকুম—লেখাপানী (মিটাৰ গজ), তিনিচুকীয়া—ডাঙৰী (মিটাৰগজ), তিনিচুকীয়া—ডিব্ৰুগড় ব্ৰডগজ) লামডিং—কৰিমগঞ্জ—কুমাৰহাট (মিটাৰগজ), বদৰপুৰ—শিলচৰ (মিটাৰগজ), শিলচৰ-জিৰিবাম (মিটাৰগজ), কাটাখাল—ভৈৰৱী (মিটাৰগজ), বৰাইগ্ৰাম—দুল্লভচেৰা (মিটাৰগজ) আৰু কৰিমগঞ্জ—মাইচাচান (মিটাৰগজ)। এই বোৰৰ উপৰিও যোগাযোগৰ পৰা পঞ্চৰত্ন দলঙেৰে গোৱালপাৰালৈ ৰেল চলাচল কৰা পথটো অচিৰেই সাম্প্ৰসাৰিত হৈ গুৱাহাটীৰ কামাখ্যা ষ্টেচন পাবহি। বৰাক উপত্যকাৰ বদৰপুৰটো এটা ৰেল শাখা স্থাপনৰ কথা ওলাইছে।

এইবোৰ শাখা ৰেল লাইন স্থাপন কৰাৰ উপৰিও উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ অন্তৰ্গত কেইবাটাও নতুন ৰেলপথ স্থাপনৰ বাবে ভাৰতীয় ৰেল বিভাগে প্ৰস্তাৱ গ্ৰহণ কৰিছে। এনেবোৰ ৰেল লাইনৰ ভিতৰত আছে—ধুবুৰীৰ পৰা মেঘালয়ৰ দেপালৈ, হাৰমতিৰ পৰা অৰুণাচলৰ ৰাজধানী ইটানগৰলৈ, কাৰ্বি আংলঙৰ ডিফুৰ পৰা কাৰোঙলৈ নতুন ৰেলপথ নিৰ্মাণৰ উদ্দেশ্যে আৱশ্যকীয় জৰিপ কৰাৰ সিদ্ধান্ত কৰাৰ উপৰিও ঠায়ে ঠায়ে মিটাৰগজ ৰেলপথ ব্ৰডগজলৈ পৰিবৰ্ত্তন কৰাৰ কামো চলোৱা হৈছে। কিন্তু এইবোৰ কাম সমাপ্ত হলেই উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ কৰিব লগীয়া কামবোৰ শেষ নহব। আমি আশা কৰো উত্তৰ পূৱ সীমান্ত ৰেলৰ অংশ হিচাপে আগলৈ আৰু ভালেমান নতুন ৰেল পথৰ ব্যৱস্থা কৰা হব। এনেকুৱা ৰেল লাইনবোৰৰ ভিতৰত আছে—ডিমাপুৰৰ পৰা কোহিমালৈ, গুৱাহাটীৰ পৰা ছিলং তথা চেৰাপুঞ্জীলৈ, জিৰিবামৰ পৰা ইম্ফললৈ, ভৈৰৱীৰ পৰা মিজোৰামৰ আইজাললৈ, ভালুকপুঙৰ পৰা বোমডিলালৈ, উত্তৰ লক্ষীমপুৰৰ পৰা জিৰোলৈ শিলিগুৰীৰ পৰা ছিকিমৰ ৰাজধানী গেংটকলৈ অচিৰেই ৰেল চলাচলৰ ব্যৱস্থা কৰাটো বাঞ্চনীয়। এই ব্যৱস্থা কাৰ্য্যকৰী হলে উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ ৰেল জালখন আৰু অধিক জটিল হোৱাই নহয় অঞ্চলটোৰ সকলোবিলাক ৰাজ্যৰ ৰাজধানীৰ লগত প্ৰত্যক্ষ সংযোগ ব্যৱস্থাও হৈ উঠিব।

যোৱা কিছুবছৰৰ ভিতৰত উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ কৰ্ম তৎপৰতা বহুখিনি বাঢ়িছে। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰৰ ওপৰত স্থাপন কৰা শৰাইঘাট দলঙে এই ক্ষেত্ৰত বিশেষ সহায় যোগাইছে। বহুবছৰৰ আগৰে পৰা গুৱাহাটী আৰু কলিকতা তথা দিল্লীৰ লগত পোনপটীয়া ৰেলৰ ব্যৱস্থা আছে যদিও বৰ্তমান এই ব্যৱস্থা দক্ষিণ ভাৰতৰ মুম্বাই, চেন্নাই, বাঙ্গালোৰ, কোচিন, ত্ৰিবান্দ্ৰম আৰু উত্তৰ পশ্চিমৰ কাশ্মীৰৰ জম্মু পৰ্যান্ত সাম্প্ৰসাৰিত হৈছে। তেনেদৰে গুৱাহাটী আৰু নতুন দিল্লীৰ মাজত সম্প্ৰতি শীত-তাপ নিয়ন্ত্ৰিত ৰাজধানী এক্সপ্ৰেছ'বো ব্যৱস্থা কৰা হৈছে। এনেকুৱা ব্যৱস্থাই সমগ্ৰ অঞ্চলটোৰ যাত্ৰী সকলক বিভিন্ন উপায়ে সকাহ দিয়াৰ লগতে অঞ্চলটোৰ আৰ্থিক উন্নয়নতো সহায় কৰিছে। এইবোৰ দুৰণীবটীয়া ৰেলৰ নিচিনাকৈ গুৱাহাটীৰ পৰা পুৰী, হাইদৰাবাদ, কন্যাকুমাৰী, গোৱা গুজৰাট, জয়পুৰ, পণ্ডিচেৰী আদিলৈ প্ৰত্যক্ষ ৰেল সেৱাৰ ব্যৱস্থা কৰিব পাৰিলে সকলো ক্ষেত্ৰতে পিচ পৰি থকা অঞ্চলটোৰ কিছু উন্নতি হোৱাৰ সম্ভাৱনা আছে। লগতে এনেকুৱা সকলোবিলাক ৰেল প্ৰতিদিনে গুৱাহাটী এৰা আৰু আহিপোৱাৰ ব্যৱস্থা কৰিলে অঞ্চলটোৰ ৰেল যাত্ৰী সকলে অত্যাধিক ভিৰৰ পৰা কিছু সকাহ পোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

অসমৰ মাটিত হোৱা চাহপাত তথা কয়লা, খনিজতেল আৰু অন্যান্য খনিজ সম্পদবোৰৰ প্ৰতি লক্ষ্য কৰিহে ইংৰাজসকলে অসমত ৰেলপথ নিৰ্মাণৰ কামত হাত দিছিল। ইংৰাজ সকল ভাৰতৰ মাটিৰ পৰা গুছি গৈছে যদিও ভাৰতীয় ৰেল পৰিবহণ এইবোৰ সামগ্ৰীৰ মোহ আজিও ত্যাগ কৰিব পৰা নাই। চাহপাত, প্লাইউদ, কয়লা, খনিজতেল, কৃষিজাত সামগ্ৰী ৰাজ্যখনৰ পৰা আতৰাই নিয়া আৰু নানা প্ৰকাৰৰ খাদ্য সামগ্ৰী, কাপোৰ, উদ্যোগিক সা-সৰঞ্জাম, ঔষধ তথা নানা প্ৰকাৰৰ শিল্পজাত সামগ্ৰী সমগ্ৰ উত্তৰ পূৰ্বাঞ্চললৈ কঢ়িয়াই অনাটোৱে আজিও উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ মালগাড়ী বোৰৰ মুখ্য কাম। এই ব্যৱস্থাৰ জৰিয়তে উত্তৰ পূৱ সীমান্ত ৰেলৱে দেশখনৰ নানাবিধ সামগ্ৰীৰ বিতৰণৰ ক্ষেত্ৰত বহুখিনি ভাৰসাম্যতা আনিবলৈকেও সক্ষম হৈছে। বিশেষকৈ শৰাইঘাট দলং নিৰ্মাণ আৰু তিনিচুকীয়া পৰ্য্যন্ত ব্ৰডগজ ৰেল পথ সম্প্ৰসাৰণ ব্যৱস্থাই অন্যান্য অঞ্চলবোৰৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত যথেষ্ট বৰঙণী যোগাবলৈ সক্ষম হৈছে।

অপ্ৰিয় হলেও এই খিনিতে এটা কথা কোৱাৰ আৱশ্যকতা আছে যে উত্তৰ পূৱ সীমান্ত ৰেলৱে মূলতঃ উত্তৰ বংগ, পশ্চিম বিহাৰ আৰু অসমতে সীমাবদ্ধ হৈ আছে যদিও বিভাগটোত নিয়োগ বিনিয়োগৰ ক্ষেত্ৰত অসমীয়া লোকৰ সংখ্যা যথেষ্ট কম দেখা যায়। সেয়েহে অন্যান্য অৰ্থনৈতিক তুলনাত উত্তৰ পূৱ সীমান্ত ৰেলৱে অঞ্চলটোৰ মানৱ সম্পদ বিনিয়োগৰ ক্ষেত্ৰত ভাৰসাম্য ৰক্ষা কৰাত কিছু ত্ৰুটি কৰাযেন পৰিলক্ষিত হয়। সেয়েহে অসম তথা পূৰ্বাঞ্চলৰ সকলো শ্ৰেণীৰ লোকৰ আত্ম বিনিয়োগৰ ক্ষেত্ৰত আশানুৰূপ ফল দেখুৱাবলৈ বিভাগটোৱে যৎ পাৰনাষ্টি চেষ্টা কৰাটো অতিকৈ জৰুৰী হৈ পৰিছে। বিভাটোৰ বিভিন্ন প্ৰকাৰৰ কামত প্ৰত্যাক্ষ ভাৱে কৰ্ম সংস্থান পোৱাৰ উপৰিও ৰেলৰ লগত আনুষংগিক কামত (বেপাৰ বাণিজ্য, হোকাৰ, ঠিকা-ঠুকুলি, মজদুৰ) আত্মনিয়োগ কৰাৰ ক্ষেত্ৰটো অঞ্চলটোৰ বহু সংখ্যক মানুহে সুবিধা আদায় কৰিব পাৰিছে।

ভাৰতীয় ৰেলৰ উন্নতিৰ এক অন্যতম নিদৰ্শন হ'ল কম্পিউটাৰৰ প্ৰয়োগ। উত্তৰ পূৱ সীমান্ত ৰেল বিভাগো এই ক্ষেত্ৰত একেবাৰে পিচপৰি থকা নাই। ১৯৯১ চনতে গুৱাহাটী ৰেলষ্টেচনত কম্পিউটাৰ ব্যৱহাৰ কৰা হৈছিল। সম্প্ৰতি উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ বহুকেইটা মুখ্য ষ্টেচনত কম্পিউটাৰৰ

সহায়ত টিকট ক্রয় কৰা আৰু আসন সংৰক্ষণ কৰাৰ কাম চলিছে। এই ব্যৱস্থাই অঞ্চলটোৰ মুখ্য ৰেল ষ্টেচনৰ পৰা দেশখনৰ যিকোনো ঠাইলৈ যোৱা-অহাৰ টিকট কিনা আৰু আগতীয়াকৈ শোৱা আসন সংৰক্ষণ কৰাৰ সুবিধা হৈ উঠিছে।

ভাৰতবৰ্ষৰ ভালেমান নগৰ মহানগৰীত থকাৰ নিচিনাকৈ সম্প্ৰতি উত্তৰ পূৰ্ব সীমান্ত ৰেলৰ ক্ষেত্ৰটো উপকণ্ঠীয় ৰেল চলাচল কৰোৱা হৈছে। এই ক্ষেত্ৰত প্ৰথম পদক্ষেপ হিচাপে ১৯৯১ চনত গুৱাহাটী আৰু নিউবঙাইগাওঁৰ মাজত 'মানহ ৰাইল' নামেৰে প্ৰথমখন উপকণ্ঠীয় ৰেল চলাবলৈ লোৱা হয়। উপকণ্ঠীয় ৰেলত উঠা যাত্ৰীৰ পৰ পোৱা সঁহাৰিৰ ফল স্বৰূপে পিচলৈ এই ব্যৱস্থা ক্ৰমশঃ নামনিৰ ৰঙিয়া আৰু উজনিৰ নগাওঁ আৰু যোৰহাটলৈ সম্প্ৰসাৰণ ঘটোৱা হৈছে। এই ব্যৱস্থাই ঘন জন বসতিপূৰ্ণ ঠাইবোৰত চলাচল কৰা অন্যান্য যান বাহনত যিদৰে যাত্ৰীৰ ভিৰ হ্ৰাস কৰিছে তেনেদৰে ৰেল পথৰ নিকটবৰ্তী বহুটো অঞ্চলৰ চাকৰিয়াল সকলক ঘৰৰ পৰা অহা যোৱা কৰি চাকৰি কৰাৰ সুবিধাও দিছে। ১৯৯১ চনত চলাচল কৰা মাত্ৰ এখন উপকণ্ঠীয় ৰেলৰ পৰিৱৰ্তে বৰ্তমান ইয়াৰ সংখ্যা ৫ খনলৈ বৃদ্ধি পোৱাত প্ৰতিদিনে অতি কমেও ১০/১২ হাজাৰ কৰ্মচাৰীক গুৱাহাটীৰ নিচিনা ভাড়াঘৰৰ জীৱনৰ পৰা মুক্ত হৈ মাহিলী টিকটৰ ব্যৱস্থাৰে চাকৰিলৈ অহাযোৱা কৰি আছে। এই ব্যৱস্থাই কম পইচাৰ চাকৰিয়াল বিলাকক আৰ্থিক দিশত যিদৰে উপকৃত কৰিছে শাৰীৰিক দিশটো বাহু যাত্ৰীৰ নিচিনা কষ্টকৰ কামৰ পৰা ৰেহাই দিয়ে! আগলৈকে এই ব্যৱস্থা আৰু অধিক সম্প্ৰসাৰণৰ ব্যৱস্থা কৰাৰ লগতে অঞ্চলবোৰত চলাচল কৰা ৰেলৰ সংখ্যা কিছু বঢ়ালে গ্ৰাম্য পৰিৱেশৰ দুখীয়া মানুহক আৰু অধিক সকাহ দিব পাৰিব বুলি বিশ্বাস কৰিব পাৰি।

—×—

: কৌতুক :

মঃ আমিনুল হ'ক

চিটিবাহ ষ্টেচনত এজন ভদ্ৰলোকে কাষত থকা লোকজনক ক'লে—

—ডাঙৰীয়া চাওক কেনে দিন কাল আহিল। সেই দীঘল জনলৈ চাওঁক—কি পোছাক কি চুলি একেবাৰে ছোৱালী যেন দেখি।

—মানুহজনে অলপ খঙেৰে ক'লে—

—সেইজনী মোৰেই ছোৱালী।

—ক্ষমা কৰিব। মই আপোনাক দেউতাক বুলি ভবাই নাছিলো।

—কি? মই তাইৰ মাকহে।



# :: মৰিলে স্বৰ্গ, তৰিলে ন্যায়ৰ স্বৰাজ ::

শ্ৰীজিতু মণি কলিতা
স্নাতক তৃতীয় বৰ্ষ (কলা)

★ আ···ই····
দিয়াহি ৰক্ষা কৱচ তিলক,
পঠঁনে নেপাওঁ দেখা, দিয়াহি সন্তানক মৰম তোমাৰ
ন্যায় প্ৰতিষ্ঠাৰ স্পৃহাই, কৰিবলৈ ৰচনা আকৌ কুৰুক্ষেত্ৰৰ
বিপক্ষত সামাজিকতা, আঞ্চলিকতাৰ সেনাপতিত্ব কৰিছে কৰ্ণই;
সামাজিকতাৰ সাগৰ নেওঁচি, আঞ্চলিকতাৰ পৰ্বত লংঘি
আনিবলৈ উদ্ধাৰি শান্তি সম্প্ৰীতি, পবিত্ৰতা আৰু মানৱতা
আই দিয়াহি ৰক্ষা কৱচ তিলক, পলম হয় সমূহ-সমৰলৈ!

শত্ৰু সেনানী লক্ষ্য লক্ষ্য ব্ৰহ্মাণ্ড জোৰা, মৰণাস্ত্ৰ হাতে হাতে বুকু ভেদ কৰা
প্ৰাণৰ শংকাত দুৰু-দুৰু কঁপে হিয়া, ক'তা পাণ্ডৱ সেনানী; কত বাৰু আজি কৃষ্ণ খসা
সাৰথি কৰিব কোনে? কুৰুক্ষেত্ৰৰ ৰণাংগনত কৰ্ণৰ বুকু ভেদি
উদ্ধাৰি আনিবনে মৰমী আইৰ বুকুৰ সন্তান সাধুতা, শান্তি, সম্প্ৰীতি, পবিত্ৰতা;
মই যে নিশহৰা, হে খসা গীতা শ্লোকৰ পাততি মেলা
দিয়া মোক ব্ৰহ্মাস্ত্ৰ ভাঙি চিঙি, লণ্ড-ভণ্ড কৰিবলৈ
সিংহাসনৰ মৰত গঢ়া অন্যায়ৰ সম্ৰাট, সাম্ৰাজ্য তথা অট্টালিকা!

বিপক্ষত লক্ষ্য লক্ষ্য উন্মত্ত সেনা; সপক্ষত মই আৰু প্ৰতিশ্ৰুতি,
হে অগ্ৰজ! উঠা জাগা, মাতৃৰ বুকুৰ সন্তানক উদ্ধাৰি আনিবলৈ হাতে হাতে হেংডাং ধৰা
একতাৰ ধনু গঢ়া, দৃঢ়তাৰ গুণা জৰি, অহিংসাৰ তীৰেৰে উদ্ধাৰি আনো বগ
ন্যায়ৰ বীৰ যোদ্ধা—সাধুতা, শান্তি-সম্প্ৰীতি তথা পবিত্ৰতা;
অধিষ্ঠিত হ'ব সাধুতা ন্যায় সাম্ৰাজ্য, য'ত নিতে তললবা শেৱালীয়ে পুৱতিৰ বতৰা দিব
য'ত জয়ধ্বনি গুঞ্জৰিত হ'ব, দশোদিশ আনন্দত হৰ্ষোল্লসিত হ'ব
শত্ৰুতাৰ শিৰচ্ছেদি মাথোঁ সংঘ গঢ়িব "মানৱতা আৰু ভ্ৰাতৃত্বৰ"।

দিয়া আই ৰক্ষা কৱচ তিলক, পলম হয় সমূহ সমৰলৈ,
বিপক্ষত মহাৰথী কৰ্ণ, সপক্ষত সেনাপতিত্ব কৰিছোঁ মই
যোদ্ধা সাজো হোৱা, সমেও একে স্বৰে গোৱা,
"মৰিলে স্বৰ্গ, তৰিলে ন্যায়ৰ স্বৰাজ"। ★

××××

## — সমীক্ষা —

শ্ৰীঅনুপম বৰুৱা
উঃ মাঃ ১ম বৰ্ষ (কলা/বিজ্ঞান)

এতিয়া হয়তো ক'ৰবাত যুদ্ধ লাগিছে
ক'ৰবাত কোনোবাই কাঢ়ি নিছে কাৰোবাৰ স্বাধীনতা
ক'ৰবাত কোনোবাই কাৰোবাৰ তেজ-পি তৃষ্ণা পলুৱাইছে
ক'ৰবাত জিংঘাংসাৰে কোনোবাই কাৰোবাৰ কলিজা শাঙিছে।
ক'ৰবাত বোমা বিস্ফোৰণ হৈছে
ক'ৰবাত বন্দুকৰ গুলীত কোনোবা ধৰাশায়ী হৈছে।
ক'ৰবাদ দুৰ্ভিক্ষ হৈছে
ক'ৰবাত কোনোবা ভোকাতুৰ শিশুৰ মৃত্যু হৈছে
ক'ৰবাত বহুতো মাতৃৰ বুকু উদং হৈছে
ক'ৰবাত কোনোবা যুৱতী ধৰ্ষিতা হৈছে
**ক'ৰবাত কোনোবা যুৱক ছহীদ হৈছে**
ক'ৰবাত কোনোবা ভুৱা দেশপ্ৰেমিকে চয়তানৰ ওচৰত আত্মসমৰ্পন কৰিছে।
ক'ৰবাত ৰজাই সোণৰ দোল সাজিছে
ক'ৰবাত প্ৰজাই পৰাধীনতাৰ শিকলি পিন্ধিছে
পুলিছে সাংবাদিকৰ স্বাধীনতাক কাৰাৰুদ্ধ কৰিছে
ক'ৰবাত বৰ্ণ বৈষম্যই কাঢ়ি নিছে কোনোবা নিগ্ৰো কবিৰ কলম।

অথচ,

আমিবোৰ ঠিকেই আছো। অট্টালিকা সাজিছো।
ৰাতিৰ ভিতৰতে পোচাক সলাইছো। বজাৰত আশী টকীয়া মাছ কিনিছো।
লাখটকীয়া মাৰুতী গাড়ীত উঠিছো। নামী দামী হৈছো।
আমিবোৰ মাথোন হব নোৱাৰিলো এজন বিশুদ্ধ মানুহ॥

—××—



## গোলাপ

শ্ৰীৰিন্তু দাস
স্নাতক ২য় বৰ্ষ (কলা)

গোলাপৰ ৰঙা এটি পাহি
দেখো মই অকাঁ ছবি
কাঁইটৰ বুকুত ছবি থৈ
তোমালৈ দিলো এটি ৰিং
তেজেৰে ভৰি উঠিল—
তথাপি তোমাৰ সতে
আলিঙ্গণে কৰো
কাঁইটকে জিনি
তুমিয়ে নেকি
মোৰ সপোনৰ ছবি
এটি গোলাপৰে পাহি॥

—×—

## বসন্ত আহিলে

শ্ৰীৰবীতা দাস
স্নাতক ৩য় বৰ্ষ (কলা)

বসন্ত আহিলে
প্ৰকৃতিয়ে বৰণ সলালে।
এৰিলে পুৰণি সাজ
কুলি, কেতেকীৰ সুৱদি মাত।
জীৱন পেলালে শাঁত
শীতৰ শমনত ঠৰঙা লগা।
বসন্তৰ আগমনত
কপৌ ফুলিল, পছোৱা বতাহে
মন কৰিলে জুৰ।
ঢোল, পেপা, গগণাৰ মাতত
মুখৰিত হ'ল।
অসমৰ আকাশ বতাহ
ই যেন আদৰে ৰঙালীক।

—×—

## নগ'চিয়ান

শ্ৰীবনমালী ভৰালী
উঃ মাঃ ১ম বৰ্ষ (কলা)

সঁচাকৈয়ে
হে মোৰ প্ৰিয় "নগ'চিয়ান"
তোমাৰ বাবে আজি মোৰ
স্থায়িত্ব মহান ।

ৰাঙলী উৰ্ব্বৰা তেজস্ত গজা
শুনা আনন্দৰ মিঠা গান,
তুমিয়ে কৰা আমাক
শিক্ষা দান ।

কালিৰ সপোন আজিৰ বাস্তৱ
শুনা মোৰ প্ৰিয় 'নগ'চিয়ান',
তুমিয়ে কৰিলা সকলোকে বুদ্ধিমান ।

কৰিলা যিমান ভুগিৰা সিমান
শুনা আনন্দৰ মিঠা গান,
তোমাৰ বাবে সকলোৱে
কৰে সংগ্ৰাম ।

—x—

## প্ৰতীক্ষা

শ্ৰীকনক বৈশ্য
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

মোৰ অন্ধকাৰ, নিঃসংগ
প্ৰতিটো টোপাত
এতিয়া জোনাকৰ স্মৃতি,
প্ৰতিনিশা,
প্ৰতি ক্ষণে ক্ষণে মই যেন
বিভিয়াই সোমাই যাওঁ,
মোৰ ভবিষ্যতলৈ ।
এতিয়া মোৰ সতে
পোহৰ আছে
আৰু আছে মোৰ
হৃদয় ।
বৰ্তমান
আন্ধাৰত মই হেৰুৱাইছো
পোহৰ আৰু মোৰ হৃদয় ।
তথাপি মই বৈ থাকিম
কিজানিবা কেতিয়াবা
জোনাক উভতি আহিব
ফুলৰ মাধুৰিমাৰ সৈতে ।
তাতে মই বিচাৰিম
মোৰ হৃদয়ক ।

—x—

## বিদায়

মহম্মদ বাবুল আলি
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

আঘোণৰ শীতে নাঙঠ কৰা
মাজ পথাৰৰ সেই—
গছ ডালৰ তলত ৰহি
সূৰ্য্যাস্তৰ পিনে চাই ভাবিছো আজি
বন্ধু !
একেই বেলি
একেই হেঙুলীয়া
তথাপিও ?
পুৰাৰ দৰে, নহয় কিয়,
একে মোহনীয় ।
বিদায় বেলাত ভাবিছো আৰু
বন্ধু !
মনত বাৰু আছেনে তোমাৰ
আৰম্ভণি বা কেতিয়াৰ পৰা ?
তথাপিও আজি বিদায়,
ক বণ ?
বিদায় মানেইতো
পুনৰ লগ পোৱাৰ "প্ৰতিশ্ৰুতি" মাত্ৰ ।

——



## চকুলো

শ্ৰীগীতিকা দাস
স্নতক ১ম বৰ্ষ (কলা)

যেতিয়া মনত পৰে
মোৰ মৰমৰ
মদাৰ জুপিলৈ,
দুচকুই সহিব নোৱাৰি মোৰ
অহৰহ নিগৰে
ভাইয়ে হ'ল কিয় মোৰ
জীৱন লগৰী ?
অ !
পৃথিৱীত কোনোৱে
নজয় যে তাইৰ
খবৰ বাতৰি ।
সেয়ে—
দুখ নালাগে মোৰ
মদাৰ জুপিলৈ
সিয়ে বৃথা চেষ্টা কৰে
ডেকা গাভৰু হৃদয়ত
প্ৰেমৰ সঞ্জীৱনী ঢালিবলৈ ।

—x—

## মই মাথোঁ সাৰে আছো

শ্ৰীউৎপল নাথ
স্নাতক ২য় বৰ্ষ (কলা

নিশা গভীৰ হৈ আহিছে
হঠাৎ যেন নিৱৰতা,
অদূৰত চিঞৰিছে নিশাচৰে—
মাথো সাৰে আছো মই
আৰু মুক্ত আকাশৰ তৰাবোৰেও শুনিছে—
সিহঁতৰ করুণ আৰ্তনাদ ।
দুৱাৰখন খুলিয়েই ভাবিলো,
হাতত বাৰু কি লৈ যাওঁ
অটোমেটিক পিষ্টলটো,
নে ?
পাতে-ফুলে জাতিস্মাৰ হৈ থকা
ডালবোৰ,
নে ?
আধুনিক সভ্যতাৰ পোহৰে ঢুকি নোপোৱা
আদিম গুহাবোৰ ??

—×—

## সময় আকৌ আহিব

শ্ৰীদ্বীপ বড়া
স্নাতক ১ম বৰ্ষ (কলা)

ইয়াত উৰিছিল শান্তিৰ কপৌ
সাগৰ পাৰত ধ্বনিত হ'ল—
অহিংসাৰ বাণী ।
ধূলিয়াৰি হৈ আজি উৰে
বাৰুদৰ ধোৱা,
বিস্ফোৰণৰ শব্দত কাণ তাল মাৰি ধৰে,
নতুন ধমনিৰ আশা হৈ পৰে—
শ্মশান ঘাটৰ শুকান বতাহ ।
গাভৰুৰ উকা কপালত
মাতৃৰ উদং কোলাত
অজান অট্ট হাঁহিৰ প্ৰতিধ্বনি উঠে
নতুন সুৰুয ম্লান হ'ব নেকি ?
মানুহৰ হৃদয়ত
পদুম পাতৰ নীৰভৰা
শান্তপৰা সময় কেতিয়া আহিব ।
হে সময়, তোমাক কৰিলো আহ্বান
আমাৰ কপৌ আকৌ উৰক !!

—×—

## প্ৰতীক্ষা

শ্ৰীশৰৎ দাস
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

তেওঁ আহে বাবেই মই হোটেলখনলৈ গৈছিলো ।
চিনাকি চকীখনত বহি অপেক্ষা কৰিছিলো
কিজানিবা তেওঁ আহেই—
আবেলিয়ে কটিয়াই অনা এন্ধাৰৰ দৰে,
নৈ-পৰীয়া বতাহ জাকৰ সতে ।
কেবল তেওঁৰ বাবেই মই খৰছ কৰিছিলো
প্ৰতিটো সন্ধিয়া । পাতিছিলো শব্দৰ উৎসৱ ।

তেওঁ যোৱা কালি নাহিল ।
আজিও সন্ধিয়া গৈ নিশাৰ কোলাত
আবেলিৰ বেলি হাতে হাতে ধৰি
সেউজীয়া নিশাৰ সপোন সজাবলৈ
তেওঁ হয়তো আৰু কোনোদিনাই নাহিব ।
মই মাথো বৈ আছো—
হৃদয়ত মোৰ আহত আশা আৰু
বেদনাৰ নীলাভ ঢেকুৰা ।
এতিয়া, তেজ আৰু চকুলোৰ বৰষুণে
চহাই যোকা কৰা কেঁচাপাতৰ পথাৰত গজি উঠিছে
মোৰ উতনুৱা যৌৱনৰ হুমুনিয়াহ ।

— × —

## জোনাক (গীত)

শ্ৰীমনজুল বড়ো
স্নাতক ২য় বৰ্ষ

জোনাক নিশাৰ কোমল পোহৰ
উদাস উশাস মোৰ হিয়াৰ ভিতৰ
নাপালো কিয় বাৰু সঁচা মৰম ।
দিছিলো উজাৰি মই হিয়াৰ মৰম
তুমি জানিও নাজানা
তুমি বুজিও নুবুজা
আশাৰ ৰাজিঘৰ সাজিছিলো যতনে
কাল ধুমুহাই ভাঙি নিলে হঠাতে
মাথো থাকি গল মোৰ স্মৃতি ।
জোনাক নিশাৰ কোমল পোহৰ ।
ৰাতিৰ এন্ধাৰ মই প্ৰিয় কৰি ললোঁ
মধুৰ সপোন মই পাহৰি পেলালো ।
মাথো নিগৰি আছে মোৰ দুখৰ চকুলো
কিয় দুখৰ বেদনা মই সহিব নোৱাৰোঁ
জোনাক নিশাৰ কোমল পোহৰ ।

— × —

## মোৰ প্ৰেম

শ্ৰীনিপন গোস্বামী
স্নাতক ২য় বৰ্ষ (কলা)

তুমি কোন ?
মই নাজানোঁ।
তুমি আহিছিলা মোৰ হৃদয়ত
মই নজনাকৈ।
এটি অবুজ ভাষা হৈ
গোপনে বুকুৰ কোঁহে কোঁহে
তুমি আছিলা
শৰীৰৰ প্ৰত্যেক শিৰা উপশিৰাই
তুমি বৈ গৈছিলা
এখন নদী হৈ।
সেউজীয়া সপোন তুমিয়েই ৰচিছিলা
মোৰ নয়ন প্ৰান্তত
কিন্তু অজানিতে কিয়
ফাগুনৰ প্ৰচণ্ড ধুমুহা হৈ গলা
শাওঁনৰ বাৰিষাৰ সৃষ্টি কৰিলা
মোৰ দুচকুত।
কোনে বাৰু উদঙাই চাব
সৰাপাতে ঢাকি থোৱা
তুষাৰী শিলৰ মাজেৰে বৈ থকা
হৃদয় উপত্যকাৰ নিজৰা
মোৰ অন্তৰ্শীল প্ৰেম।

— x —

## —প্ৰতিজ্ঞা—

শ্ৰীতপোধন দাস
স্নাতক ১ম বৰ্ষ (কলা

সহস্ৰ ভুলেৰে প্ৰতিষ্ঠিত
মোৰ সহস্ৰ প্ৰতিজ্ঞা।
সমগ্ৰ হিয়াৰ অনুভূতি সনা
সঞ্চিত আছে বহু আশা
আছে মোৰ হৃদয়ত এখন
অশ্ৰুৰ বিশাল প্ৰশান্ত।
প্ৰতিশ্ৰুতি আছে তাত
দিবৰ বাবে।
প্ৰতিদান তাত মিছা।
সৰ্বোচ্চ উচৰ্গি দিয়াৰ পাছতো
সাগৰ শুকুৱা দেখিবা।
দুখৰ উদ্যানত চকুৰ পানীৰে
সজীৱ কৰি তোলা ফুলজুপি দেখি
এপাহিও নিচিঙিবা।
মোৰ এই কণমানি হিয়াত
বেদনাৰ অগ্নিশিখা সিঁচি দিলে কোনে।
সেই অগ্নিশিখাৰেই মোৰ
সমগ্ৰ হিয়া
দহি দহি পমি যায়
এক লোকান্তৰত।

— x —



## আজলী গোলাপ

শ্ৰীজয়ন্ত বড়া
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

সেউজী পাতৰ
ওৰণি ফালি,
উদঙালা তোমাৰ
কোমল উঠন দেহ,
হৃদয়ত জাগিছে মোৰ
দিয়া দিয়া স্নেহ,
লম যেন তোমাৰ
মৰম আকোৱালি,
এবাৰ মাথো কোৱা
মোক প্ৰিয়তম বুলি॥

তোমাৰ সুৰত
সুৰ মিলাই,
গাম দুয়ো প্ৰেমৰ
গলিতা জ্বলাই,
যাম দুয়ো মিলি
নিয়ৰৰ ৰূপালী
এবাৰ মাথো কোৱা
মোক প্ৰিয়তম বুলি॥

আছেনে (?) বাৰু মোৰ
কপালত লিখা,
জ্বলাবানে (?) বাৰু মোৰ
হৃদয়ৰ শিখা,
কোৱা মাথো মোক
মন প্ৰাণ খুলি,
এবাৰ মাথো কোৱা
মোক প্ৰিয়তম বুলি॥

—০০০—

## বঙা কলিজাৰ ফুল

শ্ৰীঅসীম চমুৱা
অতিথি শিল্পী

মোৰ............
প্ৰেম আৰু বিশ্বাসৰ মৃত্যুত
যেতিয়া মই কাতৰ আৰ্তনাদ কৰোঁ
সপোনতেই মোৰ
কলিজাটোৰ একাষ
চেঁচা পৰি যায়,
তাৰ পিছত,
ক'লা পৰি যায়।
তেতিয়া—
বিভিন্নাই মাতিলেও
কোনেও শুনা,
কাকো বিচাৰি নোপোৱা
কোনোবা অচিন ঠাইলৈ
গুচি যাবৰ মন যায় মোৰ
এই আধা বঙা কলিজাটোৰে।
তাত,
এডোখৰ সাকৰা মাটি চাই
কই থ'ম মোৰ এই
আধা বঙা কলিজাটো
য'ত এডাল গছ হ'ব,
য'ত এটা বঙা ফুল ফুলিব
ঠিক মোৰ কলিজাটোৰ দৰে বঙা।
মই, হয়তো
কোনোবা তৰাৰ দেশৰ পৰা
চাই ৰ'ম... ...।
কোনে খোজে... ....
'দিয়া মোক তোমাৰ কলিজাৰ একাষ।"

—০—



## তোমাৰ বাবেই সকলো

(এটি প্ৰেমৰ কবিতা)

শ্ৰীশ্যামন্ত শৰ্মা
উঃ মাঃ ২য় বৰ্ষ

মই তোমাৰ দেহ, মন-শৰীৰ
সকলো হব খোজোঁ।
হব খোজোঁ তোমাৰ
হৃদয়ৰ ৰাজকুমাৰ

ত্যতঃ তোমাৰ বাবেই মই
সমৰ্পিত কৰিছো মোক,
মোৰ শৈশৱ, যৌৱন আৰু
জীৱনৰ বাকী নিৰালম্ব দিনবোৰ!

ত্যতঃ তোমাৰ প্ৰেমে মোক ভোকত অন্ন দিয়ে
পিয়াহত দিয়ে পানী
তোমাৰ মৰম নদীৰ
স্নেহ বৃক্ষৰ ছাঁত বহি
তৃপ্ত হয় মোৰ হৃদয়।
জুৰ পৰে মোৰ মন।

ত্যতঃ তুমিয়েই মোৰ সকলো
আশা, প্ৰেৰণা
মোৰ অনাগত ভৱিষ্যতৰ
সোণালী, জোনালী কল্পনা
ইচ্ছা কৰিলেই তুমি মোক লৈ যাব পাৰা
তোমাৰ বাবে
যলৈকে বিচাৰা তালৈকে
তোমাৰ বাবে মই
ভাঙি দিব পাৰোঁ
সমাজৰ সকলো আইন
গণতন্ত্ৰৰ স্বেচ্ছাচাৰি একনায়কত্ববাদী সংবিধান

স্পষ্টতঃ তোমাৰ বাবেই
মই সকলো কৰিব পাৰোঁ
জ্বলি যাব পাৰোঁ
গুলী খাব পাৰোঁ
তুমি বিচাৰিলেই অস্ত্ৰোপচাৰ কক্ষত
খুলি দেখুৱাব পাৰো মোৰ হৃদয়
যদি চাব খোজা, চাব পাৰা তাতে
কিমান প্ৰেম লুকাই আছে
কেৱল তোমাৰ বাবে... ... ...

—০—

## — অন্তৰ্দণ্ড —

অধ্যাপিকা কুসুমী দেৱী

মই অন্তৰ্দণ্ডত ভুগি আছোঁ //
সংঘাতে অট্টহাস্য কৰা মোৰ জীৱনত /
বহুবাৰ যোগ বিয়োগ অংক কৰিলোঁ /
হাৰি হাৰি জিকাৰ ব্যৰ্থ প্ৰচেষ্টাৰে । /

// মই অন্তৰ্দণ্ডত ভুগি আছোঁ // দুখৰ অশ্ৰু গংগাত স্নান কৰি কৰি / জীৱনক আৰু বুজিবৰ চেষ্টা কৰোঁ গভীৰ ভাবে / বাৰে বাৰে নিজকে বুজি দিব খোজোঁ —'একো নিবিচাৰোঁ' / কিন্তু নোৱাৰোঁ / এটা প্ৰয়োজনে আন এটা প্ৰয়োজনক সম্ভাষণ জনায় / কি কৰোঁ / মোৰ জীৱন দৰ্শন সলনি কৰি লওঁ নেকি // অন্তৰ্দণ্ডত ভুগি আছোঁ // সৎ জীৱনত মই কি পালোঁ / গান্ধীবাদে মোক বাৰে উটুৱাই দিছোঁ প্ৰয়োজনৰ বানপানীত দুখৰ বোজাবোৰ / নাই, পানী কমা নাই. বাঢ়িয়ে আছে, বিপদ সীমাৰ ওপৰেৰে বাগৰি আছে / মাজে মাজে সাহায্য আহে সম্বৰ্দ্ধনাৰ বিছুৰে সৰাহে 'ফুলাম গামোচাৰ' // সেয়ে মই অন্তৰ্দণ্ডত ভুগি আছোঁ // কি কৰোঁ— আত্মহত্যা নে আত্ম-দৰ্শন হত্যা নে প্ৰয়োজনৰ হত্যা / বাৰে বাৰে নিজকে বুজনি দিব খোজোঁ — / একো নিবিচাৰোঁ / যি আছে সেয়া মোৰ বৰ্তমান, যি নাই সি অতীত বুলি ধৰি ললে হয়তো প্ৰয়োজনবোৰ ভৱিষ্যতে মোৰ পৰা পলাই ফুৰিব ! / ফুৰিবনে ? / হয়তো দিবা স্বপ্নক প্ৰয়োজনবোৰে আত্মবিশ্লেষণ কৰিব । /

—OO—



## বিশ্বজ্যোতি

শ্ৰীহৰকান্ত কলিতা
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

O লক্ষ্যহীন পথৰ মোৰ
কক্ষপথ নেজানোঁ
বৃত্তাকাৰ নে উপবৃত্তাকাৰ
হঠাতে পালোঁ সিদিনা
'উত্তৰ গুৱাহাটী কলেজ' মোৰ ।
ক্লান্ত পথিক নহওঁ মই
তথাপিওঁ,
জিৰাব খোজোঁ এখন্তেক,
ছত্ৰ ছায়াত তোমাৰ ।

OO বিশ্বজ্যোতি !
জ্যোতিৰ একক মই নেজানোঁ,
পদাৰ্থ বিজ্ঞান বিভাগ আছে,
জুখিবলৈ পাৰিব ?
আজিলৈকে তুমি
কিমান জ্যোতি বিলালা
আমাৰ মাজত ।

OOO নাম তোমাৰ জানোঁ
এখন সক ঠাই,
ইতিহাস প্ৰসিদ্ধ ।
নাম তোমাৰ জানোঁ
জ্যোতিৰ ভোটাতৰা,
লুইতৰ পাৰ উজলোৱা ।

OOOO বিশ্বজ্যোতি !
পুখুৰীৰ পানীত,
তোমাৰ জ্যোতিৰ
প্ৰতিফলন নে প্ৰতিসৰণ হয় নেজানো,
সৎ নে অসৎ, তাকো নেজালো,
কিন্তু !
প্ৰতিবিম্ব গঠন হবই যছৰি ।

OOOOO বিশ্বজ্যোতি !
ভয় অৱশ্যে নাই
'জ্যোতিয়ে বিক্ষিপ্ত কৰিবই এদিন'
কাৰণ ?
বিদায় মানেইতো
'আশীৰ্বাদ' আৰু
পুণৰ লগ পোৱাৰ "প্ৰতিশ্ৰুতি" ।

—O=

## —শাশ্বত সঙ্গীত—

শ্ৰীকণুমী ভৰালী
স্নাতক ২য় বৰ্ষ (কলা)

মই এটা গীত গোৱাৰ কথা ভাবিছোঁ
আকাশ এনেদৰেই থাকিব
নদী নিজৰা পৰ্বত পাহাৰ
জোন বেলি তৰা
আৰু মানুহৰ সংগোপন হিয়া ।

শব্দবোৰ বুটলি আনিম কলিজা ভেদী
সকলোৰে কলিজাত এতিয়া শুই থাকে জোনকী শব্দ
মাথো সাৰে থাকে মানুহবোৰ
দেশৰ সৈনিকৰ দৰে পাৰ হয় উজাগৰী ৰাতি
হাতত, বুকুত, মনত আৰু ভীৰ্থাৰ কাঁড় ডালত
শব্দহীন তেজৰ ফুলজাৰি ।

সুৰ বিচাৰি সোমাই যাম বকুল বনত
বকুল কথাৰে গাঁথিব পাৰি ক্ৰান্তিকালৰ জুমঠি
বকুল অনন্ত, অঙ্কুৰিত হয় মানুহৰ গৰ্ভত
গৰ্ভ বিদাৰি বকুল হৈ থাকে সময়ৰ ডেউকা হৈ
হেঁপাহৰ মাজুলীলৈ ।

কণ্ঠৰ কথা ভাবিলে এতিয়াও সৰি পৰে জোনাক
( আমাৰ সকলোৰে কণ্ঠত থাকে জোনাক )
পাৰ হৈ দুখৰ দুপৰ ৰাতি
থপিয়াই আনিম হোৰোৱা ক্ৰান্তি
তাৰ পিছতেই —
থোপা থোপে সৰি পৰিব সুহৃদ দিনৰ শেৱালি ।

—x—



## অশ্লিলতাই আমনি কৰা নিশাবোৰত

শ্ৰীদিগন্ত ডেকা
প্ৰাক্তন ছাত্ৰ

অশ্লিলতাই আমনি কৰা নিশাবোৰত
শুক্ৰহীন চিন্তা আৰু যুক্তিয়ে উজুটি খাই পৰে তাইৰ কাষত
গৰ্ভৱতী আকাশৰ কথা মই শুনো আৰু
স্বাদ লওঁ সিইঁতৰ
সুৰভীৰে দোৰোল খাই পৰা দেহৰ
তুমি, মই আৰু আমি এনেকৈয়েই জীয়াই আছো
শীতৰ কুঁৱলি সনা অস্তিত্বাম দিপ্তী গোন্ধেৰে গোন্ধিত
নিশাবোৰত
তাইৰ বেদনা সিক্ত কলিজাৰ সেউজ স্পন্দন
মোৰ মাধ মেৰে ভূমিস্থ হয়,
তেতিয়াই শ্লিলতা আৰু অশ্লিলতাৰ প্ৰভেদ ভঙা
শব্দবোৰ বিলুপ্তি ঘটে
বিলুপ্তি ঘটে শ্লিলতা আৰু অশ্লিলতাৰ সন্তানবোৰৰ ।
প্ৰান্তৰ শেৱালী সৰা সময় বোৰত
জন্ম হয় মোৰ অশ্লিল কবিতাৰ ।

—x—

## স্বৰ্ণজয়ন্তী স্বাধীনতা দিৱসৰ উপলব্ধি

শ্ৰীদিপ্তী দাস
স্নাতক ১ম বৰ্ষ ( কলা )

আজি আমাৰ দেশৰ পঞ্চাছতম স্বাধীনতা দিৱস,
এই পোন্ধৰ আগষ্টৰ দিনা হ'ল।
ক'ত ক'ত দেশ প্ৰেমীয়ে দেশৰ স্বাধীনতাৰ কাৰণে
কিমানে প্ৰাণ আহুতি দিলে।
স্বাধীন বতাহ, স্বাধীন জীৱন পাবলৈ কিমানে,
মৃত্যুৰ লগত খেলিছিল—
ভাবিলে কপি উঠে দেহ মন ;
কিন্তু আজিও সেই একেই দশা,
সেই সাতচল্লিছ চনৰ আগৰ দৰে
মৃত্যুৰ লগত খেলিছে এই
পঞ্চাশ বছৰে
স্বাধীন হৈয়ো 'পৰাধীনৰ দৰে'
কি পালো আমি—
হত্যা, অত্যাচাৰ, ধৰ্ষণ, লুণ্ঠন এইবোৰ ?
কিমান ডেকাই প্ৰাণাহুতি দিয়াৰ মূল্য ক'ত ৰ'ল ?
স্বহীদ, স্বাধীনতাৰ পৰিণতি
এয়াই নেকি ?

—x—



## ঃঃ আত্মঃকলহ ঃঃ

শ্ৰীমীনাক্ষী শৰ্মা
স্নাতক ২য় বৰ্ষ ( কলা )

আসুৰিক পৃথিৱী, চদ্মবেশী মনুষ্য
ফোপোলা মনৰ নিৰ্বাস
আনৰ জীৱনৰ মূল্যনো কি ?
নিজে জিয়াম, আপোনক সজীৱ চাম
নিৰ্দ্দয়তাৰ ভাম্ৰধাৰা—ইচ্ সহ্য নহয়।

কি বাক্য কৰিম, কাক উক্ত দিম ?
সকলোযে উন্মাত্ত আওকণীয়া শ্ৰৱণকাৰী
নৰপশুৰ প্ৰকৃত ৰঙৰ ভু-পাই.
চকুত স্বাৰ্থ দেখি, কথাত আখেত শুনি, কাৰ্য্যত ভীৰতা অনুভৱ কৰি
মানুহ কি জানিলো—ইচ্ সহ্য নহয়॥

অনাৰ্থক সকলো ভাৱনা, শক্তি. শিক্ষা, ভাষা····· ····· ····
বিশ্ব উন্নতিৰ পথত ? ই কোৱাৰহে কথা
এক নিৰ্বোধ অনুসন্ধানত সকলোযে হেৰাল—স্নেহ, দয়া, মমতা······
—ইচ্ সহ্য নহয়।

—O—

## প্ৰজ্ঞা ॥

শ্ৰীহিতেন ভট্টাচাৰ্য্য
অধ্যাপক-অসমীয়া বিভাগ

"যজ্ঞোহনৃতেন হৰতি তপঃ ক্ষৰতি বিস্ময়াৎ।"
—মনু/৪

তপস্যাৰ চৌপাশে অশ্বাৰোহীৰ
বিপুল শব্দত
নীৰৱতাই হাহাকাৰ কৰে
বাগৰি আহে কল কল ৰৱে
ভাৰত মহাসাগৰৰ উপকূল ভৰা
সিন্ধুৰ ইতিহাস শিলাৰ কৰ্পন
যাব যায় হিমালয়ৰ পাদদেশত,
মন্ত্ৰধ্বনি উঠে প্ৰতিবাব
মাথো সত্য আৰু তপস্যাৰ
নতুন নৈমিষাৰণ্যত।
বৃদ্ধ এগৰাকী লগ পালো
যমুনা নে সৰস্বতীৰ পাৰে পাৰে
যাত্ৰা কৰা প্ৰভাস তীৰ্থৰ স্নান ঘাটত।
কণ্ঠৰোধ বৃদ্ধ হেনো নম্ৰম শতিকাৰ
পৰা ধাৱমান
প্ৰদীপ্ত মুখৰ হাঁহিৰে এতিওঁও—
কণ্বৰ আশ্ৰমৰ নজীৰতাৰে
তুলিকা বোলাই যোৱা
সজল দৃষ্টিৰে জীৱন্ত।
ভেওঁৰ এয়া সনাতন শিল্পৰ কামনা
কাৰ বাবে, কাৰ বাবে উদ্বেলিত
এই অভিযান।
সত্য, প্ৰেম আৰু অনুভূতিৰ মোহনাত
পুৰাতন পৃথিৱীৰ সূৰ্য্যালোকত
উদ্ভাসিত আমাৰ যন্ত্ৰণা, আমাৰ বেদনা।
নীলাভ কবটিত আমাৰ উত্তৰ আছে—
কন্যাকুমাৰীৰ পৰা কৈলাস শিখৰলৈ
পৰিব্যাপ্ত শব্দৰ ধ্বনিত
উচ্চাৰিত সন্নিধানে
কাকলি কণ্ঠত সোঁৱৰাব—
এখনি শুধ বগা শুভ্ৰ আকাশ।
মুখামুখি হ'ম তাৰ
মহিমাৰ অনন্ত ৰূপত
চমৎকাৰ এই শীতলতা।

—০০০—



## — আপোনাৰ প্ৰশ্ন মোৰ উত্তৰ —

১। মঃ আমিনুল হ'ক— স্নাতক ২য় বৰ্ষ (কলা)
—সম্পাদক ডাঙৰীয়া, আমি সৰ্বসাধাৰণ মানুহবোৰ সক সক কেলেংকাৰিত পৰাটো স্বাভাৱিক। কিন্তু আজি সমাজ তথা দেশৰ গণ্য মান্য, ৰথী মহাৰথীসকল, কিয় আলু, ঘেহু, ইউৰিয়া আদি সক সক বস্তুৰ কেলেংকাৰিত জড়িত ?
উঃ— শগুণ যিমানে ওপৰলৈ নেযাওক কিয় তাৰ চকু সদায় গেলা-পচা বস্তুৰ ওপৰত থাকে।

২। শ্ৰীধনালী ভৰালী, স্নাতক ১ম বৰ্ষ (বিজ্ঞান)
—ডাঙৰীয়া, মই জনাত আপোনাক এজনী ছোৱালীয়ে ভাল পায় আৰু আপুনি অসন্মত হলে তাই হেনো আত্মহত্যা কৰিব। আপুনি কি কি কৰে এতিয়া ?
উঃ— অহা ৰবিবাৰে মোৰ ডাঙৰ ল'ৰাজনৰ ৱাৰ্ডদে। সিদিনাই মোৰ ৰুমলৈ লৈ আনিবাচোন, মোৰ অচিন প্ৰেয়সীক, চিনাকি হ'ম ভালকৈ।

৩ শ্ৰীশামন্ত শৰ্মা, উঃ মাঃ ১ম বৰ্ষ (কলা)
—সম্পাদক ডাঙৰীয়া উত্তৰ গুৱাহাটী মহাবিদ্যালয়খন যদি অসম বুলি ধৰা হয়, আমাৰ অধ্যক্ষ মহোদয়ক যদি মুখ্যমন্ত্ৰী বুলি ধৰা হয়, তেন্তে আপোনাক কি বুলি ধৰো ?
উঃ— কিয় সত্যনিষ্ঠ সাংবাদিক।

৪। শ্ৰীদিপাংকৰ বেজবৰুৱা, স্নাতক ১ম বৰ্ষ (বিজ্ঞান)
ডাঙৰীয়া পৃথিৱীৰ সকলো মানুহৰে পছন্দবোৰ একে হলে কি হব ?
উঃ— তোমাৰেই আটাইতকৈ বেছি ক্ষতি হব কিজানি।

৫। শ্ৰীনিজৰা শইকীয়া, উঃ মাঃ ১ম বৰ্ষ (কলা)
—ডাঙৰীয়া, আপুনি গোফ কোচা কিয় ইমান ডাঠ আৰু দীঘলকৈ ৰাখে ?
উঃ— কেতিয়াবা মোৰ নিজৰ ওপৰতে সন্দেহ হয়—মই ল'ৰা নে ছোৱালী বুলি।

৬। শ্ৰীহেমেন বেজবৰুৱা, স্নাতক ২য় বৰ্ষ (কলা)

—ডাঙৰীয়া, প্ৰেম স্বৰ্গীয় বস্তু। প্ৰেম নহলে জীৱন সাৰ্থক নহয় হেনো। কিন্তু এই প্ৰেমেই বহুতৰ জীৱনলৈ কলা ডাৱৰ নমাই আনে কিয় ?

উঃ— ঠেকি-পৰি বুজিছে বোধহয়।

৭। শ্ৰীদীপ বড়া, উঃ মাঃ ২য় বৰ্ষ (কলা)

—ডাঙৰীয়া, আমাৰ নগ'চিয়ানৰ দশম সংখ্যাৰ ভুল ক্ৰটিখিনি আপুনি বুজিছে। আপোনাৰ একাদশ সংখ্যাটি ভুল ক্ৰটি মুক্ত হবনে ?

উঃ— কোনো লোক বা পুথিয়েই সমালোচনাৰ উৰ্দ্ধত নহয়। আমাৰ নগ'চিয়ানৰ একাদশ সংখ্যাৰ ভুল ক্ৰটিখিনি আঙুলিয়াই দিলে সুখী হ'ম।

৮। শ্ৰীসৌৰভ চৌধাৰী, স্নাতক ১ম বৰ্ষ (কলা)

—ডাঙৰীয়া, জনসংখ্যাৰ বিস্ফোৰণৰ দিন। তথাপিও তুলনামূলকভাৱে আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বঢ়া নাই কিয় ?

উঃ— যাতায়তৰ সুব্যৱস্থা আৰু ছাত্ৰ বাসৰ অভাৱেই প্ৰধান কাৰণ বুলি মই ভাবো।

৯। শ্ৰীহেমেন মেধী, স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

—সম্পাদক ডাঙৰীয়া, কিছুমানে বন্দুকক ভয় কৰে, কিছুমানে কলমক ভয় কৰে। আপুনি যাক কিহলৈ ভয় কৰে ?

উঃ—কিছুমানে যে চকুৰ পানীকো ভয় কৰে নকলে দেখোন!

১০। শ্ৰীসুৰজ কুমাৰ স্নাতক ২য় বৰ্ষ (কলা)

— সম্পাদক ডাঙৰীয়া, ১৯৬২ চনত স্থাপিত আমাৰ মহাবিদ্যালয়খনে ৩৬ বছৰত ভৰি দিলে। কিন্তু আমাৰ নগ'চিয়ানৰ এতিয়াহে একাদশ সংখ্যা প্ৰকাশ হয়। প্ৰতি বছৰে আমাৰ নগ'চিয়ানৰ সংখ্যাবোৰ প্ৰকাশ হোৱা নাছিল। ইয়াৰ কাৰণ উন্নত মানদণ্ডৰ লিখনিৰ অভাৱ নে প্ৰয়োজনীয় পুজিৰ অভাৱ ?

উঃ—হয়োটাৰ এটাৰো অভাৱ নাই বুলি প্ৰমাণ কৰিলো। অভাৱ মাথো সম্পাদক সকলৰ দায়িত্ববোধ আৰু কৰ্তব্যবোধৰ।

—x—

# জুলাইৰ এনিশা

শ্ৰীবিনিতা সিংহা
স্নাতক ২য় বৰ্ষ

দেউতা ভাত খাওকহি বুলি নীলিমাই মাত দিয়াতহে চকামকাকৈ সাৰ পালো। চকী খনত বহি বহি কেতিয়ানো টোপনি গলো কবই নোৱাৰো। মোৰ সন্মুখৰ চকীখনো শূন্য। তাৰমানে ঠাকুৰীয়াও গলগৈ মোৰ টোপনি অহা দেখি। নীলিমা আহি গাৰ কাষতে বহিহি আৰু সুধিলে 'দেউতা আপোনাৰ গা বেয়া নেকি ? বলক সোনকালে ভাতকেইটা খাই শুই থাককগৈ ..... ..... এৰা ঠিকেই, সোনকালে শুই থকাই ভাল। ডাক্তৰেও পৰাপক্ষত বেইত থাকিবলৈ কৈছে। বয়সো হ'ল, আজি কালি চকুৰেও কমকৈ দেখা পাওঁ। নীলিমায়ো মনতে কষ্ট পাব মই যদি বেইত নাথাকো! ভাত খাই আহি বিচনাতে পৰিলো। কিন্তু মই আজি শুব পৰা নাই কিয় ? মনৰ ভিতৰত কিহবাই যেন উচপিচাই আছে। যেন ধুমুহাৰ শীতল বতাহে বলিছে। কিয় জানো আজি ঠাকুৰীয়'ৰ লগতো ভালদৰে কথা পাতিব পৰা নাই। গধুলিৰ লগে লগে ঠাকুৰীয়া ইয়ালৈ সদায় আহে। নীলিমাৰ চাহৰ লগতে আমাৰ কথাৰ মহলো বাঢ়ি যায়। এসময়ত তেওঁ সদায় যাবলৈ ওলাই আৰু মই আগবঢ়াই থৈ আহোগৈ। ছেঃ তেওঁ চাগৈ আজি মোক বেয়াই পালে। কিন্তু তেওঁনো মোৰ মনৰ অৱস্থাটো বুজা নাইনে ? এঃ নাই নাই বেয়া নিশ্চয় নাপাই তেওঁতো মানুহহে। তেওঁও এজন অভিজ্ঞ লোক।

উশ্‌ক, বৰ গৰম লগাত খিৰিকীখন খুলি দিলো। বাহিৰত ফট্‌ফটীয়া জোনাক। আঠুৱা খনৰ বাহিৰলৈ আহি জোনটোকে চাই থাকিলো।

কিয় জানো প্ৰত্যেক বছৰেই এই দিনটো আহে আৰু মই অস্থিৰ হৈ পৰো। মোৰ মনত প্ৰবল ধুমুহাৰ সৃষ্টি হয় আৰু কাৰোবাৰ প্ৰতিশোধৰ বাবে যেন উগ্ৰ হৈ পৰো। এনে ভাব হয়।

দহ জুলাই! এৰা আজি প্ৰায় চাৰি বছৰ আগৰ দহ জুলাই, যিদিনাখন আছিল মোৰ পৰিয়ালটোৰ অন্তিম সুখৰ দিন। যি দিনাখন আছিল মোৰ ৰাজুৰ জন্মদিন। ৰাজু মোৰ একমাত্ৰ সন্তান প্ৰতীমৰ চাৰিবছৰীয়া ল'ৰা, মোৰ চকুৰ মণি, আইতাকৰ আলাসৰ লাড়ু আৰু মাকৰ আঁচলৰ ধন।

আজি ৰাজুৰ জন্ম দিন। বেছি ডাঙৰকৈ পত্তা নাই যদিও ঠাকুৰীয়াহঁতৰ ঘৰখন আৰু প্ৰতীমৰ দুই চাৰিজন বন্ধুক মতা হৈছে। ৰাজুৱে মামু, মিতুহঁতৰ লগত বাৰ্থডে প্ৰেজেণ্ট-বোৰেৰে খেলি আছে। তাৰ আজি বৰ ফুৰ্তি লাগিছে। একেলগে বহুত প্ৰেজেণ্ট পাইছেতো। কোঠাটোৰ ইফালৰ পৰা সিফাললৈ অহা যোৱা কৰি আছে। এবাৰ যদি পাকঘৰলৈ লৰ মাৰে, এবাৰ আহি মোক কয় "ককা

চোৱাচোন, বকৰা আংক'লে মোক ইমান ধুনীয়া বেলগাড়ী দিছে।" যথা সময়ত কেক্ কটা হ'ল, পাৰ্টিও শেষ হ'ল। সকলো গলগৈ। বাজু বহুতপৰ আগেয়েই শুলে। গোটেই দিনটো ধপলিয়াই ধপলিয়াই তাৰ চাগৈ ভাগৰ লাগিছে। আমি শুবলৈ ওলাইছিলোহে, তেনেতে কলিং বেলটো বাজি উঠিল। দুৱাৰখন খুলিবলৈ ময়েই গলো। আনসময়ত আইতাকে নহলে নীলিমাইহে খুলে। আজি মই লাখুটি-ডাল এইটো কোঠাৰে এবিধৈ বিচাৰি ফুৰিছিলো। বহুদিন আগতে হোৱা এটা এক্সিডেণ্টৰ কাৰণে হোৱা ফ্ৰেকসাৰৰ বাবে লাখুটিডাল বৰ দৰকাৰ হয়। নহলে খোজকাঢ়োতে বৰ কষ্ট হয়। দুৱাৰখন খুলি দিয়াৰ লগে লগে দুজন মানুহ সোমাই আহিল। মই কিবা সোধাৰ আগতে অলপ শকত কানুহজনে কলে যে চাৰৰ লগত অলপ জৰুৰী কথা আছিল, চাৰক মাতি দিয়ক (চাৰ মানে প্ৰতীম, সি চি, আৰ্ট, ডি ব্ৰাদাৰ্সৰ এজন ডাঙৰ বিষয়াতো…) ইতিমধ্যে আইতাকে দুৱাৰখন খুলিবলৈ বুলি আহিছিল। প্ৰতীমেও তক কোনোবাই বিচাৰি অহা বুলি জানি লৰালৰিকৈ ভিতৰৰ কোঠাৰাৰ ওলাই আহিছিল। তেনেতে বাৰ ওৰ পৰা হঠাৎ আৰু দুজন মানুহ সোমাই আহিল। তেওঁলোকৰ হাতত দুটা মেচিনগান আছিল সোমাই আহোতে তাৰে এজনে ঠেলামাৰি মোক বগৰাই দিলে। মই সিটো চুকত থকা চোকাখনৰ কাষতে ধপুচকৈ পৰিলোগৈ। আৰু সিহঁতে কি কৰিলে। প্ৰতীম আৰু প্ৰতীমৰ মাকক তেজেৰে বাউলী কৰি পেলালে দেখোন। লাগবান্ধ নোহোৱাকৈ বিনাদোষত সিহঁতে কিয় গুলিয়াব? মই খুউব জোৰে চিঞৰি চিঞৰি বাধা দিলো কিন্তু শুশুনিলে। কুঁকালত থেকেচা খোৱাৰ বাবে মই উঠিবও নোৱাৰিলো। ভিতৰৰ পৰা নীলিমা দৌৰি আহিল আৰু তাই যি দেখিলে তাৰ বাবে তাই অপ্ৰস্তুত আছিল। তেজ দেখি ফিট্ হৈ গ'ল। হতবম্ভ হৈ গলো, কি কৰে একো ভাবি নাপালো। হাতৰ কাষতে পোৱা ফুলদানিটো সিহঁতৰ গালৈ যিমান জোৰে পাৰো মাৰি পঠিয়ালো। সিহঁত ইতিমধ্যে দৌৰ মাৰি বাহিৰলৈ গৈছিল, ফুলদানিটো প্ৰতীমক গুলী মৰাজনৰ মুৰতে ট কৈ খুন্দা খালে। সি লগে লগে মোলৈ বুলি গুলি দুজাই এৰিছিল। কিন্তু এইয়া কি হ'ল, গুলী মোৰ সলনি বাজুৰ গাতহে লাগিল। সি ইমান চিঞৰ বাখৰ আৰু গুলীৰ শব্দত ... খই কোঠাৰ পৰা দৌৰী আহিছিল আৰু লগে লগে তোজৰে লুতুৰি পুতুৰি হৈ গল ... ..... হায় হায় কি হৈ গল কেনে নিষ্ঠুৰ ইহঁত। এই ফুলকুমলীয়া ল'ৰাটোকো নেৰিলে মোৰ ইমান দিনৰ সুখৰ সম্পদ কাঢ়ি নিলে ইমান তৎক্ষণাত চকুৰ পচাৰতে ঘৰখন মৰিশালী কৰি গুচি গল। সিহঁতৰ মনত অলপো দয়া মৰম নাইনে, সিহঁতৰ মাক দেউতাক ভায়েক ভনীয়েক নাইনে. সিহঁতৰো ঘৰ সংসাৰ নাইনে ..... ছিঃ ছিঃ ইমান নিষ্ঠুৰ ... মোৰ এটা এটাকৈ সাচি থোৱা সপোনবোৰ তেজেৰে বাউলী কৰি গুচি গ'ল" ... হায় কি হৈ গ'ল ... —।

জোনটো চাওঁতে চাওঁতে ধুৰঁলি কুঁৱলি হৈ গ'ল। বতাহত খিৰিকীখনৰ পৰ্দাই মোৰ মুখত কোবাওতে চকুকেইটা জাপ খাই গ'ল। আৰু লগে লগে দুটোপাল তপত চকুলো কৰ নোৱাৰাকৈয়ে বাগৰি গ'ল। এতিয়াহে জোনটো পৰিস্কাৰকৈ দেখা পাইছো। আকাশৰ তৰা কেইটাও দেখিছো। কিয় জানো আজি জোনটোক নীলিমাৰ দৰে লাগিছে নীলিমাও জোনটোৰ দৰে জঠৰ হৈ এই বিশাল ঘৰটোত মোৰ লগতে আছে। "এই বিশাল ঘৰটোত এতিয়া তাই আৰু মই দুটা মেচিন হৈ ৰৈ গলো, য'ত চলাফুৰা কৰাৰ শক্তি আছে কিন্তু প্ৰাণ নাই।"

সঁচাই জোনটো একেবাৰে নীলিমাৰ দৰে লাগিছে। নীলিমাৰ দৰে তাইয়ো আজি বিধৱাৰ সাজযোৰ পিন্ধি আকাশৰ ক'লা বাকৰৰ মাজত ওলমি আছে, বাৰুদ আৰু তেজৰ চেকা লগা সেই বগা সাজযোৰ পিন্ধিয়েই আকাশৰ মাজত ওলমি আছে .... এতিয়ালৈ ওলমি আছে ... — .... !!

—০—

---

: কৌতুক :

ধীৰাজ বৰা, স্নাতক ১ম বৰ্ষ

—কলেজত ধুনীয়া ছোৱালীজনীৰ লগত পৰিচয় হোৱাৰ আশাৰে ল'ৰা এজনে সুধিলে—

—হেৰা শুন্টি, তোমাৰ ঘৰ পুঠিমাৰীত নহয় জানো?

—ওঁহো।

—চোৱাচোন, তোমাৰ আৰু মোৰ কিমান মিল, মোৰো ঘৰ পুঠিমাৰীত নহয়।

# এটা পুৰতি নিশাৰ সপোন

শ্ৰীসমীন বেজবৰুৱা
একাদশ ( বিজ্ঞান )

হাতৰ ঘড়ীটোলৈ পুনৰবাৰ চাই এইবাৰ প্ৰণয় কিছু অস্থিৰ হৈ পৰিল। দুখ আৰু কষ্টৰে এক উদাৰ সুৰ তাৰ মুখত পৰিপুষ্ট। সাত বাজি দহ মিনিট পাৰ হ'ল কিন্তু গুৱাহাটীলৈ যোৱা বাছখন এতিয়াও আহি পোৱা নাই। এই বাছতে প্ৰণয়ে যাব ওলাইছে দুখৰ সকলোবোৰ বেছ ভেদ কৰি এধানিমান সুখৰ সন্ধানত সুদূৰ গুৱাহাটী চহৰলৈ। হঠাৎ বাছখন অহা দেখি পোৱাত প্ৰণয়ে উঠিবলৈ আগবাঢ়ি গ'ল।

ৰাতিপুৱাৰ বাছ। সেয়েহে মানুহ স্বাভাৱিকতে কম। এখন খালী আসন দেখা পাই প্ৰণয়ে তাত বহি পৰিল আৰু খিৰিকিৰে বাহিৰৰ গছ-গছনিলৈ চাই পঠিয়ালে। এৰি অহা গছবোৰৰ দৰে যেন পাৰ হৈ গৈছে তাৰ অতীত। দুখ আৰু কষ্টৰ মাজতো জীয়াই ৰখা তাৰ মধুৰ সপোনবোৰ। সি ভাৱসাগৰত বুৰ গ'ল।

পোনতে প্ৰণয়হঁতৰ ঘৰখনত সুখ শান্তিৰ এক অদ্ভূত সংমিশ্ৰণ আছিল। মাক দেউতাকৰ সৈতে বায়েক মালতী আৰু প্ৰণয়ে সুখেৰে দিন নিয়াইছিল। হঠাৎ প্ৰণয়হঁতৰ জীৱনলৈ এক অন্ধকাৰ নামি আহিছিল আৰু অন্ধকাৰত সকলোবোৰ একাকাৰ হৈ গৈছিল। প্ৰণয়ৰ দেউতাক সিহঁতৰ গাওঁৰ এল, পি স্কুলৰ শিক্ষক আছিল। সেই অভিশপ্ত দিনটোৰ কথা প্ৰণয়ৰ আজিও ভালকৈ মনত আছে।

বহাগ বিহুলৈ মাথো দুটা দিন বাকী। সেইদিনা আছিল ৰবিবাৰ। দেউতাক পুৱাতে বজাৰলৈ গৈছিল। বায়েক মালতী আৰু মাকে বিহুৰ জোৱাত ব্যস্ত। দহ বছৰীয়া প্ৰণয়ে আগচোতালত বহি ঢোলৰ মাৰি এডাল কাটি আছিল। হঠাৎ সিহঁতৰ ঘৰত দহজনীয়া সেনাৰ দল এটাৰ আৰ্বিভাৱ হ'ল। সেনাবাহিনীৰ দলটোৱে বোলে কোনো উগ্ৰপন্থীৰ খবৰ পাইছে আৰু সিহঁতৰ ঘৰত তালাচী অভিযান চলাব বিচাৰিলে। প্ৰণয়ে দউতাক মৰকা বাৰে পিচত তালাচী চলোৱাৰ কথা কলে। কিন্তু সেনাৰ দলটোৱে প্ৰণয়ৰ কথা উপেক্ষা কৰি ভিতৰলৈ সোমাই গ'ল।

যোৱা বসন্তই গৰকা প্ৰণয়ৰ বায়েক মালতীৰ ৰূপ আৰু সৌন্দৰ্য্য অবৰ্ণনীয় আছিল। মালতীক দেখাৰ লগে লগে চাৰিজন সেনাই বেঢ়ি গ'ল। মাক আৰু প্ৰণয়ে বঁধা দিয়াত বন্দুকৰ কুন্দাৰে তেওঁলোকক প্ৰহাৰ কৰিলে। মাক সম্পূৰ্ণ অচেতন হৈ পৰিল। অ, ৰ চকুৰ আগতে কাঢ়ি লৈ গ'ল বায়েকৰ পবিত্ৰতা, সতীত্ব। পবিত্ৰ ফুলপাহ মোহাৰি থৈ গ'ল চাৰিজন সেনাই। প্ৰণয়ে বহুবাৰ শেষ চেষ্টা হিচাপে ওচৰ চুবুৰীয়াক চিঞৰি চিঞৰি মাতিলে কিন্তু সমাজৰ কোনো এজন লোকে তাৰ করুণ বিননিত সহাঁৰি নিদিলে।

হৃদৰোগত আক্ৰান্ত দেউতাক বজাৰৰ পৰা ঘুৰি আহি নিজৰ ছোৱালী আৰু পত্নীৰ এই অৱস্থা দেখি নিজকে ৰাখিব নোৱাৰিলে আৰু হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰিলে। সেই সময়লৈ গাওঁৰ কোনো এজন লোকেও সিহঁতৰ পচুলি মুখত ভৰি দিয়া নাছিল। সেই দিনাৰ পৰা প্ৰণয়ে পাহৰি পেলাইছে মানৱতা নামৰ এই শব্দটো। ঘিণ উপজিছিল এই সমাজ আৰু দেশখনৰ ওপৰত। বায়েককো সমাজখনে সহজভাৱে নল'লে। ফলত নিৰাপৰাধী বায়েকে এদিন বৰলুইতত প্ৰাণ বিসৰ্জন দিলে।

এয়া হ'ল বাৰ বছৰৰ আগৰ কথা। প্ৰণয় আৰু মাকে এই ঘটনা পাহৰাই পেলাইছে এক ভয়ংকৰ সপোন ৰূপে। প্ৰণয়ে দুখ কষ্টৰ মাজতো জীয়াই ৰখা সপোন আছিল সি পঢ়ি শুনি এজন ভাল মানুহ হৈ দেখুৱাব। বাহুবলৰ দ্বাৰা নোৱাৰিলেও আইনৰ সহায়ত এদিন সি বিনাৰি উলিয়াব অন্ধকাৰৰ কাৰক সমূহক। কলুষিত আৰু অন্ধবিশ্বাসৰে আবৰা এই সমাজখনত সিচিব এক শান্তিৰ বীজ।

হঠাৎ প্ৰণয়ৰ ভাৱ সাগৰত আৰু এখন ছবি ভাহি উঠিল। হয়, এইখন ছবি পুনমৰ। সম্পূৰ্ণ নাম পুনম দাস। কলেজত ভৰি দিয়াৰ দিনা পুনমে প্ৰণয়লৈ আগবঢ়াইছিল প্ৰেমৰ এক প্ৰস্তাৱ। প্ৰণয়ে পোনতে এই প্ৰস্তাৱ নাকচ কৰিছিল। সি পুনমক কৈছিল, "মোৰ জীৱনত জ্বলা জুইকুৰা জানো তোমাৰ নীৰৱ প্ৰেমে শান্ত কৰিব পাৰিব, পাৰিব জানো? এই প্ৰেমে ধনী দুখীয়াৰ মাজৰ ব্যৱধান ক্ষীণ কৰিবলৈ? তোমাৰ দৰে অভিজাত পৰিয়ালৰ ছোৱালী এজনীয়ে জানো পাৰিব সমজৰ আগত মোক চিনাকী দিবলৈ।"

সেইদিনা পুনমে মাথো কান্দিছিল আৰু কৈছিল, "মোক এবাৰ সুযোগ দিয়া মই নাইকীয়া কৰিম ধনী দুখীয়াৰ মাজৰ পাৰ্থক্য। সমাজৰ আগতেই নহয় সমগ্ৰ বিশ্বৰ আগত মই তোমাক চিনাকী দিম তুমি মোৰ বুলি।" এয়া আছিল পুনমে প্ৰণয়ৰ আগত দাখিল কৰা প্ৰেমৰ এক ইস্তাহাৰ।

লাহে ল'হে পুনমৰ প্ৰেমত ব্যৰ্থ হৈছিল তাৰ অভিমানবোৰ আৰু এদিন পুনমক প্ৰেয়সী হিচাপে সি গ্ৰহণ কৰিলে।

কিন্তু প্ৰণয়ৰ আজি সেই প্ৰেম হৈ থকা নাই। সি এই সমাজখনৰ দৰে পুনমকো সমানে ঘিণ কৰে। বিতৃষ্ণা জাগিছিল এই প্ৰেমৰ ওপৰত। পুনমৰ সেই প্ৰেমৰ ইস্তাহাৰ প্ৰণয়ৰ মনত নিৰ্বাচনৰ আগত দাখিল কৰা এক ভুৱা ইস্তাহাৰ। কাৰণ প্ৰণয়ৰ আশাবোৰ নিৰাশাত পেলাই দুখৰ সাগৰখন উপচাই এদিন পুনমে তিনিচুকীয়াৰ ডাক্তৰ এজনৰ লগত বিয়া হৈ গৈছিল। আৰু প্ৰণয়ৰ মনত

হাবি। প্ৰকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ এই হাবি নৰহত্যাকাৰী আৰু মাংসহাৰীৰ প্ৰকোপত ভয়ঙ্কৰ হৈ পৰিছে। আমাৰ গাঁৱৰ প্ৰায় ৩০-৪০ জন মান মানুহৰ অন্তৰ্দ্ধান হৈছে। কিন্তু আচৰিত কথা এই নৰহত্যাকাৰীক এতিয়ালৈ কোনেও ধৰিব পৰা নাই। বিশেষ নকণ্ঠ, আমাৰ ঘৰৰ ওচৰৰে এজনী বিধৱা তিৰোতা। সংসাৰ বুলিবলৈ আঠ বছৰীয়া পুত্ৰ সন্তান এটি। হঠাৎ ঘৰৰ একমাত্ৰ গাই গৰু এজনীৰ অন্তৰ্দ্ধান হ'ল। অৰ্থ উৎপাদনৰ একমাত্ৰ সম্পদ। তাৰো এনেকুৱা গতি। বেছেৰীয়ে উপায়হীন হৈ হাবিৰ মাজে মাজে ঘুৰি ঘুৰি সেইমাঙ্গহি এই অঞ্চলত। আচৰিত কথা হঠাৎ তিৰোতা জনীও নোহোৱা হল। একমাত্ৰ পুত্ৰক অকালতে ঘটমাওৱা কৰি আহাৰ হলহি কোনো দুৰ্জন দুস্কৃতৰ। এনেকুৱা আৰু বহু কাহিনী জড়িত হৈ আছে এই হাবি খনৰ লগত। আমাৰ হাতত এতিয়া সময় বহুত কম। আমি উঠিছো। কিবা অসুবিধা হলে খবৰ দিব। পাৰো যদি সহায় কৰিম।"

"ৰবা, চাহ পানী অলপ খাই যোৱা।" ৰূপকে দুয়োজনক বাধা দি এই দৰে কলে।

"নাই, আজি নেলাগে। পিছত আকৌ আহিম।" দুয়ো গুচি গ'ল।

চমক লগা কাহিনী শুনি নকুল প্ৰমোদৰ বুকু কঁপিবলৈ ধৰিলে। "চাৰ! আমি গুছি যোৱাই ভাল হব নেকি?" নকুলে ভয়ে ভয়ে ৰূপকৰ কাণে চাই সুধিলে।

"মইয়ো মানুহ বিচাৰি এই ভীক কেইটাহে পাওঁনে?" খং আৰু অস্বস্তিৰ দুৰন্ত ৰূপকে কথা খিনি কলে।

লাজত, ভয়ত সকলো ভিতৰ সোমাল।

## ২ (দুই)

চৌদিশ নীৰৱতাই বিৰাজ কৰিছে। হো, হোকৈ বৈ আছে সোনোৱালী সুবাস বিলোৱা বতাহ। হাবীৰ মাজৰ পৰা মাজে মাজে দুই এটা লুপ্ত নিশাচৰ চৰাইৰ মাত। কিহবাৰ যেন অজান বিপদৰ সংকেত। নিশাৰ হাবিৰ মাজৰ পৰা কোনো অজ্ঞাত শত্ৰুৱে যেন কৈ গৈছে। সাৱধান··· ··· সাৱধান··· ···। গুৰু ৰূপক, নকুল, প্ৰমোদ আদি কৰি কেইজন মানে খাবলৈ বহিছে। "প্ৰময়! সময় কিমান হল?" ৰূপকে সুধিলে।

"চাৰ, ১০-৩০"! প্ৰমোদে উত্তৰ দিলে। "দীপক আৰু মুকুত ক'ত।" ········

"চাৰ ········ চাৰ ········" কোনোবাই বাহিৰত চিঞৰ উঠিল।

"এইয়া দিপকৰ চিএঃৰ নহয়নে?" সকলো বাহিৰ ওলাই আহিল।

"দীপক! কি হ'ল! তই ইমান চিএঃৰিচ কিয়? মুকুত ক'ত?"

নাই, দীপক নিমাত। ঘন ঘন উশাহ লৈছে। কথা খিনি যেন ওলাই নাহে।

"চাৰ, মুকুতে পাইখানা কৰিবলৈ সৌ ঘৰটোৰ ফাল গৈছিল। কিন্তু বহুত সময় হল সি আহি পোৱা নাই। বহুবাৰ মাতিলো, কিন্তু একো উত্তৰ নাপালো।" হাতত টৰ্চ লাইট লৈ সকলোৱে ঘুৰি ঘুৰি চাবলৈ ধৰিলে। কিন্তু নাই, একো ফল ন'হল আশাৰে ভৰা মুকুটৰ মানবীয় জীৱন ৰাত্তিৰ আন্ধাৰৰ মাজত হেৰাই গ'ল। "চাৰ ······চাৰ" দীপক আকৌ দৌৰি আহিল। সকলোৱে ঘুৰি চালে।

"চাৰ। চাৰ! আমাৰ বনুৱাজন মোৰ লগত আছিল। সিওঁ ঘৰটোৰ কাষলৈ গৈ ওভতাই নাই। আৰু চাৰ মই এইখিনিতে থিয় হৈ থাকোতে হঠাৎ কিবা এডাল দীঘল বস্তু কাষেৰে গুছি গ'ল। চাৰ ঠাইনিনি বৰ সংঘাটিক ব'লক ইয়াৰ পৰা নহলে আমাৰো ··"

ভয়ে সকলোকে আবৰি ধৰিলে। কাকো এৰি কোনেও যেন কলৈকো যাব নোৱাৰা হল। গুৰু ৰূপকে সকলোকে একপোত কৰি ভিতৰ সোমালগৈ। ৰাত্তি বহু হ'ল। ৰূপকৰ টোপনি নাই। মুকুতৰ চিন্তা, বনুৱাজনৰ চিন্তাই ব্যাকুল কৰি তুলিছে। কোন হব পাৰে এই অদ্ভুত হত্যাকাৰী? কোন এই গুপ্ত ভক্ষক? নাজানো কাৰ এই লক্লকীয়া জিভাখন। বেচেৰা মুকুতজন জীয়াই থকা দিন কেইটাত কিমান যে কল্পনা কৰিছিল। ঘৰৰ পত্নীৰ মৰম, সুখ শান্তি সকলো জলাঞ্জলি দি বাওণা হৈছিল আহি এই হাবিখনলৈ। মৰমৰ প্ৰিয়তমাৰ মৃত্যুক আকোৱালী লবলৈ। মৰমৰ প্ৰিয়তমাৰ বুকুৰ মাজৰ পৰা আহি আজুৰি আনি তেৱেই যেন মৃত্যুৰ মুখলৈ ঠেলি দিলে। কি বুলি শান্তনা দিবগৈ এতিয়া।

## ৩ (তিনি)

কুঁৱলীয়ে ঢাকি থোৱা হাবিখনলৈ চাই ৰূপকে ভাবিছিল কি যে অপূৰ্ব সুন্দৰ। চাৰিওফালে আৱৰি আছে সৰু ডাঙৰ জোপোহা হাবিয়ে। যেন সাগৰৰ মাজত থকা এটা দ্বীপ। সকলো মুগ্ধ হয় এই মায়াবী হাবিৰ মায়াত। লাহে লাহে সূৰ্য্যৰ কিৰণৰ পৰশত কুঁৱলীয়ে লুকাবলৈ আৰম্ভ কৰিছে। শৰীৰ কঁপাই তোলা ঠাণ্ডা লাহে লাহে আতৰিবলৈ আৰম্ভ কৰিছে।

"চাৰ উঠক ৮-৩০ হ'ল।" "অ উঠিছো ৰবা। সকলো উঠিলনে" ·····।

"চাৰ চাহ হৈছে মুখ ধোৱক।" ৰূপকৰ কথা শেষ নহওতেই ৰমেনে ওপৰাই মাত লগালে।

"পুলকদা, আমি আজি ইয়াৰ পৰা ওভতি যোৱাটোৱে ভাল হব নেকি? মোৰ বৰ ভয় লাগি আছে। নাজানো কাৰ জিভা আমাৰ বাবে কট-কটাই আছে।" ৰমেনে ভয়ে ভয়ে কলে।

এতিয়া আৰু এইবোৰ চিন্তা কৰাৰ সময় নাই। চাৰে যি কয় তাক আমি মানিবলৈ বাধ্য। যোৱা চাহ আনাগৈ "আনাগৈ নহয় ভিতৰলৈ আহক। চাৰে মাতিছে।"

'ব'লা।" পুলক আৰু ৰমেন ভিতৰ সোমাই গ'ল।

"অ' পুলক, বহা। পুলক, আমি আজি সৌ পাহাৰ খনলৈ যাম। নকুল আৰু প্ৰমোদক কোৱা আৰু শুনা, বন্দুক পতি সাজু কৰা।"

"Ok Sir, we are ready to go."

পুলক ওলাই গ'ল।

"অ ৰমেন, আমি আহি পোৱাৰ আগে আগে সৌ গছডালৰ পৰা দুপাহি ফুল আনি

ধৰা চোন।" পুলকে ৰমেনলৈ চাই ৰূপক পুলক, নকুল আৰু প্ৰমোদ পাহাৰলৈ যাত্ৰা কৰিলে। হাবি ভাঙি তেওঁলোক আগবাঢ়িছে। কোনো শব্দ নাই। চৌদিশে নীৰৱতাই বিৰাজ কৰিছে। মাজে মাজে পাহাৰৰ গুপ্ত স্থানৰ পৰা মাত লগাই দুই এটা চৰায়ে। ভাবুক ভাবুক মনেৰে সকলোৱে আগবাঢ়িছে। হঠাৎ মানুহ এজনক দেখি দুয়ো থমকি ৰ'ল। মানুহজনে তেওঁলোকলৈ চাই সুধিলে? "আপোনালোকে ক'লৈ যাবলৈ ওলাইছে? তালৈ গলে কোনো মানুহে ওভতি আহিব নোৱাৰে। আপোনালোকক মই অনুৰোধ কৰিছো আপোনালোক ওভতি যাওক।" কিন্তু আপুনি? ৰূপকে সুধিলে?

"মই এই গাঁৱৰে বাসিন্দা। গাঁৱৰ গাঁওবুঢ়াই দিয়া আজ্ঞা অনুসৰি মই আপোনা-লোকৰ ওচৰ চাপিছো।" "কিন্তু আমি এতিয়া যাবলৈ বাধ্য। তথ্য উদ্ঘাতন কৰা আমাৰ কৰ্তব্য। গতিকে পাৰো যদি দুটা কথা জানি লৈ আহা গৈ।"

"কিন্তু পাহাৰখন যে ভয়ানক¿" ৰূপকৰ কথাত মানুহজনে উত্তৰ দিলে।

"বাধা নিদিবা দেও।"

দুয়ো আগ বাঢ়িল।

"বেয়া নাপায় যদি মোক আপোনালোৰ লগত নিবনে। মই আপোনালোকক বাট দেখুওৱাত সহায় কৰিম।" "ব'লা তেন্তে?" ৰূপকে অনুমতি দিলে।

সকলো আগবাঢ়িল। কুলু কুলু শব্দেৰে বৈ অহা এটি নিজৰাৰ পাৰে পাৰে তেওঁলোকে নীৰৱে আগবাঢ়িছে। বহুদূৰ অতিক্ৰম কৰি ভাগৰি পৰিছে। অলপ জিৰণী লৈছে। আকৌ আগ বাঢ়িছে। ভয়াবহ অৰণ্যৰ মাজত নিজকে আৱিষ্কাৰ কৰি পুলকৰ বুকু কপি উঠিল।

পুলকৰ অনুভৱ হল। কোনোবা অজান বিপদে যেন তেওঁলোকক হাত বাউলী মাতি আছে। চাৰিওফালে যেন শত্ৰুৱে আবৰি ধৰিছে। গুপ্ত ভক্ষকে যেন ওপৰৰ পৰা লক্ষ্য কৰি আছে। বুকুত সাহস বান্ধি সকলোৱে আগবাঢ়িছে। আগবাঢ়িছে বিস্তলভাৱটোক দুহাতেৰে থামোচ মাৰি ধৰি। তেওঁলোকৰ এতিয়া জীৱন নিৰ্ভৰ কৰিছে বিভালভাৰটোৰ ওপৰত। ক'ত, কেতিয়া, কোন মুহূৰ্তত বিপদ লগ দিয়ে সঠিক নাই। হঠাৎ বিদ্যুৎ বেগেৰে ওপৰৰ পৰা গছৰ ডাল এডাল আহি পুলকৰ ডিঙিত খামোচ মাৰি ধৰিলে। ৰূপকে তৎক্ষণাত গছৰ ডালটো কাটি পুলকক পিছফালৈ টানি আনিলে। পুলক কোনো মতে ৰক্ষা পৰিল। পুলক তয়ত বিব্ৰত হল। যেন জ্ঞান হেৰুৱাই পেলাব। লাহে লাহে স্থিৰ হৈ কলে। "চাৰ! মই আপোনাৰ ওচৰত চিৰ কৃতজ্ঞ। কিন্তু চাৰ গছডাল চাওকচোন। আমাৰ ঘৰটোৰ ওচৰৰ গছডালৰ দৰে এক নহয়নে? ফুল কেইটাও একে কি মধুৰ গোন্ধ।"

"তেনেহলে, তেনেহলে ৰমেনৰ কি হব? দৌৰা, দৌৰা সোনকালে দৌৰা, ৰমেনক বচাবই লাগিব।" ৰূপকে কোৱা মাত্ৰকে সকলোৱে দৌৰ দিলে। কিন্তু কি হব। কপালৰ লিখন জানো কোনোবাই খণ্ডাব পাৰিব ৰমেনে ইতি-মধ্যে ত্যাগ কৰিলে এই মায়াবী সংসাৰ ৰাওনা হল মৃত্যুৰ লগত। দূৰৰ পৰাই তেওঁলোকে দেখিলে কোনোবাই চটৰটাই ওপৰলৈ উঠি যোৱা। সকলো নিৰৱ। দেখা পালে কিছুমান ডালে কিবা এটা চেপি ধৰিছে। আৰু তাৰ পৰাই পিচৰিত হৈ পৰি আছে দুই এডাল চুলি আৰু নখ। সকলোৱে আহি উপভোগ কৰিলে এই দৃশ্য। ভাঙি গল বীনধ্বনি চিঙি গল তাৰ বৈ গল অৱশেষ অমীয় জংকাৰ। সকলো আশা নিৰাশা হৈ গল বেচেৰাৰ। আঠ বছৰ বয়সৰ পৰা ৰূপকৰ ঘৰতে মানি ৰূপকক পিতা, ৰূপকক গুৰু, ৰূপকক সৰ্ব্বেসৰ্বা বুলি ভাবি ৰূপকৰ চৰণ চুই চুই আজি হেৰাই গল গছৰ ডালৰ আৰত।

"চাৰ সি তো এবাৰ চিঞৰিব পাৰিলে হেঁতেন?" পুলকে ৰূপকৰ মুখলৈ চাই সুধিলে। "পুলক, কাহানীও দেখা নাছিলো এই মাংসখাহাৰী উদ্ভিদ জোপা। সম্ভৱত ডালবোৰৰ স্পৰ্শতেই মানুহজন অচেতন হৈ পৰে।"



"কথাটো একেবাৰে সত্য, চাৰ। পাহাৰত মই মাত্ৰ ডিঙিত কিবা এডাল পৰাহে গম পাইছিলো। তাৰ পিছত আৰু একো নাজানা। এই ফুলৰ আমোল মোলোৱা গোন্ধে জীৱ-জন্তু আকৰ্ষণ কৰে।

পুলক, দিপক, ব'লা ভাইহঁত। এতিয়া আৰু আমাৰ কাম শেষ। মুকুতক, দিপকক হেৰুৱালো আৰু আজি হেৰুৱালো ৰমেনক। যিয়ে আজীৱন মোৰেই উপকাৰৰ সপোন দেখিছিল। যিয়ে মোক দেউতা বুলি ভাবিছিল, যিয়ে মোক ভগৱান জ্ঞান কৰিছিল, তাক আজি পঠালো গুপ্ত ভক্ষকৰ মুখলৈ।

এতিয়া আৰু মোৰ জীৱনৰ কি মূল্য থাকিব পাৰে ধিক্কাৰ উপজিল ৰূপকৰ নিজৰ জীৱনৰ প্ৰতি বনুৰাজনৰ মুখলৈ চাই ৰূপকে কলে। "ভাই, তুমিতো সকলো দেখিলা। গছডাল চিনি লোৱা। গাঁৱত জনাই দিবা কোনেও যেন ইয়াৰ ওচৰ নাচাপে। এতিয়া যোৱা।" মানুহজন গুচি গল। আৰু ৰূপক ইঁতে সকলো তথ্য সংগ্ৰহ কৰি সেইদিনাই…।

—×—

: কৌতুক :

শ্ৰীকন্দৰ্প দাস, উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)

তপন বুলি মৰ্দা শুনি এজন শিশুৱে মাকক সুধিলে—

—খুৰাকক তপন বুলি কিয় নাম কাঢ়ি মাতিছে?

—মা, আপুনি খুড়াক কিয় নাম কাঢ়ি মাতিছে?

—মই তেওঁতকৈ ডাঙৰ বাবে।

—মই তেওঁতকৈ ডাঙৰ হ'লে খুৰাক তপন বুলি মাতিব পাৰিম, নহয় জানো।

—ম! ময়ো ডাঙৰ হ'লে খুৰাক তপন বুলি মাতিব পাৰিম, নহয় জানো।

—×—

# মৰিচিকা

শ্ৰীৰাজীৱ বৰুৱা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

বাহিৰত কিনকিনিয়া বৰষুণ দি আছে। ৰমেণে গাৰুৰ কাষতে থকা টৰ্চটো লৈ ঘড়ীটোলৈ চালে, ১টা বাজিবলৈ ১০ মিনিট আছে। কেতিয়া ৰাতিপুৱাব তাৰে বাট চাবলৈ ধৰিলে। টোপনি তাৰ অহা নাছিল। নীলাৰ মুখখন তাৰ মনলৈ আহিবলৈ ধৰিলে। নীলী শৰ্মা তাৰ অফিচত একেলগে চাকৰি কৰে। ঘৰ নগাঁৱত, গুৱাহাটীত খুৰাকৰ ঘৰত থাকে। কামত জইন কৰা বেছি দিন হোৱা নাই। আনহাতে ৰমেন চৌধুৰী থাকে হাতীগাঁৱত, ঘৰত আছে তাৰ একমাত্ৰ মাক। সি অফিচৰ বেলেগ ছোৱালীতকৈ নীলাক অলপ বেলেগকৈ চাইছিল। কিন্তু তাই ৰমেনক কেনেকৈ চাই সি নাজানে। তাৰ মনৰ কথাবোৰ সি নীলাৰ আগত কব বিচাৰে কিন্তু ভয় কৰে জানোচা তাই বেয়া পায়। নীলাই যদি তাক মমতা হয় তেনেহলে তাৰ অৱস্থাই বেয়া হৈ যাব। বিচনাত বাগৰ দিয়েই সি চিন্তা কৰিবলৈ ধৰিলে কেনেকৈ সি নীলাক কথাটো কব। নাই, সি আৰু ধৰ নোৱাৰে, অহাকালি যেনেকৈ নহওঁক সি তাৰ মনৰ কথাবোৰ নীলাক কবই। লাগিলে যি নহওক। ঘড়ীটোলৈ চালে ৫টা বাজি গৈছে। সি বিচনাৰ পৰা উঠিল। উঠিয়েই আইনাখন চালে। পৰহি ডাঢ়ি খুৰাইছিল যদিও অলপ অলপ গজিছে। গতিকে মুখ ধুই আহি সি ডাঢ়ি খুৰাবলৈ ধৰিলে। আজিৰ দিনটোৰ ওপৰতেই যেন তাৰ ভৱিষ্যৎ নিৰ্ভৰ হৈ আছে। আজি যদি তাই তাৰ কথাত হাঁহি হাঁহি কব নোৱাৰা হয়, তেনেহ'লে সি তাইৰ ওচৰত কালিৰ পৰা মুখ উলিয়াব কেনেকৈ? তাৰ হঠাৎ নতুন চাৰ্টটোৰ কথা মনত পৰিল যিটো সি যোৱা সপ্তাহত কিনিছিল। বৰষুণৰ বতৰ বাবে চাৰ্টটো সি পিন্ধাই নাছিল আজি সি এই নতুন চোলাটো পিন্ধি যাব। সি গা-পা ধুই ভাত খাই থাকোতে হঠাৎ কলিংবেলটো বাজি উঠিল। সি মাকক দুৱাৰখন খুলি দিবলৈ কলে। মাকে তাক আহি কলে কোনোবা এজনী ছোৱালীয়ে তাক লগ পাবলৈ আহিছে। সি চিন্তা কৰিবলৈ ধৰিলে কোন হব পাৰে। ড্ৰইং ৰুমলৈ গৈ দেখিলে নীলা তাৰ 'সপোন কুঁৱৰী' আহি বহি আছে। সি যাক লগ ধৰিবলৈ ইমান আকুল হৈ আছিল সেই নীলাই আজি তাৰ ঘৰত! সি নিজৰ চকুক বিশ্বাস কৰিবলৈ টান পালে। কিন্তু নীলাৰ আগমনৰ কাৰণ জানিব পাৰি সি যেন নিল পৰা কপৌৰ দৰে হ'ল। সি নীলাৰ এআৰ কথাই শুনিছিল "ৰমেনদা মোৰ অহা ছয় তাৰিখে বিয়া। আপোনাক মাতিবলৈহে আহিছো।"

—x—

# —ঃএটা হেৰুৱা ঠিকনাঃ—

শ্ৰীজিন্তী বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (ক'লা)

সেইদিনা দেওবাৰ। ১২ জানুৱাৰী। বড়া সূৰুযে পুৱাৰ কুঁৱলিৰ আঁৱৰণ ফালি বড়া পোহৰেৰে চৌদিশ উদ্ভাসিত কৰিছে। মাজত মাত্ৰ আৰু দুটা দিন। আৰু দুদিন পিছতে এখন ঘৰৰ জীয়ৰী নিশাই আন এখন ঘৰলৈ বিদায় ল'ব। আকৌবা তাই কেতিয়ালৈ নিজৰ কোঠালিটোত থকাৰ সুযোগ পায় তাৰ ঠিকনা নাই। তাই যোৱাৰ পিছত বাৰু তাইৰ কোঠাটোত কোন সোমাব? এইবোৰকে ভাবি চিন্তি তাই শেষবাৰৰ কাৰণে নিজৰ কোঠাটোৰ বস্তুবস্তুবোৰ থানথিত লগাই আছিল। কোঠাটোৰ প্ৰতিটো বস্তুতেই তাইৰ জীৱনৰ হেৰুৱা দিনবোৰৰ সুখ-দুখৰ অনুভূতিবোৰ লুকাই আছিল। সকলোবোৰ বস্তুবস্তু থানথিত লগাই শেষত তাই নিজৰ পুৰণিকলীয়া ৰুকাকে দিয়া কাঠৰ বাকচটোলৈ চকু দিলে। বাকচটোত চকু পৰামাত্ৰেই তাইৰ হিয়াখন এটা অবুজ বেদনাৰে ভৰি পৰিল। বাকচটো খুলি চোৱাৰ কৌতুহলক তাই সামৰিব নোৱাৰিলে। অ'তদিনৰ পুৰণি বাকচ টপা মাৰা আছে। চাবিৰ বিচাৰ অলপ অলপ মামৰেও ধৰিছে। চাবিৰ বিচাৰ নাই। ৰখা লৰাটোৰ হতুৱাই তাই টলাটো ভাঙি পেলালে আৰু লৰা-লৰিকৈ বাকচটো খুলি এবাৰ চাৰিওকোণত চকু ফুৰালে। কিমান যে কাগজ-পত্ৰ। হঠাৎ তাইৰ চকু পৰিল বাকচটোৰ একোণত সযতনে সুন্দৰকৈ বান্ধি ৰখা এটা কাগজৰ টোপোলাৰ ওপৰত। টোপোলাটো হাতত তুলি আনি যেন গভীৰ বেদনাৰে তাই টোপোলাটো বুকুৰ মাজত সাৱতি ল'লে। হঠাৎ যেন তাইৰ বুকুত আকাশী ভৰগহে ভাগি পৰিল। এটি ভয়ঙ্কৰ অতীত কাহিনীয়ে তাইৰ মনটোক খামুচি ধৰিলে। এখন চিনাকি মুখৰ ছবিয়ে তাইৰ দুচকুত ভাঁহিব ধৰিলে। ক্ষন্তেকতে তাই যেন অচেতন হৈ এখনি অতীতৰ প্ৰেমৰ সাগৰতহে নিজক ডুবাই পেলালে।

নিশা আছিল এজনী সম্ভ্ৰান্ত পৰিয়ালৰ একমাত্ৰ ছোৱালী। গুৱাহাটীত ঘৰ। ৰূপ গুণ সকলো ফালৰ পৰাই আগবঢ়া। পঢ়া শুনাতো লগৰ গোটেই বোৰতকৈ ভাল। মুঠতে, তাই নিজৰ যোগ্যতাৰে নিজৰ পৰিচয় দিব পাৰিছিল। গুৱাহাটীৰ কটন কলেজৰপৰা তাই স্নাতক দ্বিতীয় বৰ্ষত প্ৰথম বিভাগত পাছ কৰি ডিব্ৰুগড়লৈ ডাক্তৰী পঢ়িবলৈ যায়। ডিব্ৰুগড়ৰ মেডিকেল হোষ্টেলতেই তাইৰ প্ৰথম

চিনাকী হৈছিল গুণীন হাজৰিকাৰ লগত। পঢ়াশুনাত বেচ ভাল। দেখাতো প্ৰায় তাঁৰ ঘৰৰ যেনেই লাগে। অতি কষ্টেৰে পঢ়া। গুণীনৰ ঘৰ তাতেই। সেয়েহে টাইডোখৰ তাৰবাবেই তেনেই চিনাকী। আন সকলো ল'ৰাৰ পৰা আঁতৰি থকাই নিশাই তাৰ লগত ভাল বন্ধুত্ব স্থাপনত সুযোগ পাইছিল। সিহঁতৰ এই বন্ধুত্ব দিনে দিনে গভীৰ ৰূপ ল'লে আৰু এই বন্ধুত্ব দুয়োৰে মাজত প্ৰেমৰ বীজ কঢ়িয়াই আনিলে। এটা দুটাকৈ তিনিটা বছৰেই পাৰ হ'ল। এইবাৰ শেষ বছৰ- ফাইনেল বছৰ। ফাইনেল পৰীক্ষা। দুয়োৱে লগ হৈ পঢ়াৰ কাৰণে বেচ প্ৰচেষ্টা কৰিছে। পৰীক্ষা আহিল আৰু এদিন শেষ হ'ল। তিনি বছৰৰ এই বন্ধুত্বৰ শেষত এতিয়া ঘৰাঘৰি যাব লগীয়া হ'ল। কিন্তু এই বিদায় যে চিৰদিনীয়া হ'ব সেইটো হয়তো সিহঁতৰ কোনোৱে কল্পনাও কৰা নাছিল। দেখা সাক্ষাৎ নহ'লেও প্ৰায় এবছৰমানলৈ দুয়োৰে মাজত চিঠিৰ আদান প্ৰদান চলি থাকিল। দুয়োটাই ভাল ৰিজাল্ট কৰিলে। গুণীনে ডিব্ৰুগড়ত ডাক্তৰীও পঢ়িব আৰম্ভ কৰিছে। পৰীক্ষাৰ ৰিজাল্টৰ পিছত গুণীনে চিঠিৰ আদান প্ৰদানটো কমাইছিল যদিও নিশাই ভাবিছিল সি, হয়তো কিবা কামত ব্যস্ত হোৱাইহে চিঠি কমাই দিয়ে। কিন্তু হঠাৎ এদিন এখন বিয়াৰ নিমন্ত্ৰণী চিঠি আহিল নিশাৰ নামত বনি লগতে এডোখৰ টুকুৰা কাগজত লিখা আছিল খুউব টান তোমাক বাবে লৰালৰিকৈ বিয়াখন পাতিব ওলালো। চিঠিখন পাই নিশাই দুখ পাইছিল যদিও তাৰ খুখতেই তাইবো সুখ অনুভৱ কৰি ভালৈ অশেষ শুভেচ্ছা জনাই এখন চিঠি লিখিছিল কিন্তু চিঠিখন লিখা ভাবেই থাকি গ'ল। কাৰণ চিঠিখন পোষ্ট কৰিবৰ বাবে তাই গুণীনৰ এড্ৰেচটোৱেই (বা ঠিকনাটোৱেই) বিচাৰি নাপালে। গুণীনৰ ভালপোৱাৰ লগতে তাৰ ঠিকনাটোকো কেতিয়া হেৰালে গমকে নাপালে। লাহে লাহে যেন তাইৰ জীৱনৰ পৰাই গুণীনে বিদায় লৈ এদিন সম্পূৰ্ণ আঁতৰি গ'ল। এতিয়া গুণীন নিশাৰ কাৰণে পোহৰলিৰ গৰাকী হয়তো সোমাই পৰিছে। গুণীনৰ বিয়াৰ দুবছৰ হ'ল। তাৰ প্ৰেমৰ ল'ৰা গোৱালীয়েও খোজ কাঢ়িব পৰা হল। আজি নিশাৰো বিয়া ঠিক হ'ল। তাই এদিন যাৰ লগত সংসাৰ পতাৰ সপোন দেখিছিল সেই সপোন আজি তাই আনক সপোন কৰি পূৰাব লাগিব।

তেইবোৰ চিন্তা কৰি তাই চিঠিবোৰ এখন এখনকৈ চাই থকাতেই তাইৰ এখন বঙা কাগজত চকু পৰিল। ভাঁজ লাগি ভাঁজকভাঁজ কাটিও গৈছে। তাইৰ অনুভৱ হ'ল যেন সেই কাগজতেই তাইৰ এটা অতীত কাহিনী লুকাই আছে। এই কাগজত লিখা থকা ঠিকনাটোৰ প্ৰতিটো শব্দ যেন তাইৰ অতীত জীৱনৰ এটা এটা ক্ষণৰ কথা সোঁৱৰাইছে। লগে লগে তাইৰ দুগালে অশ্ৰুৱে তিতিব ধৰিলে। আজিদিনে লুকাই থকা সমুদ্ৰৰ পানী যেন আজি তাইৰ দুচকুৰে বৈ আহিছে। গোটেই বঙা কাগজখনেই যেন তাইৰ চকুৰ পানীৰে তিতি গৈছে। তাই নিৰৰ চকুলোৰ যেন চিয়াহীৰ বোলবোৰ এডাল এডালকৈ মচি তাইৰ জীৱনৰ অতীত কাহিনীক শেষ কৰিব বিচাৰিছে। বৈ গৈছে মাথো ঠিকনাটো লিখা থকা বঙা কাগজখন আৰু চিয়াহীৰ নীলা বোলনিৰ দুটামান নীলবৰণীয়া চিহ্ন।

—X—

# মিলনৰ আৰ্তনাদ

শ্ৰীহৰকান্ত কলিতা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

এটি দীঘল উকি দি কামৰূপ এক্সপ্ৰেছ ৰেলপাড়ীখনে সঠিক সময়মতেই নিশা এঘাৰ বজাত আহি কেন্দুকোনা ৰেলষ্টেচনত ৰৈ গ'ল। কান্ধত এয়াৰ বেগখন লৈ হৰেণে নামিয়েই ষ্টেচনটোৰ চাৰিওফালে সন্দেহৰ চকু ফুৰালে জনশূণ্য প্ৰায় ষ্টেচন। মাত্ৰ কৰ্তব্যৰত কৰ্মচাৰী দুজনমানে ষ্টেচনটো পহৰা দি আছে। প্লেটফৰ্মত দুজন অঘৰী পৰি আছে 'দ' আকৃতিত কুঁজা হৈ। পাৰ্থ্যমানে শৰীৰৰ আয়তন কমাই শীত নামৰ প্ৰকৃতিৰ দানৱটো ক বোধীৰলৈ বৃথা চেষ্টা কৰি। হৰেণে পকেটৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলাই ললে আৰু খোজ ল'লে তাৰ অতি মৰমৰ জন্মভূমি কেন্দুকুচী গাঁৱলৈ।

আপোনাৰ শীতৰ সেয়েকা বাতি তথাপিও তাৰ এয়াৰপ্ৰুফ থকা জেকেটটো ভেদি শীতে তাক তলাব পৰা নাই। অমাৱস্যাৰ ঘিটি অন্ধকাৰ। তথাপিও তাৰ পেন্সিল টৰ্চ টোৰে ঘিটি আন্ধাৰ। তথাপিও তাৰ পেঞ্চিল টৰ্চ টোৰে বাট দেখুৱাই দিয়াত তাক অলপো কৃপণালি কৰা নাই।

হৰেণ দাস এয়া সুদীৰ্ঘ সাত বছৰৰ মূৰত নিজ গাঁৱলৈ আহিছে। তথাপিও এতিয়ালৈ কোনো বিশেষ পৰিবৰ্তন তাৰ চকুত পৰা নাই। একেই ৰাস্তা, একেই ধুলি, একেই এন্ধাৰ.........। মাত্ৰ আগৰ বাঁহ গছেৰে পৰিপূৰ্ণ ঠাই ব'ৰত দুই এঘৰ মানুহ আহি বহিছেহি। সি গৈ গৈ মাজ পথাৰৰ আইত জোপাৰ তলত ৰৈ গ'ল। এৰা, এই বুঢ়া আঁহতেই আজি সাত বছৰ ধৰি সাক্ষী হৈ ৰৈ আছে। ইয়াতে তাক তাৰ অতি মৰমৰ বন্ধু নিতু দাসে আঘাট কৰিছিল। এৰা, শাৰিৰিক আঘাটতকৈও মানসিক আঘাতত সি বলিয়া হৈ গৈছিল সিদিনা......

হৰেণ দাস আৰু নিতু দাস দুয়ো কেন্দুকুচী গাঁৱৰে ল'ৰা একেবাৰে সৰু পিঠা বন্ধু। গাঁৱতে, স্কুলতে খেলাতে, ৰবৰাৰ মাজত দুয়োকো কোনে এৰি নাই। গাঁৱৰ মাজত দুয়োৰে মিতালিৰ কাপ প্লেট বুলি জোকাইছিল। গাওঁ শুনাতো দুয়ো সমানে আগবাঢ়িছিল। দুয়ো কেন্দুকুচী কলেজৰ স্নাতক ৩য় বৰ্ষৰ ছাত্ৰ। এই কাপ প্লেট যোৰক কাকধুমতাই অতি সহজতেই ভাঙি ছিন্নি চুৰমাৰ কৰি দিলে। এৰা কেন্দুকুচী কলেজৰ সেই অভিশপ্ত নিৰ্বাচনৰ কথা হৰেণ কিয় কেন্দুকোনা অঞ্চলৰ

প্ৰায় মানুহেই কেতিয়াও পাহৰিব নোৱাৰে!

সেয়া আছিল ১৯৯০ চন। কেন্দুকুছী কলেজত নিৰ্বাচনৰ উত্তপ্ত ধুমুহা চলিছিল। আৰু কৰ নোৱাৰাকৈ আন আন ছাত্ৰ-ছাত্ৰীৰ দৰে হৰেণ আৰু নিতু দাসেও উটি ভাহি গৈছিল এই কাল ধুমুহাত। সাধাৰণ সম্পাদক পদত দুজন প্ৰাৰ্থী। অজয় শৰ্মা কংগ্ৰেছৰ সমৰ্থিত প্ৰাৰ্থী। নিতুৰ সম্বন্ধীয় মোমায়েক। হৰেণ ভলীবল আৰু জিমনাষ্টিকচত কলেজত বেচ জনপ্ৰিয়। সেয়ে চতুৰ অজয় মিতু আৰু হৰেণৰ কাষ চাপিছিল। আৰু নিতুকো পায় কোনে! মোমায়েক সম্পাদক হব! কিন্তু অশেষ কষ্ট কৰিও নিতুৱে হৰেণক মান্তি কৰাব নোৱাৰিলে। বৰং সকৰে পৰা মাক্স-বাদী হৰেণে স্পষ্টভাৱে জনাই দিলে যে সি সিহঁতৰ প্ৰতিদণ্ডী নয়ন গাংগুলীকহে সমৰ্থন কৰিব। আৰু এয়াই সিহঁত দুটাৰ মনো-মালিন্যৰ সূত্ৰপাত। হৰেণে কেইজনমান বন্ধুকলৈ নয়ন গাংগুলীক সকলোৰে লগত চিনাকি কৰি দিলে। এনেকৈ হৰেণহঁতৰ চেষ্টাত নয়ন গাংগুলী দুই তিনি দিনতে কলেজত বেচ জনপ্ৰিয় হৈ উঠিল।

আনপিনে নিতুহঁতে··· ··· আৰু সিদিনা সি ৰাতি নিৰ্বাচন প্ৰচাৰ চলাই যেতিয়া ঘৰলৈ আহি আছিল ··· ··· এই গছডালৰ তলতে তাক কোনোবাই কোবাই চাইকেলৰ পৰা বগৰাই দিছিল। সি ভালকৈ থিয় হবই নেপালে—এটি প্ৰচণ্ড ঘোচা আহি তাৰ মুখ-মণ্ডলত পৰিছিল আৰু লগে লগে সি বুজি কৈছিল—নিতু .... "" তই"" সিহঁতৰ ও"ৰা ওপৰি ঘোচা, লাঠিৰ কোবত সি অজ্ঞান হৈ পৰি ৰৈছিল। এটা সময়ত হৰেণে নিজে নিজে জ্ঞান পাইছিল। ধাৰাষাৰ ৰবষুণত তিতি তিতি। আৰু অহা বাটেৰেই পুনৰ চুচৰি চুচৰি সি ষ্টেচন পাইছিল।

ষ্টেচনত ডা. ৰাভাৰ চেম্বাৰত উপস্থিত হ'লগৈ। ডা. ৰাভাই তাক বৰ মৰম কৰে। সি ৰাভাৰ একমাত্ৰ ছোৱালী গিমিক টিউচন কৰে। ও'ৰ ৰাতি তাৰ চিকিৎসা চলিল। সি ভালেখিনি আৰোগ্য হ'ল। কিন্তু ত'ৰ নিজৰ গাওঁখনকে নিৰৰ্থক যেন লাগিল। সেয়ে ডা. ৰাভালৈ একসম লিখি সি চলপুৰাতে ৰাজধানী এক্সপ্ৰেছত উঠি গুচি গল— এক অজান ঠাইলৈ— অলপ মৰম বিচাৰি। সি দুনাই আৰু তাৰ গাওঁলৈ অহাৰ ইচ্ছা নাছিল—নাছিল দুনাই নিতুৰ মুখ চাবলৈ। কিন্তু দিন যোৱাৰ লগে লগে প্ৰতিশোধৰ অগ্নি শিখাই তাক জ্বলাই মাৰিব ধৰিলে। সেয়ে আজি সি উভতিছে— তাৰ প্ৰতিশোধ লবলৈ।

এৰা; সি কাপুৰুষ নহয়। সি তাৰ প্ৰত্যাহ্বান জনাবই। সি তাৰ খোজৰ বেগ বঢ়াই দিলে···· ··· ····।

সি গৈ গৈ এটা পদুলি মুখত ৰৈ গ'ল। এৰা! হয়। নিতুৰ সৈতে সিহঁতৰ পদূলিত বোৱা কামিনীকাঞ্চন জোপা ফুলে পাতে জাতিষ্কাৰ হ'ল। কেতিয়াবা ফুলৰ যুৱাসেও বাকদৰ গোন্ধ দিয়ে। সি বুকুখনত হাত দি চালে নাই কপা নাই। সি ৰৈ থাকিব সিহঁতৰ ঘৰৰ পিছত। সি ভালকৈ জানে যে নিতুই ৰাতি ঘনে ঘনে পেচাৰ কৰিব উঠেই। সি লাহে লাহে আগবাঢ়ি গ'ল। কিন্তু চোতালত ভৰি দিয়াৰ লগে লগে তাৰ বুকুখন কপি উঠিল। ঘৰৰ ভিতৰত কথোপকথন। সি পিছফালৰ বেৰত কাণ পাতি শুনি থাকিল—

কিন্তু ভিতৰত নিতুৰ দেউতাক আৰু ডা. ৰাভাৰ গলগলীয়া কথোপকথন শুনি বিষ্ময়ত সি হতবাক হৈ উঠিল—

—দাস, নিতুৰ অসুখ আপুনি কিমান দিনৰ পৰা বুলি ভাবে? ··· ···

—ৰাভা', আচলতে. ই সিদিনাৰ পৰাই লাহে লাহে অস্বাভাৱিক হৈ পৰিছিল—

—সিদিনা মানে?

—এই, আমাৰ ইহঁতে যে······ তাক মাৰিছিল।

—অ' ঠিকেই দাস, আচলতে হৰেণেও সিদিনা শাৰিৰিক আঘাতকৈও মানসিক আঘাতত বলিয়া হৈ পৰিছিল। বেচেৰাও যে ভালে আছে মোৰ সন্দেহ।

চোৱাচোন ৰাভা, অজয় ম'মাক সম্পাদক হ'ল, টকা আৰ্জিলে, চাকৰী ললে ···· ···· আৰু আমাৰ ইহঁত ···· ···· পাগল হৈ মৰিব লাগিছে —

এতিয়া চেনেহৰ মোমায়েক ইয়াৰ খবৰ লৈছে



নহয়?

—এৰা দাস, মইয়ো ইয়াৰ চিকিৎসা কৰি ভাগৰি পৰিছো। গতিকে আপুনি পলম কৰা উচিত নহয়। সোনকালে ইয়াক তেজপুৰলৈ নিয়ক।

—নহয় অ' ৰাভা! আচলতে ভগবানে যদি এবাৰ মোৰ মৰমৰ হৰেণক ইয়ালৈ অনালে হেতেন, বোধহয় আমাৰ ই ভাল হৈ গ'ল হেতেন। কাৰণ ই সকলো সময়তে নিৰ্বাচন আৰু হৰেণৰ কথা কৈ কৈহে কান্দে, প্ৰলাপ বকে ···· ····

ইমান সময়ে বেৰত কাণ পাতি সুযোগ লৈ অপেক্ষা কৰি থকা হৰেণে আৰু ধৈৰ্য্য ধৰিব নোৱাৰিলে। হাতৰ পৰা পিস্তলটো দূৰলৈ দলিয়াই দি দি চিঞৰি উঠিল—

নিতু ···· ····

ডা. ৰাভাৰ স্লিপিং টেবলেট কাম নিদিলে। নিতু সাৰ পাই গ'ল। নিতুই হৰেণৰ ভৰি দুখন সাৱতি ফেকুৰী উঠিল। হৰেণে তাক তুলি ধৰি সাৱতি ধৰিলে। নিতু দেউতাক আৰু ডা ৰাভাই সিহঁত দুয়োলৈ চেৰা লাগি চাই ৰ'ল। দুয়োৰে মুখত এক তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল।

—×—

# এটুকুৰাও ঠাই নাই

শ্ৰীবিষ্ণু বড়ো
উঃ মাঃ ২য় বৰ্ষ ( কলা )

"মই সোমাব পাৰোনে ?" মই মুখ নোটোপাকৈ, "আহক" বুলি কলো। মানুহজন মোৰ টেবুলৰ সন্মুখত আহি থিয় দিলে।

মোৰ হাতত সময় নাই। পিছদিনা মই অফিছৰ কামত দিল্লীলৈ যাম। কামখিনি অলপ আছিল বাবে মানুহজনক বহিব দিলো। সেই সময়তে কেৰাণীজনে আৰু কেইখনমান ফাইল আনি মোক দিলে যে এই কেইখনত চহী মাৰি দিব লাগে।

: কি কলা ? আগৰ পৰা কি কৰি আছিলা। এতিয়া মোৰ কিমান কাম দেখা নাই। বাৰু থৈ যোৱা। এই বুলি কৈ মই মানুহজনৰ লগত কামটোৰ বিষয়ে কথা পাতি আছোঁ। এনেতে ফোনটো বাজি উঠিল।

: হেল্ল' !

: তুমি ভাত খালা !

: নাই।

: এতিয়ালৈকে ভাত খোৱা নাই কেতিয়া খাবা ? কিমান বাজিল তোমাৰ খবৰ আছে। তুমি ভাত সচাঁকৈ খোৱা নাই ? কোনে ৰান্ধিব ? তুমি গুছি আহা ইয়াতেই কিবা খাবা। মই কটি কেইখনমান বনাই থম নেকি ?

: নালাগে নালাগে মই ভাত বনাই থৈ আহিছো। এতিয়া গৈয়েই খাম। খায়েই ওলাই যাম।

: তুমি কাৰ লগত আহিবা ? ইমান দূৰ। গাড়ীখন আছে জানো ?

: আছে আছে থওঁ দেই।

: ৰবা ৰবা প্ৰথমে মই থম তাৰ পিছতহে তুমি থবা। তুমি আগতে থলে বেয়া লাগে।— চুমু এটা দিয়ানে।

মই একো নকলো কাৰণ সন্মুখত মানুহ এতিয়া আছে। অন্যথা "দিয়া" বুলি কলেও একো বুজি নাপালে হয়। মই একো নোকোৱাত পূজাই খঙতে ফোনটো ঠেকেচা মাৰি থলে। এতিয়া তাই অভিমান কৰি থাকিব। মোৰ লগত কথা নাপাতিব তাই খঙতে মোক গালি পাৰিব। তেতিয়া তাইক মই জোৰকৈ টানি আনি বুকত লম তেতিয়া তাই মোৰ বুকৰ মাজত মুখখন লুকুৱাই কব, "মইনো তোমাৰ কোন ? তোমাৰ যে সময়ে নাই।" তাইৰ খং তাইৰ অভিমান মোৰ ভাল লাগে। এয়াই নেকি প্ৰেম ? প্ৰেমত এনেকুৱা হয়েই নেকি।

আজি তিনিৰ কথা। মই দুজন মানুহৰ লগত কথা পাতি আছো। সেই সময়ত আহিল পূজাৰ ফোন।

: কেতিয়াকৈ আহিবা জান ?

: মই বলো আবেলিকৈ যাম।

: জান তুমি মোক "আই লাভ ইউ" বুলি কোৱানা। মই এতিয়া কেনেকৈ কম। মোৰ সন্মুখত মানুহ বহি আছে। তথাপিতো মানুহজনে বুজি নোপোৱাকৈ কলো। সদায়ে চোন কৈয়েই থাকো। সেইখিনি কোৱাত তাই কলে যে তোমাৰ এইখিনি কবলৈয়ো সময় নাই। অনবৰতে কামেই কাম বুজি খঙতে ফোনটো ঠেকেচা মাৰি থলে। মযো ফোনটো থৈ মানুহজনৰ লগত কথাখিনি পাতি বিদায় দিলো আৰু পূজালৈ বুলি ফোন কৰিলো।

হেল্ল। মই আচৰিত হলো। পূজাইতৰ ঘৰত কোনোটো লৰা মানুহ নাই। আছে এজন সম্বন্ধীয় দাদাক। মইটো পূজাইতৰ ঘৰৰ সকলোকে চিনি পাওঁ। সকলোৰে মাতো বুজি পাওঁ। কিন্তু এইজন আকৌ কোন

: আপুনি কোন কৈছে?

: মই দিলীপে কৈছো

: বাৰু পূজা ঘৰত আছেনে ?

জানে মাতা বুলি কওঁক চোন।

: বাৰু মাতি দিছো বুলিকৈ ফোনটো টেবুলত থৈ ভিতৰলৈ "জথু জথু" বুলি মাতু জনে চিঞৰি চিঞৰি গলথ। পূজাৰ ঘৰত জোকোৱা নাম জথু।

: হেল্ল "মই" পূজাই কৈছো।

: পূজা তুমি মোক বেয়া পালা ?

: নাই পোৱা জান।

: সচাঁই কৈছা পূজা।

: সঁচাই কৈছো জান।

: প্ৰ'মিজ।

: প্ৰ'মিজ।

: শিৱ পাৰ্বতীৰ শপত।

: শিৱ পাৰ্বতীৰ শপত।

: মোৰ শপত।

: তোমাৰ শপত।

: এতিয়া বাৰু "আই লাভ ইউ" বুলি কলে হবনে ?

: বাৰু কোৱা।

: আই লাভ ইউ।

: তাই মোক ফোনতে চুমা এটা দিলে। আৰু কলে সোনকালে আহিবা সোন। এতিয়া থওঁ।

মোৰ ভয়টো আঁতৰিল কাৰণ তাই অলপ আগতে যেনেকুৱা কৰিছিল। ইমান সোনকালে তাইৰ খং তাইৰ অভিমান শেষ হল। নিশ্চয় পূজাইতৰ ঘৰত কোনোৱা আহিছে। নহলে ইমান সোনকালে খং এৰা ভকত নহয়।

পূজাৰ লগত মোৰ চিনাকী প্ৰথম কটন কলেজত। তাই সন্দিকৈ মহাবিদ্যালয়ত পঢ়ে। মই তেতিয়া এখন পেপাৰৰ সাংবাদিক।

এবাৰ কটন কলেজত গানৰ প্ৰতিযোগিতা পতা হৈছিল। কটন কলেজৰ সম্পাদকজন মোৰ বন্ধু। সেই কাৰণে মোক মাতিছিল। সেই প্ৰতিযোগিতাৰ কথা পেপাৰত দিবৰ বাবে আচলতে মই সেই প্ৰতিযোগিতাখন চাবলৈহে গৈছো। এজন সাংবাদিক হিচাবে মই দেখিছিলো বহুত ধুনীয়া ধুনীয়া ছোৱালী। কিন্তু এজনী ছোৱালীৰ পৰা মই চকু আঁতৰাব

চিনি পায়। তেতিয়া চৌধুৰীয়ে কলে মানে কেৰাণীজনক সকলোৱে চৌধুৰী বুলি মাতে। যে পূজাই আপোনাৰ কথা মোৰ আগত কৈ থাকে। মই খুড়াক। আপুনি পূজাৰ খুড়াক নেকি? বাৰু এতিয়া পূজা কেনে আছে? তেতিয়া চৌধুৰীয়ে কলে যে আপুনিয়ে এবাৰ যাবচোন। মই কলো নিশ্চয় কিয় নাযাম। আচলতে পূজাৰ কথা শুনি মোৰ বৰ ভাল লাগিছিল। মোৰ মনটোই নাচি উঠিছিল কাৰণ ইমান দিনৰ মূৰত আজি পূজাক লগ পাম। মোৰ মনতটোত কিমান যে আনন্দ।

এদিন আবেলি চৌধুৰীৰ লগত পূজা-হঁতৰ ঘৰলৈ গলো। মোৰ ৰুমৰ পৰা বেছি দূৰত নহয়। প্ৰায় দুই-তিনি কিঃ মিঃ মান। পূজাই প্ৰথমতে মোক দেখি চিঞৰি দিলে। আৰে জান তুমি। তুমি ইয়াত! কেতিয়া মইতো ভবাই নাচিলো তোমাক যে আৰু মই লগ পাম। পূজাই তাইৰ মাকৰ লগত চিনাকী কৰি দিলে। মঞা মোৰ চিনাকি দিলো। গুৱাহাটীৰ পৰা কেনেকৈ ডিব্ৰুগড় পালো। পূজাই এখন স্কুলত কাম কৰি আছে। সেই স্কুলৰ চাকৰীৰ দৰমহাৰ টকাৰে দুটা প্ৰাণীৰ ঘৰখন সুন্দৰকৈ চলি যায়। পূজাই মোক মাজে মাজে ঘৰলৈ যাব দিছে। মঞোৱা এই সুযোগটো কিয় এৰিম। পিছদিনা আবেলি মই বিক্সা এখন লৈ পূজাৰ ঘৰ পালো তাই ঘৰত নাই মাক আছে। মাকে মোক বহিব কলে। মই আৰু কি কৰিম মেগাজিন এখন লৈ পঢ়িব ধৰিলো। অলপ সময় পিছত বাহিৰত ৰিক্সাৰ শব্দ শুনিলো। পূজাই আহি মোক দেখা পাই সুধিলে দেৰি হল নেকি তোমাৰ? মই কলো নাই বেছি দেৰি হোৱা নাই। পূজাই কলে অলপ বজাৰ কৰিলো সেই কাৰণে দেৰি হল।

ঃবাৰু তুমি বহা মই কাপোৰযোৰ খুলি আহো।

ঃকিবা এটা পিন্ধি আহিবা দেই।

ঃবাঃ তুমি চোন বহু কথা জানা হলা। অলপ বহা হে। অলপ সময় পিছতে পূজাই দুকাপ চাহ লৈ আহি মোৰ সন্মুখত বহিল। মোৰ কালে একাপ চাহ আগুৱাই দিলে।

ঃবাৰু জান তুমি বিয়া কৰালা নেকি?

ঃনাই?

ঃকিয়?

ঃমনেৰে মিলা এজনী ছোৱালী পোৱা নাই।

ঃকি কোৱা হে পৃথিৱীত ইমান ছোৱালী তুমি বিচাৰি পোৱা নাই, বাৰু তোমাক কেনেকুৱা ছোৱালী লাগে।

ঃধৰা। মোৰ মনৰ কথা বুজা। মোৰ কামত সহায় কৰা। মোৰ লগত মিলিব পৰা। বাৰু পূজা তুমিওটো বিয়া হোৱা নাই কিয়?

ঃমোৰো অৱস্থা ঠিক তোমাৰ দৰেই অৱস্থা। এজন আহিছিল। মোৰ ইচ্ছা ন ছিল। তথাপিতো মাৰ কাৰণে মানুহজনৰ লগত কথা পাতিলো। মই সুধিছিলো আপুনি বাৰু কিতাপ পঢ়ি ভাল পায়নে? তেতিয়া মানুহজনে কলে কিতাপ আৰু কি পঢ়িবা আমাৰ আৰু সেইবোৰ সময় নাই। স্কি শিকিলো সেইখিনিতে শেষ। মোৰ মনতে অত্যন্ত খং উঠিল। কাৰণ কিতাপ মানুহে মৰবালৈ শেষ কৰিব নোৱাৰে। এইজন কেনে ধৰণৰ মানুহ। মাক মই বিয়া নহওঁ বুলি কলো। মোকো লাগে এনেকুৱা মানুহ যিজনে মোক বুজি পায়। কিতাপৰ লগত যাতে তেওঁৰ নিবিড় সম্বন্ধ। বাৰু জান তোমাৰ মনৰ ছোৱালী কৰবাত পাইছানে?

ঃএতিয়াহে পাইছো।

ঃকতা? কি নাম?

ঃইয়াতে। তাইৰ নাম পূজা। বাৰু পূজা যদি তোমাক মই বিয়াৰ প্ৰস্তাৱ দিওঁ তুমি মান্তি হবানে। তুমি মোৰ জীৱন লগৰী হবানে?

ঃএইটো কথা ভাবিব মোক একসপ্তাহ সময় লাগিব।

ঃকিয় পূজা আজিয়েটো উত্তৰ দিব পাৰা।

ঃমই আজি নোৱাৰো।

ঃবাৰু হব একসপ্তাহ সময় দিলো।

এই সপ্তাহটো নাযায় নুপুৱাই। কি কৰি কটাও। পূজাক হবলা কৈ মই বেয়া কাম কৰিলো। মনতে ভাৱো। নাই নাই একো বেয়া কাম কৰা নাই। এই সপ্তাহটোত মই গুৱাহাটীলৈ গুছি আহিলো। সপ্তাহটো শেষ কৰি আকৌ ডিব্ৰুগড় পালো। আবেলি পূজাহঁতৰ ঘৰত গলো। পূজা ঘৰত নাই। মোক মাকে বহিব কলে। মই বহিলো। অলপ সময় পিছত পূজা সোমাই আহিল। মোক দেখি তাই কলে যে এনেকৈ নোকোৱাকৈ



তুমি কত ঘোৱাহে। মোৰ কিমান চিন্তা হয় তুমি কি বুজিবা। এনেকৈ কৈ তাই ভিতৰলৈ গল। অলপ পিছত চাহ দুকাপ লৈ আহি মোৰ সন্মুখত বহিলে। মোক কলে কোৱাচোন জান মোৰ বাৰু উত্তৰটো কি? পূজা উত্তৰটো তুমি এইমাত্ৰ দি গলা। তাই লাজতে হাঁহিলে। আৰু বহাৰ পৰা উঠি আহি মোৰ ভৰিত ধৰিলে।

দুমাহৰ পিছত আমাৰ বিয়া। কাইলৈ মই দিল্লীলৈ যাম গতিকে আজি এবাৰ পূজাক লগ ধৰিব লাগিব। মই কাম শেষ কৰি পূজাৰ ওচৰ পালো। তায়ো কাম বন শেষ কৰি মোলৈ ৰখি আছে। মই যোৱাত তাই মা যাওঁ বুলি আমি দুয়ো একেলগে ওলাই আহিলো। বহু সময় কথা বতৰা পতা নাই। আমি মাথো নিৰবে গৈ আছো। এনেতে লৰা এজনে চাইকেল লৈ আহি আমাৰ ওচৰত ৰখাৰ দৰে কৰিল আৰু কলে মেডাম ঘূৰিছে ফুৰক। মোৰ অত্যন্ত খং উঠিছিল। ভাবিছিলো দৌৰি গৈ ধৰোই নেকি? পূজাই কলে, "বলা জান পাৰ্কত বহো।" মই কলো "নাযাওঁ। পাৰ্কতো আমাৰ ছাত্ৰ-ছাত্ৰী ওলাব।" পৃথিৱীৰ বুকুলৈ এন্ধাৰ নামি আহিল। মই নিৰৱতা ভংগ কৰি কলো পূজা সেই মন্দিৰ-টোলৈ যাওঁ বলা। পূজাই কলে বলা। আমি মন্দিৰলৈ গলো। তাই মন্দিৰৰ মজিয়াত বহিল আৰু মই তাইৰ কোলাত শুই পৰিলো। অলপ সময় হৈছে। এনেতে বাহিৰৰ পৰা মাত শুনা পালো। ঐ নাযাবি নাযাবি

কোনো নাযাবি। তাত ভূত আছে। সৌরা চা চুলি মেলি বহি আছে। মই পূজাৰ কোলাৰ পৰা উঠি বহিলো। এনেতে আকৌ শুনিলো এজন নহয় ঐ দুজন। মই উঠি আহিলো। সেইজন লক লৰাই আমাৰ ফালে আঙুলি দেখাই দেখাই লগৰ কেইজনক কৈ আছে। মই সিইঁতৰ ফালে আগুৱাই যোৱাত সিইঁতে আহিছে আহিছে পলা বুলি কৈ দৌৰিব খোজোতে মই এজনক খাপ মাৰি ধৰিলো। তেতিয়া ল'ৰাজনে কলে মই আপোনালোকক ভূত বুলি ভাবিছিলো আংকল। এনেতে পূজাও মোৰ ওচৰ পালে। লৰাজনৰ কথা শুনি মোৰ হাঁহি উঠিল আৰু লৰাজনক মই যাব কলো।

পূজা এই মহানগৰত কতো ঠাই নাই। বলা আমি ঘৰলৈ যাওঁ। পূজায়ো কলে বলা। আহি আহি পূজাৰ ঘৰ পালো। তাই মোৰ কালে একেথৰে চাই ৰ'ল তেতিয়া প্ৰায় এন্ধাৰ। মই টপককৈ পূজাৰ গালত চুমা এটা দিলো তায়ো দিলে। মই তাইৰ পৰা বিদায় লগো। ৰাস্তাই ৰাস্তাই ভাবি গলো। এই পৃথিৱীত কতো এটুকুৰাও ঠাই নাই যত অলপ সময় কথা পাতিব পাৰি।

—×—

—কৌতুক—

হৰকান্ত কলিতা

প্ৰেমিক—গিমি, মোৰ লৈ বৈ থাকি বৰকৈ ব'ৰ হৈছা নেকি ?

প্ৰেমিকা—আৰম্ভণিতে হৈছিলো, পিছে তোমাৰ কথা ভাবি থাকোতে সময়বোৰ কেনেকৈ গ'ল গমেই নেপালো।

প্ৰেমিক—ইচ্! মযো যদি তোমাৰ কথা ভাবিলোহেতেন, ইমানে নহাকৈয়ে থাকিব পাৰিলোহেতেন।

শিৱ শিল, উ: মা: ১ম বৰ্ষ

—অফিচলৈ যাব ওলাই, বৰুৱাই কোটৰ জেপত হাত ভৰাই চাই, ঘৈণীয়েকক সুধিলে

—মোৰ কোটটো তুমি ব্ৰাচ কৰা নাই ?

—কিয়, চাফ হোৱা নাই নেকি ?

—নহয়, মানে জেপত থকা এশটকিয়া নোটখন আজি এতিয়াও আছে।

—×—

# সম্বিধান বিচাৰি

শ্ৰীবিকু দাস

স্নাতক দ্বিতীয় বৰ্ষ (কলা)

খিৰিকি খন বন্ধ কৰিম বুলি ভাবি হাতখন আগবঢ়াই বৰ্ণালী বৈ গল। নাৰিকলৰ গছজোপাৰ হালি জালি থকা ডালবোৰৰ ফাঁকে ফাঁকে দেখিবলৈ পোৱা গল দিকৰি দিক্ নেদেখা বিস্তৃত মেঘাচ্ছন্ন আকাশ। ডাৱৰৰ আঁৰে আঁৰে নিজকে প্ৰতিভাত কৰাৰ বিৰাট চেষ্টাত ব্ৰতী তৰাবোৰক কিয় জানো বৰ্ণালীৰ খুব আপোন লাগে। তাইৰ কাষৰ কোঠালীটোত তাইৰ এক মাত্ৰ ছোৱালী 'সবিতা' শুধ বগা সাজেৰে গাৰুটোত মূৰতো গুজি পৰিআছে। হঠাৎ চাৰিমহিয়া একমাত্ৰ ভতিজা নয়নৰ কান্দোন আৰু তাইৰ মাক আৰু দেউতাকৰ ৰথা নিচু কনিত বৰ্ণালী সচকিত হৈ উঠিল। সঁচাকৈয়ে এই দুটা মাহ যে কেনেদৰে অতিবাহিত হৈ গৈছে তাই নিজেই ধৰিব পৰা নাই বোৱাৰীয়েকৰ মুখা মুখী তাই আজিও হব পৰা নাই। সকৰে পৰা অলপ ভাবুক আৰু কল্পনা প্ৰৱণ হোৱা ষাবে নেকি এনেকুৱা নিষ্ঠুৰ বাস্তৱৰ মুখা মুখী তাই নিজকে কৰিব পৰা নাই।

খিৰিকিৰ ৰেলিঙত ভেজা দি তাই তাইৰ স্মৃতিৰ গোপন মণিকোঠত সোমাই পৰিছিল আৰু অৱসাদগ্ৰস্ত চকুৰ আগেৰে পাৰ হৈ গৈছিল তাইৰ এৰি অহা দিন বোৰ।

একমাত্ৰ ককায়েক প্ৰণৱ আৰু মাক দেউতাকৰ সৈতে সিহঁতৰ আনন্দৰে ভৰপুৰ সংসাৰখন। মাথো ডেৰটা বছৰৰ আগতে প্ৰণৱৰ বিয়া হৈছিল। তেজৰঙা ফুলবছা ৰিহা মেখেলাজোৰেৰে আৰু কপালত ডগমগীয়া উদিত সূৰুযৰ দৰে বঙা ফোটটোৰে সৌ সেইদিনাখন বোৱাৰীয়েক কমীয়ে প্ৰৱেশ কৰিছিল সিহঁতৰ ঘৰখনত এবুকু আশা লৈ। বৰ্ণালিৰ আজিও কাণত বাজি আছে বোৱাৰীয়েকৰ শিৰত সেন্দুৰৰ ৰেখা আঁকি দি সিহঁতৰ আইতাকে দিয়া আশীৰ্বাদবোৰ।

আজিৰ পৰা মাত্ৰ চাৰিটা মাহৰ আগতে সিহঁতৰ মাজত আনন্দৰ সফুৰা খোৱাবলৈ নয়নৰ জন্ম হৈছিল। তাৰ অকনমানি হাত দুখনৰে আলফুলকৈ সাৱতি ককায়েকে তাইক কৈছিল "জান বৰ্ণালী" নয়নক মই প্ৰকৃত মানুহ হিচাপে গঢ় দিবলৈ চেষ্টা কৰিম। এইখন সমাজত সততাৰে সাহসেৰে আৰু বিবেকেৰে জীয়াই থাকিবলৈ সাহস দিম। সেইদিনা বৰ্ণালীয়ে ককায়েকৰ দুচকু ভবিষ্যতৰ স্বৰ্গ স্বপ্নৰে উজ্জ্বল হৈ উঠা দেখিছিল। কিন্তু সেইজন ককায়েকে মাত্ৰ দুমাহৰ আগতে ... ... ...। উহ! বৰ্ণালীৰ সেই সৰ্বনাশীয়া দিনটো চকুৰ আগত জিলিকি উঠিল।

কলেজৰ পৰা আহিয়েই বোৱাৰীয়েকৰ ব্যস্ততাৰ পৰাই বৰ্ণালীয়ে গম পাইছিল যে চাকৰিত থকা ককায়েক সন্ধিয়া আহি পাব। গতিকে সোনকালে ভাত পানী খাই আহৰি হৈ তায়ো

বৈ আছিল সন্ধিয়া ওডালগুবিৰ পৰা আহি পাবলগিয়া বাছখনলৈ। নয়নক মাকৰ কোলাত দি ছুয়ো বৈ আছিল চোতালৰ বকুল জোপাৰ তলত। অলপ অলপ কৈ সময় আগবাঢি অছিল আৰু কৰ নোৱাৰাকৈয়ে কোনোৱা গাভৰুৰ কলা চুলি টানিৰ দৰে এন্ধাৰে দুয়োকে আৱৰি পেলাইছিল। কিবা এক অজান আকাংখাত ছুয়ো ভিতৰি ভিতৰি শিয়ৰি উঠিছিল। ও.বৰ ৰূপহঁতৰ ঘৰৰ পৰা টিভিৰ বাতৰি বতাহত ভাহি আহিছিল। কিন্তু শুনিবলৈ দুয়ো সাহস কৰা নাছিল। এনেতে খবৰটো পইছিল হয়, ঠিক সেই সময়তে চুবুৰীটোৰ নীলিম, অসীম, ৰাজহঁত উদ্ধীগ্ন হৈ দৌৰী গৈছিল।

তাৰ পাছত মানুহৰ মুখে মুখে ৰাষ্ট্ৰ হৈ পৰা সেই সৰ্ব্বনাশীয়া খবৰটো সিহতৰ উৎকলিত হৃদয়ে শুনিছিল যে সন্ধিয়া ওডালগুৰিৰ পৰা গুৱাহাটী আহি পাবলগীয়া বাছখনত বোমা বিস্ফোৰণ হৈছে। তাই বোৱা হৈ গৈছিল। তাইৰ ভৰিৰ তলৰ পৰা পৃথিৱীখন যেন আঁতৰি গৈছিল।

কান্দি, কান্দি বাউলি হৈ পৰা বৌজনীক সান্ত্বনা দিয়াৰ ভাষা সেইদিনা কাৰো নাছিল নয়নৰ সৰল নিৰ্বোধ চকুহুটিত বৰ্ণালিয়ে সেই-দিনা ককায়েক প্ৰণৱক দেহৰ ছিন্ন বিছিন্ন অংশ কিছুমান তুলি দিয়া চিতাৰ জুইৰ বেঙনী দেখিবলৈ বৃথা চেষ্টা কৰিছিল। চিঞৰি চিঞৰি নেদেখা শক্তিক তাই অভিশাপ দিছিল। তাৰ পিছত মানুহৰ সন্থনা পৰামৰ্শ আদিৰে গতানুগতিক ভাবে দুটা মাহ পাৰ হৈ গৈছিল।

লাহে লাহে তাই ঘৰখনৰ পৰিস্থিতি স্বাভাৱিক কৰিবলৈ চেষ্টা কৰিছে। কিন্তু বিচনাত শুৱাই থোৱা অকণমানি নয়ণৰ ওচৰত আহিলেই তাইৰ মগজুত এটা প্ৰশ্নই ক্ৰিয়া কৰে যেন কোনোবা হিংসাত উন্মাত্ত জনতাৰ স্বাৰ্থৰ বলি এই চাৰিমহীয়া সন্তান-টিৰ দায়িত্ব কোনে লব? কোনে তাক পিতৃৰ মৰমেৰে সাৰতি লব! নাই নাই আৰু তাই এতিয়াও বিশ্বাস কৰিব পৰা নাই।

তব যৌৱনা কমৈয়ে বৌজনীক বৰ্ণা সাজজোৰেৰে ......। চকুৰে লিগৰি আহি হাতত পৰা ঘটোপাল অশ্ৰুৰ স্পৰ্শত বৰ্ণালীয়ে সম্বিত ঘুৰাই পালে আৰু দেখিলে তুলনাৰিহীন আকাশৰ পৰা বৃষ্টিৰ বেখা সূতাৰ দৰে নামি আহিব ধৰিছে অবিৰত ভাবে।

—×—

*****

# Dr. Amartya Sen, a son of India.

Sri Poresh Chandra Borah
Dept. of Economics.
North Guwahati College

My hat offs to Dr. Amartya Sen not because he is adorned with the Nobel Prize in economics but because he used to think, think and think for the downtrodden and unprivileged people of India and Africa. He was born with a silver spoon in his mouth and yet his heavy heart was always with the poorest of the poor of the society. In this respect he is in the same line with Mahatma Gandhi, the father of the nation and Pandit Jawaharlal Nehru.

Dr. Amartya Sen was born in Santi Niketan in the year 1933. His father was Ashutosh Sen and mother is Amita Devi. His grand father was powerful and dreaded Justice Sarada Prasae Sen. Ashutosh Sen was Chairmun of the Bengal Public Service Commission. His maternal grand father Khitimohan Sen was the right hand of Kabiguru Robindra Nath Tagore. The name Amartya was given by Robindranath, the first India Nobel Laureate. Amartya Sen had all the bleshings from Kabiguru. He comes of such a rich heritage, that could be possible in case of very few Persons. He had his early education in Santi Niketan. He stood 1st in I.Sc. Examination from Calcutta University. Then he got admitted into the presidency college in the Arts faculty. He was also a graduate from Presidency College. Then he was

pressed for the I.A.S. but Dr. Sen preferred the teaching Profession. He had been to Trimity College Cambridge and bagged the pretigious Adam Smith award there. Before going to Trinity College he asked his father only for initial expenditures. Actually he managed his expenditure by getting various awards. In 1956 he was appointed Professor of Economics in Jadavpur University. He was the youngest Professor there. He served Delhi schools of Economics, London schools of Economics, Oxford, Harverd and lastly Trinity College. He is Ph.D on "The choice of techniqne" under the supervision of another giant, Joan Robbinson.

Dr. Sen is out and out a welfare economist. Frior to him, Prof. Marshall also mingled economics with welfare. But there is a defference between their welfare concepts. Prop. Marshall, Pigue and other western economicts viewed this aspect with their own visions without having any touch with the ground reality of poverty famine, illeteracy, inequality, gender related deprivation of 80 P.C. of the population. Dr. Sen is emotionally attached to the poorer of the Indian and African people. The Bengal famine of 1943 and communial riot of India left in his mind uneraseable stigma. Since them he has always been thinking for the upliffment of those downtrodden. 80 P.C. of global poputation.

Humanism, secularism, equality, rationality, pluralism and opposition to nuclear weapons are the basic themes of his works. Dr. Sen is one hundred percent opposed to neo liberal economic paradigm. He is not just an economist. He is one of the world's greatest philosophers, the rare breed who links economics not to the "Iron low of Demand and supply but to the real world of flesh and blood choice and transoctions which involves values, institutions and and pattern of behaviour."

Dr. Sen was not opposed to globalisation. But globalisation must aim at social welfare, which he has been always advocating. Dr. Sen prefers democratically elected Govt. which can control globalisation. Open economy, to him, is not bad but it must work under the control of the people's Govt. He gives emphasis on agricultural devolopment for alleviating rural proverty. In opening up the national ecomomy the welfare of the people should not be allowed to suffer. Economic policy should be such that could remove hunger, ignorance and prejucice. Globalisation in the present form, according to Dr. Sen, runs the risk of turning into an iustitution of oppression. In such a situation democracy itself will go down the drain. According to Dr. Sen famine did not result from natural causes and food scarcity some countries exported food even as thousands starved. In 1943 Bengal famine killed about 4 millions but the British Govt. sent food grains abroad to meet the need of the second World War. So to check such undoings, a democratically elected Govt. with free media and wakeful public will be the best instrumsnt to check famine. "the absence of democracy is not just a violation of human rights and political liberty but it is also, a major violation of people's security, in the most basic sense, the security of survival." Dr. Sen is unique in his dealings. His heart always goes to the down trodden people of India and Africa on oct 14, 1998, this lover of the down-trodden was awarded the greatest honour that one can ever expect the Nobel prize in Economics. The Swedish Royal Academy of Science selected Amartya Sen for the 1998 Bank of Sweden prize in Economic Sciences in the memory of Alfred Nabel worth of $ 978000 ( Rs. 4.1 crore ) this year. This is a reward to India and a reward to of the world the down-trodden people. We are all proud of Dr. Amartya Sen. I wish him all the best in life.

Soce sen's major words.

1960—Choice of techniques.

1970—Collective choice and social welfare.

1973—On Economic Inequality.

1976—Proverty : An ordinary approach to measurement ( Econometrics ).

1977—Rational foots : A critique of the be-havioural foundations of Econonmic Theory. (Philoshopy and Public Affairs)

1980—Equality of what ? (Tanner Lectures on human values, Volume I, ed S. Mc Currin)

1981—Proverty and Famines

1984—Resouroes, values and Development.

1985—Comodities and capabilities.

1989—Hunger and Public Action.

1992—Inequality Re-examind.

1993—Marks and Freedom ( Oxford Economic Papers )

1995—India : Economic Development and Social co-operation ( with Jean Dreze ).

1998—Indian Development : Selected regional perspectives (Co-edited with Jeen Dreze).

– x –

"Imposible" is a word found in the dictionary of the fools.

—Nepolion Banapert,



# GLOBAL WARMING

N. C. BORAH
M. N. DEKA
Deptt. of Botany
N. G. College

People all over the world have felt that mother earth is getting warmer day by day. Everyone has experienced the dreaded dry season this summer. One often hears that summer days have become unbearable day by day.

This is due to imb alance in the constituents of the atmosphere. Our atmosphere consists of several gases and water vapour. Major components of the atmosphere are Nitrogen, Oxygen, and Water vapour But the trouble started with one minor component, that is carbon dioxide.

The level of carbon dioxide which was 283 ppm ( parts per million ) in the year 1880, has the present level at 356 ppm. It is a serious environmental concern. It has the potential to rival nucleas wars in terms of massive irreversible damage to the environment.

Among the constituents of the atmosphere only carbon dioxide and water vapour strongly absorb infrared radiation and effectively block a large fraction of the earth's emitted radiation. The radiation thus absorbed by carbon dioxide and water vapour is partly reemitted to the earth's surface. The net result is that earth's surface gets heated up by a phenomenon called the Greenhoues effect and creating global warming.

The phenomenon of global

warming is a result of certain human activities in the planet. One of the major causes leading to global warming is the high doses of $Co_2$ released into the atmosphere at abnormal rate. Carbon dioxide is released to the atmosphere due to burning of wood, coal and petroleum products. There is a strong connection between the average temperatures and the carbon dioxide level in the atmosphere. With the rise of carbon dioxide leves in the atmosphere, a peculiar condition is created in the atmosphere, which traps the carbon dioxide in the atmosphere.

This finally warms up the atmosphere leading to the rise in the average temperature of the planet. It is claimed by the researchers that the average temperature of the earth has gone up by almost one degree since 188). It is predicted that it might go up by 3 degrees celcius by 2050.

Carbon dioxide is not the onl culprit contributing to green house effect and global warming. It is the major green house gas but there are other green house gases metham chlorofluorocarbons, nitrous oxide, and water vapour. It is a matter of concern as the concentration of these radiatively active gases is increasing significantly each year.

It may be noted that a slight increase in surface temperature, say 1°c. can adversely effect the world food production. Thus the world wheat wrowing Zones in the northern latitude will be shifted from CIS (formerly USSR) and Canada to the poles i e. from fertile to poor soils. In India, some climate models predict a drop in wheat ptoduction in the fertile northern belt. The Biological productivity of the Ocean would also decrease due to warming of the surface layer.

Rise in sea level by as much as 2 meters would threaten costal countries. Some 60-odd is land nations who face deep inroads by the sea, like the Maldives, Bangadesh may be totally submerged. In India coastal cities such as Chennai, Goa may meet similar fates.

How to bury the problem? Could pumping carbon dioxide into the ground forstall global warming.

In December, 1997, world leaders gathered in Kyoto. Japan, to grapple with the threat of global warming caused by burning of fossil fuels. In the meeting several measures were cited for tackling the problem.

One method is simply to grow more trees, which take carbon from the atmosphere and convert it to woody matter. It is estimated that 10 to 15 percent of the carbon dioxide problem could be solved in this way. We must put a halt to deforestation.

Another method is—placing the carbon where it does not contact the atmosphere at all, that is, pumping carbon dioxide into the deep ocean. The ocean contains at least 50 times more carbon than the atmosphere does, so adding the carbon dioxide from the burning of fossil fuels to the sea would have proportionally smaller effect.

—x—

—A Good bock is the precious life-blocd of a master spirit, embalmend and treasured up on purpose to a life beyond life.

John Milton—Areopagitica

# Librarian as in information

Sri Rama Kanta Baruah
B.A.B.L.I.Sc
Librarian
North Gauhati College

Owing to broadend functions of a modern library, the librarians have expended their role of custodians of information by adding the new role of a teacher, which their clientele needed to bestow upon them. Majority of theses and books published today incorporate consent for librarians' new role in their forewards and prefaces. A great deal of learning occeurs in library, in addition to classroom, where librarians academically facilitate learning and guide in using digital software in first hand research and active learning. The actual help given by reference librarians to researchers and students in surely an active partnership in teaching. As students who have utilised this teaching help over a generation, are themselves senior faculty members, they gladly accept the teaching role of librarians in learner centered teaching and in electronic class room. Librarian help in deriving meaning out of information. Librarians provide academic medіacy in research and learning. Librarians reduce plethora of information to a manageable size by users.

It information super highway today provides too much of information and too little organization, the pathology can be cured only by the principles of classification in idea plane, verbal plane, notational plane and electronic digital plane. Librarians have played this game effectively over centuries with print materials. Now a days, most of the librarians are well equipped with digital materials and they know the vartical orgazization of knowledges. In numerious ways, the libaarians are already interpreting IT (information technology) to usera in their learing processes.

With various kinds of expe rience in the field of library, Librarians possess knowhow of introducting IT Information technology) in classroom teaching, by virtue of their knowledge of Classification and cataloguing and more importantly, their experience of reference service, can assist in making IT. more flexible and make it go beyond merely multiple choice questions in existing software in computer.

In the field of management of Information Technology, for use by learners, the librarians play a vital role of providing "Clinical Information" by dignosing information needs and problems and by prescribing relevent sources and materials.

Above all, our vice chancellors, Principals of Colleges, University Grants Commission should have been very supportive of and sympathetic to the couse of developing libraries.

—×—

"A complete and generous education is that which fits a man to perform justly, skilfully and magnanimously all the offices and private of peace and war."

— Milton

# Impact of Pollution on Environment

DILIP DAS
Deptt. of Physics

Pollution means modification of the Environment by release of noxius materials rendering it harmful or unpleasant to life.

If Pollution is not properly controlled some typical phenomena are observed. That is why study of Pollution impact is essential, There are var ious types of Pollution all over the world. Or Pollution happen in defferent way which adversely affect the global environment.

Reduction of ozone layer due to Pollution : – Ozone is an important element in the stratosphere. It is formed by photochemical reaction and can strongly absorb the ultraviolet radiation coming from the sun which is very dangerous for living organism. So we can say that ozone layer to acting as a natural Sun glass protecting living organism from radiation damage. But it is seen that due to human activity such as nuclear explosion, supersonic air craft flight large quantity of $No_x$ is produced and the produced $No_x$ gas directly enter the stratosphere. It has been recently confirmed that Chlorofiuro Carbon ( CFC ) is also responsible for reduction of Ozone Concentration in stratosphere. CFC is nowadays used extensively as refrigerents.

Now human society has a collective responsibility to protect ozone layer by any means which can protect living organism.

Green house effect :—
The well known atmospheric constituents are Oxygen, Nitrogen Carbondioxide. watervapours and some trace amount of other gases. Solar radiation can pass easily through the above gases because Solar radiation comes in a short wave length to the earth and it gets modified to thermal radiation and reflected back. But thermal radiation can not pass through $Co_2$ and water vapour. that is thermal radiations are absorbed by $Co_2$ ane water vap. when level of $Co_2$ in atmospher is low there is no problem for thermal absorption. But due to deforestation the level of $Co_2$ in atmospher increases and form a$Co_2$ layer at the surface of the earth just like a blanket. This $Co_2$ blanket absorb all thermal radiation re emitted from the earth surface and temperature of the surface of the earth gradually increases.

The phenomenon by which the earth surface get heated is known as green house effect.

This increased temperature of earth surface can melt ice in the Polar region. That is why the level of the sea rise which may cause flood of the low lying areas of the world. A slight increase of surface temperature can adversaly effect biological productivity.

Therefore it is very necessary to take steps for forestation to maintain green house effect all over the world.



Noise Pollution :

Noise is also one of the pollutants. Noise means random vibration. Technically we can use the term sound because noise. Includes all kinds of sounds. Sound is a form of energy which can give sensation of hearing.

The common source from which the noise comes are Machine, Jet Engine, radio. stereo etc. Human ear can have the frequency range from 16,000 Hertz to 20.000 Hertz. The unit for the measurement of noise is celled decibel (db). Normal comfort level of sound is upto 60 db. People may feel discomfort at the range of 88 db. Above the 88 db people have headaches. Most people listen to Rock and Roll music which have created 100 db can cause temporary deafness in humans. People will feel pain when noise level is arround 145 db.

Effect of noise is very drastic. It can damage the hearing cells in the inner ear are damaged acutely due to very severe inpact from noise of high intenity.

Noise of high intenity can accelerate the level of cholesterol in the blood of humans and finaly increase the blood pressure.

Therefore it is necessary to take preventive measure which can minimise the noise poll ition in the advanced world that people can live in a comfortable manner

D.D.T. and water pollution :—

Like air, water is also a most vital requirment for life. Without water life can not survive. We need pure water for living. But pollutant can enter water very easily in different ways. The most dangerous pollutant for water and soil is D.D.T. D.D T. is a chlorinated hydrocarbon used as pesticides to increase the food production in various part of the world. When we use excess amount of D.D.T. it is washed off allong with the rainfall to fresh water by it. Extensive use of D.D.T. results into percolation of it into soil through rain water. From soil D.D.T. passes into plant bodies in which the ocentration is very high than that of the soil then this D.D.T. is transferred from plant to carnivorous through harbivores and finaly through food chain D.D.T. gets into human beings. It is not a degradable substance which is very dangerous to health.

D.D.T. is supposed to be a Cancer producing agent. It has been found that it affects human reproductivity by killing sperms and hence lowering fertility. D.D.T. can cause liver furmours.

Most of the developed countries have already banned the use of D.D.T. But it is seen that most of the developing countries are still using this substance. So it is necessary to take preventive measure not to use D.D.T. Just like developed countries under developing countries also try to substitute other substance which is not harmfull for life,

"EVERY BODY SHOULD TRY TO RESTRICT ENTRY OF POLLUTANT INTO THE EVIRONMENT AS FAR AS POSSIBLE TO KEEP ENIRONMENT WITHOUT MODIFICATION."

—x—

# Report of the Principal

Dhirendra Nath Kalita
Secretary/Principal i/c
North Gauhati College

As per instruction of the Special Body, North Gauhati College vide Letter No. NGC/S.B.6/98/856-861 dt. 25.8.98 I had the pleasure of obliging the august Body of North Gauhati College by taking charge of the Principal's Office w.e.f. 26.9.98.

The freshly formed special Body of the College as per Govt. notification dt. B (2) H.284/96/32A 2. 9. 97 took charge of the management of the College w.e.f. 2. 9. 97 and as Vice-Principal and Secretary of the Committee I have been offering service to institution since 2.9.97. As a founder teacher of theinstitution since Feb. 1964. I had the proud previledge of extending my sincere service to the alma-matter in various capacities, such as Head of the Department of History and as N. C. C. officer of the institution since 1964.

The Special Body of the College had to open the account of the institution with lots of pending liabilities hindering the smooth go at verious levels. But the methodical steps in every direction, as per wise suggestion of the experienced members of the Special Body in-fused new blood to the life of the institution. As a first step towards taking up the pormising programmes in our hand, the basic concept of harmony and Co-operation among the various groups of members of the College community could be gained unequivocally.

It has been observed that the long felt needs of the institution need to be fullfilled soon. But the severe financial crunch in the exhausted coffer of the college made it difficult to go ahead with the works of development and design. It is a great pleasure to

note that during the tenure of my service into the office of Secretary/Principal of the college much of the backlog in the functional agenda have been cleared to augment the smooth fuctioning of the institution. Mention may be made of the following.

(1) The pending cases of confirmation of as many as 15 employees of the College have been smoothly settled.

(2) Arrangement has been made to make upto date payment of all out standing dues as far as practicable.

(3) The financial position of the college has been gradually improved and strict financial discipline has been maintained in all branches of the college.

(4) The enrolment of the college has been found encouragingly increasing and result in every faculty of studies speaks firmly in favour of the academic improvement in faculty branches.

(5) The Committee if highly grateful to the guardians, general public and well wishers and the Government for the all round support and help being extended to the institution from time to time.

6 a) It is noteworthy that after getting clearance of 8th plan period grants the U.G.C. has been kind enough to sanction a grant of Rs. 9 lacs for the all round development of the College, of which an amont of Rs. 4'5 lacs will be spent for construction of building and 4.5 lacs for purchase of Books and journal and equipment of the College.

(b) The D. R. D. A. Kamrup has already sanctioned Rs. 1 lac for the construction of the stage portion of the Auditorium building of the College. In this project we are grateful to Local M.L.A. Sri Bhrigu Kumar Phukan for his kind recommendations for the project. We have also received another 1 lac more from the D.R.D.A. for the completion of the stage portion of the Auditorium.



(c) The College authority is going to start a computer training centre by purchasing computer for the College and also proposes to start an information Centre in the College for the benifit of the students.

(d) Some of the generous members of the IIT Guwahati group of workers have encouraged us to undertake campus develoment projects for which their kind help and expected donation has been deemed as the basic capital for our success.

(e) The Rajya Sabha M. P. Dr. Monomohan Sing and Local M.P. Sri Bhubaneswar Kalita have been approached by the College authority to allocate a substantial sum from M. P. quota for the development of the College. Already a Project report has been submitted to Dr. Monomohan Singh M.P. who has sent his representative to visit the College on 13.2 99. They inspected the site and plan and estimate of the building amounting to Rs. 10.07 lacs in memory of king Rudra singha. We have received this grant and Dr. Singh has been requested to lay the foundation stone of the said project.;

(f) Another step taken by the Special Body is the Development of College fishary and play ground.

During the period of the term of the special Body the College proudly enjoyed permanent affiliation of the College which is deemed as a sound achievment of the institution.

North Gauhati College which was started in 1962 has already crossed the mileage of 37 years of its life and many person in service since its inception have attained supernuation, one after another while appreciating the long dedicated service of those person, we bade farewell to some of them with heavy heart. Of them, we had to offer grand farewell to the following persons in my tenure as follows.

1) Sri Manindra Kumar Baroosh
2) Sri Parama Nanda Kalita

3) Smt. Raju Bala Uzir
4) Sri Kali Pada Ganguli
5) Sri Indra Bilash Upadhaya

While remembering their service to the institution we pray God for their sound health and long life.

All efforts have been made to staff the academic department as per Gauhati University guide lines and we have approached the Govt. for fulfilling the needs in matters of office staff too.

While congratulating all in the thresh-hold of combind endeavour in re-structuring and renovating this centre of education, I offer my sincere gratitude to the members of the Special Body, my sincere colleagues, well wishers and generous public for their all round Co-operation in all activities of the institution.

I am really happy that the student community alongwith the student Union of this institution too have shown their earnest urge to uphold the values of education in the floor of our institution. With all such steps ahead we can boldly predict a dynamic growth of North Gauhati College for all time to come.

With all thanks.

—x—

*Copy of the letter from Dr. M. M. Singh (MP) expressing his kind desire to help growth of the College.*

MANMOHAN SINGH
LEADER OF OPPOSITION
(RAJYA SABHA)

सत्यमेव जयते

43, PARLIAMENT HOUSE,
NEW DELHI - 110001
PH. : 3016707, 3034883
FAX : 011-3016707

9, SAFDARJUNG LANE,
NEW DELHI - 110011
PH. : 301-5470

No.RS/LOP/98

2nd July, 1998

Dear Shri Kalita,

Kindly refer to your letter No. NGC/S.B.6/98/266 dated 24th June, 1998 regarding financial assistance from M.P. quota for the North Gauhati College. I shall be grateful if you will make a proper project proposal and submit to the Deputy Commissioner, Kamrup whom I have asked to draw a list of schemes for the year 1998-99.

With kind regards,

Yours sincerely,

Manmohan Singh
(MANMOHAN SINGH)

Shri Dhirendra Nath Kalita,
Secretary, North Gauhati College,
College Nagar,
Guwahati - 781 039



*Member of the Special Body*

North Guwahati College

1st row, Sitting (from left) : D.N. Kalita, Scry/Principal i/c, P. R. Chaudhury, H.P. Hazarika, Dr. M.M. Das (President) M.K. Barooah

2nd row, Standing (from left) : K. Boro, R.K. Sarma, B.K. Baruah, Hemendra Bora is not seen in the picture.

উত্তৰ গুৱাহাটী মহাবিদ্যালয়



“‘নগ’চিয়ান

সম্পাদনা সমিতি

চকীত বহি থকা (বাওঁফাল পৰা) অৱস্থিত ক্ৰমে–
অধ্যাপক হুপেশ দাস, শ্ৰী প্ৰফুল্ল কাকতি, অধ্যক্ষ শ্ৰীধীৰেন্দ্ৰ নাথ কলিতা, অধ্যাপক শ্ৰীযতীন চৌধুৰী, শ্ৰীদিপ্তীৰাণী শইকীয়া।

থিয় হৈ থকা– শ্ৰীহৰকান্ত কলিতা, সম্পাদক নগ’চিয়ান শ্ৰীৰবি বড়ো, সদস্য

অনুপস্থিত – সৰ্বশ্ৰী পৰেশ বৰা, হিতেন ভট্টাচাৰ্য্য, ডঃ ভৃগুমোহন গোস্বামী, মেঘজ্যোতি হাজৰিকা, মধুস্মিতা তামুলী আৰু সৌৰভ চৌধুৰী।

# *Our Pride*



*Sri Hemen Bezbaruah*
*Best Actor*



*Rinku Das*
*Best Player*



*Chandamika Sharmah*
*Best Debator*



# উপ-সভাপতিৰ প্ৰতিবেদন

চিৰসেউজী অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ্থে যিসকল বীৰ-বীৰাংগনাই জীৱন উছৰ্গা কৰিলে তেওঁলোকৰ ওচৰত নতশিৰে শ্ৰদ্ধাঞ্জলী যাচি গতানুগতিক নিয়মানুসৰি মোৰ এই প্ৰতিবেদনৰ পাতনি মেলিলো।

উত্তৰ গুৱাহাটী মহাবিদ্যালয় ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান। এই শিক্ষানুষ্ঠানৰ লগত জড়িত হৈ আছে কতজনৰ কত আশা আৰু সপোন এক শান্তিময়, নিৰাপদ, সুস্থিৰ নিশ্চিত ভৱিষ্যত গঢ়াৰ। ১৯৬২ চনত স্থাপিত হোৱা সৌ সিদিনাখনৰ গছপুলি যেন মহাবিদ্যালয় খনে এতিয়া পোখা মেলি ডাল-পাতেৰে বিকশিত হোৱাৰ পথত অগ্ৰসৰ। তুলনামূলকভাৱে খেলা-ধূলা, পঢ়া-শুনা আদি সকলো ক্ষেত্ৰতে ই আগবাঢ়ি যাবলৈ সক্ষম হৈছে।

আজিৰ পৃথিৱীত সকলোৱেই নিজৰ স্বাৰ্থপূৰণত তৎপৰ। অৱশ্যে ইতিহাস ৰচা মহান ব্যক্তি সকলৰ বিষয়ে মই ক'বলৈ যোৱা নাই। কৈছো মোৰ দৰে সাধাৰণ মানুহৰ। উপ-সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰাৰ অন্তৰালত আছিল মোৰ স্বাৰ্থসিদ্ধি। আৰু মোৰ স্বাৰ্থ জড়িত আছিল মহাবিদ্যালয়খনৰ উন্নতিত, ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ ৰক্ষা কৰাত, এক সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টি কৰাত কিন্তু মই মোৰ সেৱা আগবঢ়োৱাত কিমানখিনি ব্ৰতী হৈছো সেয়া আপোনাসৱৰ বিচাৰৰ ওপৰত।

এই এবছৰীয়া কাৰ্যকালত আমি যৎপৰোনাস্তি চেষ্টা কৰিছিলো মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ হকে। বহু সমস্যাৰ মাজতো বৰ্ত্তমান অধ্যক্ষ, শিক্ষাগুৰুবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ সন্মিলিত প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খন এক নৱৰূপত বিকশিত হ'বলৈ ধৰিছে আৰু আগলৈয়ো যেন ইয়াৰ যতি নপৰে।

আমাৰ কাৰ্যকালৰ ভিতৰত মহাবিদ্যালয়ৰ বিকাশমূলক/কাৰ্যৰ এক চমু খতিয়ান দাঙি ধৰিলো

(ক) নতুন শ্ৰেণী কোঠাৰ নিৰ্মাণ কৰা হয়।

(খ) বিদ্যুতৰ সুব্যৱস্থা।

(গ) নতুন অধ্যাপক-অধ্যাপিকা নিযুক্তিৰ প্ৰক্ৰিয়া বাহাল ৰখা হয়।

(ঘ) আন আন বছৰৰ দৰে এইবৰো মহাবিদ্যালয় প্ৰাংগণত শ্ৰী শ্ৰী সৰস্বতী পূজা

যথানিয়মৰে সম্পন্ন কৰা হয়।

(ঙ) কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি মহাবিদ্যালয় সপ্তাহ পালন আৰু বটাঁ বিতৰণ কৰা হয়।

(চ) সমাজৰ কল্যানাৰ্থে ১৩-১২-৯৭ তাৰিখে এদিনীয়া ৰক্ত দান শিবিৰ পতা হয়। শিবিৰত "(অসম আৰু গুজৰাট ভোলেণ্টাৰী ব্লাড বেংক এণ্ড বিচাৰ্চ চেণ্টাৰ)" ৰ সদস্যাৰ লগতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, আৰু শিক্ষাগুৰু সকলে যোগদান কৰে। বহুতো ছাত্ৰ/ছাত্ৰীয়ে ৰক্তদানো কৰে।

(ছ) নৱাগত আদৰণি সভা সুকলমে অনুষ্ঠিত কৰা হয়।

(জ) প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ মাজত এখন আলোচনা চক্ৰ আয়োজন কৰা হয়। আৰু সেই দিনাই কলেজৰ "(প্ৰাচীৰ পত্ৰিকা)" এখনিৰো শুভাৰম্ভণি কৰা হয়।

(ঝ) সদৌ কামৰূপ জিলা ভিত্তিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

(ঞ) ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে "(ছাত্ৰ-ছাত্ৰীৰ সাহাৰ্য্য পুজি)" এটা খোলা হয়।

(ট) বৰ্ত্তমান যুগৰ লগত খাপ খোৱাকৈ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে "(কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ)' নামৰ এটা বিভাগ খোলাৰ প্ৰচেষ্টা লোৱা হৈছে।

সাধাৰণতে মানুহৰ কামবোৰত অজানিতে বহুতো খুঁটি বৈ যায়। মোৰ কাৰ্যাকালতো এনে হোৱা স্বাভাৱিক আৰু সেইবাবে অজানিতে হৈ যোৱা ভূল ক্ৰুটিৰ বাবে সকলোৰে ওচৰত মই ক্ষমা বিচাৰিছো।

প্ৰতিবেদনৰ শেষত ১৯৯৭-৯৮ চনৰ উপ-সভাপতি পদৰ নিৰ্বাচনত সহায় কৰা সকলো বন্ধু বান্ধৱী আৰু শুভাকাংশীলৈ ধন্যবাদ জ্ঞাপন কৰিলো। যদিও ধন্যবাদ শব্দটো ব্যৱহাৰ কৰিলেই সকলো দায়িত্ব শেষ নহয় গতিকে সমূহ নগ'চিয়ান শুভাকাংশী আৰু বিভিন্ন দিশত পৰামৰ্শ দিয়া প্ৰতিগৰাকী শিক্ষাগুৰু আৰু ব্যক্তিৰ প্ৰতিছবি অন্তৰত থৈ মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

" জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়"

" জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰী ৰবি বড়ো
(উপ-সভাপতি)
(উঃগুঃ মঃ ছাঃ এঃ সভা)







## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সময় গতিশীল। সময়ৰ গতিশীলতাই বোৱাই আনে জটিলতাৰ জটিলতা আনন্দ আৰু বেদনাৰ। এনেকুৱা এক মুহূৰ্তত ১৯৯৭ চনৰ ৮ ডিচেম্বৰৰ দিনা মোৰ ওপৰত ন্যস্ত কৰা হয় সাধাৰণ সম্পাদকৰ এই গুৰু দায়িত্ব। এই ক্ষেত্ৰত আমি কিমানখিনি সফলতা অৰ্জন কৰিছো, সেয়া আপোনালোকৰে বিচাৰ্য। তথাপিও সীমিত সুবিধাৰ মাজতে আমি দায়িত্ব পালনৰ অকণো ক্ৰুটি কৰা নাছিলো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি মহাবিদ্যালয়ত এক শৃংখলাবদ্ধ সুস্থিৰ পৰিস্থিতি সৃষ্টিৰ মন মেলিছিলো। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি ৭৫ শতকৰা বাধ্যতামূলক কৰিবলৈ দাবী জনাওঁ।

যোৱা ১৩ ডিচেম্বৰত এক ৰক্ত দান কাৰ্যসূচী হাতত লৈ নগ'চিয়ান বন্ধু বান্ধবীক তেওঁলোকৰ ৰক্তকণাৰ বিষয়ে জ্ঞাত হবলৈ সুবিধা দিয়া হয়। এই কাৰ্যসূচীত সহায় কৰা বাবে (আসাম ,গুজাৰাট ভোলেণ্টেৰী ব্লাড বেংক এণ্ড বিচাৰ্চ চেণ্টাৰ)ৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

যোৱা ৭ জানুৱাৰী' ৯৮ ৰ পৰা হোৱা আন্ত মহাবিদ্যালয় যুৱ মহোৎসৱৰ যোগেদি আমাৰ নগ'চিয়ান বন্ধু-বান্ধৱীৰ প্ৰতিভাসমূহক বাহিৰা জগতৰ লগত চিনাকি কৰোৱাবলৈ সুযোগ পাওঁ।

বিশেষ কিছুমান এৰাব নোৱাৰা সমস্যাৰ বাবে কিছু পলমকৈ ২১ জানুৱাৰী ৯৮' ৰ পৰা সাত দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহ উদ্বোধন কৰে মাননীয় ঘণ হাজৰিকা দেৱে।

২৭ জানুৱাৰীৰ মুকলি আৰু বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত ভৱকান্ত শৰ্মাদেৱে। সভাত উপস্থিত থাকি শুৱনি কৰে মাননীয় শ্ৰীযুত দিলীপ চৌধাৰী, শ্ৰী অচ্যুৎ শৰ্মা, শ্ৰীযুত মনমোহন দাস আৰু শ্ৰীযুত মুনীন্দ্ৰ বৰুৱাদেৱে।

আনবছৰৰ দৰে এই বছৰো ছাত্ৰ সমাজৰ পৰম আৰধ্যদেৱী মাঁ সৰস্বতীৰ পদস্থলিত পুস্পাঞ্জলি অৰ্পণ কৰা হয়। ইয়াৰ বাহিৰেও গনেশ পূজা, বিশ্বকৰ্মা পূজা, মহাবিদ্যালয়ৰ

প্ৰতিষ্ঠা দিৱস আদি সুকলমে অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। শিক্ষক মণ্ডলীৰ লগতে বিপুল পৰিমাণৰ ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে আমাক বাৰুকৈয়ে উৎসাহিত কৰিছিল। এই অনুষ্ঠানতে মহাবিদ্যায়ৰ প্ৰাচীৰ পত্ৰিকাখনিৰ এক দীৰ্ঘকালিন অৱসৰৰ পিছত প্ৰকাশ কৰা হয়।

যোৱা ২০ ছেপ্তেম্বৰত (এন. চি. চি) আৰু (এন. এচ .এচ) ৰ সহযোগত পৰিষ্কাৰ পৰিছন্নতাৰ এক কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত দিহা-পৰামৰ্শ দিয়া বাবে শিক্ষা গুৰু শ্ৰী শশধৰ কলিতা, অমৰেন্দ্ৰ শৰ্মা, দিলীপ দাস আৰু মৃগেন ডেকা চাৰৰ শলাগ ললোঁ।

এইবাৰ অনুষ্ঠিত কৰা জিলা ভিত্তিক আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত কামৰূপ জিলাৰ বিভিন্ন কলেজে যোগদান কৰে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী শ্ৰী চন্দ্ৰামিতা শৰ্মাই ১ম পুৰস্কাৰ পাই আমালৈ গৌৰৱ কঢ়িয়াই আনে।

অইন বেলিৰ দৰে এইবাৰো নবাগত সকলক আনুষ্ঠানিক ভাৱে আদৰা হয়। এই নবাগত আদৰণি সভাৰ মঞ্চ শুৱনি কৰে মাননীয় শ্ৰী ৰাজেন বৰুৱা, শ্ৰী হৰিশ দাস, শ্ৰী নাৰায়ণ বেজবৰুৱা, শ্ৰীযুত মুনীন্দ্ৰ বৰুৱাদেৱে। সভাত সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় শ্ৰী ধীৰেন্দ্ৰ নাথ কলিতাদেৱে।

আমাৰ কাৰ্যকালত মহাবিদ্যালয়ে লাভ কৰা সফলতা সমূহ ঃ

ক) দুখীয়া ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ সুবিধাৰ্থে এটা ছাত্ৰ- ছাত্ৰী সাহাৰ্য পুঁজি গঠন কৰা হয়।

খ) ধনবৰ দাস পেক্ষা গৃহৰ মঞ্চৰ কাম আৰম্ভ কৰা হয়।

গ) শ্ৰেণী কোঠাৰ সমস্যা কিছু পৰিমণে আঁতৰ কৰা হয়।

ঘ) সমূহ নগ'চিয়ানৰ সুবিধাৰ্থে কম্পিউটাৰ প্ৰশিক্ষণ আৰু বিভিন্ন তথ্য যোগান কেন্দ্ৰ এটা প্ৰতিষ্ঠাৰ কাম আৰম্ভ কৰা হয়।

ঙ) অস্থায়ী ছাত্ৰ-একতা সভাৰ কাৰ্যলয় আৰু ছাত্ৰ-জিৰণি কোঠাৰ ব্যৱস্থা কৰা হয়।

আমাৰ অভাৱ-অভিযোগ ঃ-

১) উত্তৰ গুৱাহাটীৰ আশ-পাশৰ একমাত্ৰ উচ্চশিক্ষাৰ কেন্দ্ৰস্থল আমাৰ এই উত্তৰ





গুৱাহাটী মহাবিদ্যালয়লৈ প্ৰতিবছৰে বহুসংখ্যক দূৰণীবটীয়া ছাত্ৰ-ছাত্ৰী আহে। কিন্তু তেওঁলোকৰ বাবে থকা ছাত্ৰ- আৱাসটোৰ পৰিত্যক্ত ৰূপটোৱে বুজাই কলেজ কৰ্তৃপক্ষৰ এলাহ আৰু আওকাণ পতীয়া মনোভাৱ।

২) মহাবিদ্যালয় পুথিভঁৰাল টোৱে ছাত্ৰ-ছাত্ৰী সকলক আকৰ্ষণ কৰিব পৰা নাই আৰু ইয়াত থকা সীমিত সংখ্যক কিতাপেই মহাবিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰীৰ জিজ্ঞাসু মনৰ বাবে যথেষ্ঠ নহয়।

৩) কিছুমান গুৰু বিষয়ৰ ব্যৱহাৰিক পৰীক্ষা আমাৰ ছাত্ৰ-ছাত্ৰীই আন মহাবিদ্যালয়ত দিবলগা হয় বাবে বিশেষ অসুবিধা পাই আহিছে। সেয়ে এই প্ৰতিবেদনৰ জৰিয়তে কলেজ কৰ্তৃপক্ষক তাৰ ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনালো।

তদুপৰি আমাৰ ছাত্ৰ-একতা সভাৰ এটা স্থায়ী কাৰ্যলয় আৰু স্থায়ী ছাত্ৰ-জিৰণি কোঠাৰ খুবেই প্ৰয়োজন। আশা ৰাখিছো ভৱিষ্যতে ছাত্ৰ-একতা সভা আৰু কলেজ কতৃপক্ষৰ যুতীয়া প্ৰচেষ্টাত এই অভাৱবোৰ সোনকালে দূৰ হব।

কৃতজ্ঞতাঃ- মোৰ কাৰ্যালত সহায় কৰি অহা মাননীয় অধ্যক্ষ মহোদয় মাননীয় ভৱকান্ত শৰ্মাদেৱ বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় মাননীয় শ্ৰী ধীৰেন্দ্ৰ নাথ কলিতা দেৱ আৰু সকলো শিক্ষা গুৰুলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

সম্পূৰ্ণ বিশ্বাসযোগ্যতাৰে মোৰ ওপৰত সাধাৰণ সম্পাদকৰ দৰে দায়িত্বপূৰ্ণ পদ এটাত অধিষ্ঠিত কৰি মোক প্ৰতি খোজতে সহায় সহযোগ আগবঢ়োৱা বাবে ছাত্ৰ-একতা সভাৰ সমূহ বিষয় ববীয়া আৰু সমূহ নগ'চিয়ানলৈ শলাগৰ শৰাই আগবঢ়ালো।

শেষত আমাৰ কাৰ্যকালত অজানিতে হোৱা ভূল-ক্ৰটিৰ বাবে সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু সমূহ নগ'চিয়ানৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি মোৰ কাৰ্যকালৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

" জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়"

" জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰী অশোক দত্ত
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা উত্তৰ গুৱাহাটী মহাবিদ্যালয়



# সহ সাঃ সম্পাদকৰ প্ৰতিবেদন,

প্ৰতিবেদনৰ আৰম্ভণিতে উত্তৰ গুৱাহাটী মহাবিদ্যালয়খনি স্থাপিত কৰিবলৈ যি সকল বীৰ-বীৰঙ্গনাই নিজৰ শ্ৰম বলিদান কৰিলে সেই সমূহ জ্ঞাত - অজ্ঞাত শ্ৰদ্ধেয় ব্যক্তি সকললৈ মোৰ শত প্ৰণাম।

সহঃ সাধাৰণ সম্পাদক পদটি গ্ৰহণ কৰাৰ পাছতেই মই পোন প্ৰথমে ‘আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত’ সহযোগিতা আগবঢ়োৱাৰ সুবিধা পাইছিলো। উক্ত মহোৎসৱত মই সাধাৰণ সম্পাদকক সহযোগিতা আগবঢ়োৱাৰ উপৰিও মই নিজে বাভা সংগীত প্ৰতিযোগিতাত যোগদান কৰিছিলো। মোক সহযোগ কৰিছিল সাংস্কৃতিক বিভাগৰ তত্বাবধায়ক শ্ৰীযুতা দিপ্তী বাণী শইকীয়া বাইদেৱে। এইদৰে একাদিক্ৰমে মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, তৰ্ক প্ৰতিযোগিতা, নৱাগত আদৰণি সভা আৰু বিশেষকৈ ছাত্ৰ একতা সভাৰ প্ৰত্যেকখন কাৰ্যনিৰ্বাহক সভাতে সম্পূৰ্ণ সহযেগিতা আগবঢ়াই আহিছো।

আমাৰ ছাত্ৰ একতা সভাক সহযোগিতা আগবঢ়োৱা কেইজনমান স্মৰণীয় শিক্ষক- শিক্ষয়িত্ৰী শ্ৰীযুতা দিপ্তী বাণী শইকীয়া, শ্ৰীযুত মৃগেন নাথ ডেকা, শ্ৰীযুত নলীন বৰা, শ্ৰীযুত ছপেশ দাস, শ্ৰীযুত দিলীপ দাস শ্ৰীযুত প্ৰদীপ কলিতা ইত্যাদি।

শৈক্ষিক পৰিবেশ সম্পৰ্কে দুৱাষাৰ ঃ

আমাৰ মহাবিদ্যালয়ৰ কিছুমান অভাবে শৈক্ষিক পৰিবেশৰ ওপৰত প্ৰভাৱ পেলাইছে তাৰে ভিতৰত অশুদ্ধ দিনলিপিৰ প্ৰচাৰ, বিজ্ঞান শাখাৰ স্নাতক মহলাৰ শ্ৰেণী কোঠাৰ অভাৱ, বিজ্ঞান শাখাৰ অপৰিষ্কাৰ পৰিবেশ, পুথিভড়ালত প্ৰয়োজনীয় বিজ্ঞান শাখাৰ কিতাপ পঢ়া কোঠালীৰ অভাৱ, মহাবিদ্যালয়ত অৰ্ন্তভুক্ত (এন.এচ. এচ) আৰু ( এন. চি. চি) ৰ বাবে সুকীয়া কোঠাৰ অভাৱ ইত্যাদি।

সদৌ শেষত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষক শিক্ষয়িত্ৰী তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে যিসল প্ৰতিনিধি ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই মোক সহঃ সাধাৰণ সম্পাদকৰ পদটিৰ বাবে মত দি জয়যুক্ত কৰিলে সেইকসললৈ মোৰ ধন্যবাদ থাকিল।

প্ৰতিবেদনৰ শেষত উত্তৰ গুৱাহাটী মহাবিদ্যালয় উজ্জ্বল ভৱিষ্যত কামনা কৰি মহাবিদ্যালয়ৰ উন্নতিৰ বাবে ভগবানৰ ওচৰত প্ৰণাম জনালো।

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা

মেঘজ্যোতি হাজৰিকা
সহকাৰী সাধাৰণ সম্পাদক।







# প্ৰতিবেদন সম্পাদক, তৰ্ক বিভাগ

প্ৰতিবেদনৰ আৰম্ভণিতে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া সমূহ জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলী জনাইছো আৰু যি সকল বীৰ পুত্ৰ চিৰদিনলৈ ঘূনিয়া হৈছে সেই সকলৰ আশু আৰোগ্য কামনা কৰিছো।

১৯৯৭ -৯৮ চনৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক বিভাগৰ সম্পাদকৰ পদত বিপুল ভোটত জয়লাভ কৰাই এই গুৰু দায়িত্ব অৰ্পণ কৰাৰ বাবে সমূহ নগ’চিয়ান বন্ধু-বান্ধবী লৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

বিগত কালছোৱাত আপোনালোকৰ সেৱাত কিমান ব্ৰতী হৈছো সেয়া আপোনালোকৰ বিচাৰ্য।

তৰ্ক বিভাগত সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণকাৰিয়ে প্ৰথম কাম কৰাৰ সুযোগ পাওঁ বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত। শপত গ্ৰহণৰ কেইদিনমান পিছতে মই মহাবিদ্যালয়ৰ তৰ্ক আৰু কুইজৰ দল এটি লৈ বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰো। কিন্তু কোনো পূৰ্ব প্ৰস্তুতি নোহোৱাকৈ যোগদান কৰিব লগীয়া হোৱা বাবে আমাৰ প্ৰতিযোগীয়ে বিশেষ সাফল্য দেখুৱাত ব্যৰ্থ হয়। যি নহওঁক কোনো পূৰ্ব প্ৰস্তুতি নোহোৱাকৈ এই যোগদান সঁচাকৈ উৎসাহজনক। ইয়াৰ পিছত পালো মহাবিদ্যালয় সপ্তাহ। মই মোৰ বিভাগৰ পৰা তৰ্ক, কুইজ, আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। কিন্তু প্ৰতিযোগীৰ অভাবত বাৰ্তা বহন প্ৰতিযোগতা অনুষ্ঠিত কৰিব নোৱাৰিলো। তাৰ বাবে মই দুঃখিত কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীৰ উপস্থিতিয়ে প্ৰতিযোগীখন সঁচাকৈ সুন্দৰ আৰু চকুত লগা কৰি তুলিছিল। কিন্তু তৰ্ক প্ৰতিযোগিতাত প্ৰতিযোগীৰ যোগদান আছিল সঁচাকৈয়ে নিৰুৎসাহজনক। সেয়েহে মই সমূহ নগ’চিয়ানলৈ অনুৰোধ জনাওঁ তেওঁলোকে যেন তৰ্ক বিষয়টোৰ ওপৰত গুৰুত্ব দিয়ে।

মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ ৩৬তম প্ৰতিষ্ঠা দিবস উপলক্ষে মহাবিদ্যালয়

ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু সাহিত্য সাংস্কৃতিক মঞ্চ 'সৃষ্টি' ৰ সহযোগত সদৌ কামৰূপ জিলা ভিত্তিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা এখনি সফলতাৰে অনুষ্ঠিত হৈ যায়। উক্ত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰে ছাত্ৰী চন্দামিতা শৰ্মাই প্ৰথম স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। আকৌ বকো জবাহৰলাল নেহৰু মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত চন্দামিতা শৰ্মাই ২য় স্থান অধিকাৰ কৰে। এই সুযোগতে মই তেওঁলৈ ধন্যবাদ জনাইছো।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকাল চলাই নিয়াত বিভিন্ন ধৰণে সহায় সহযোগ কৰাৰ বাবে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰদ্ধাৰ ভৱকান্ত শৰ্মাদেৱ, বৰ্ত্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰদ্ধাৰ ধীৰেন্দ্ৰ নাথ কলিতা দেৱ, মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধাৰ ভূপেশ দাস দেৱ, শ্ৰদ্ধাৰ প্ৰদীপ কলিতা দেৱ আৰু বন্ধুবৰ অশোক দত্ত, হৰকান্ত কলিতা সহিতে তৰ্ক পৰিচালনা কমিটীৰ সমূহ বিষয় ববীয়া তথা সদস্য বৃন্দলৈ আৰু মোৰ সমূহ বন্ধু- বান্ধৱীৰ লগতে সমূহ অধ্যাপক অধ্যাপিকালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই খিনিতে কিছু ব্যক্তি তথা প্ৰতিষ্ঠানলৈ কৃতজ্ঞতা নজনালে ভূল কৰা হব। আমাৰ মহাবিদ্যালয়ৰ তৰ্ক বিভাগৰ নিৰ্দিষ্ট পুজি নথকাত তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাত যথেষ্ট বিত্তিয় সংকটৰ সন্মুখিন হৈছিলো। এই সংকটৰ সময়ত যি সকল শিক্ষাগুৰু, শুভাকাংশী ব্যক্তি, অনুষ্ঠান- প্ৰতিষ্ঠান তথা যি সকল ছাত্ৰ- ছাত্ৰীয়ে আমাক আৰ্থিক ভাবে সহায় সহযোগ কৰিছে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে কৰা ভূল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যতৰ কামনা কৰি মই মোৰ এই নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধন্যবাদেৰে

শ্ৰী শ্যামন্ত শৰ্মা







# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্লাতবুলনিতে অসমৰ সুসন্তান সেই বীৰ-বীৰংগণালৈ মোৰ অকৃত্ৰিম ভক্তি-অৰ্ঘে নিবেদিলো ---

" যি সকলে ভাষা আন্দোলনকে ধৰি অসমৰ অস্তিত্ব ৰক্ষাৰ্থে আত্ম বলিদান দি তেখেতসকলৰ জীৱন সাৰ্থক কৰিলে আৰু আমাক দি থৈ গল, সেই মহান আদৰ্শ-

" জন্মভূমে কৃতে কিম আ অস্তি অকৰনিয়ম বীৰাণাম।"

যোৱা ৮ ডিচেম্বৰ ৯৭' দিনা মই এই মহান শিক্ষানুস্থানটিৰ আলোচনী সম্পাদক হিচাপে কাৰ্য্যভাৰ লওঁ, আপোনালোকৰ আশীৰ্বাদ শিৰত লৈ। মোৰ চমু কাৰ্য্যকালত আপোনালোকৰ কিমান সেৱা কৰিলো, তাৰে এটি চমু আভাষ দাঙি ধৰিলো।

মহাবিদ্যালয় সপ্তাহ ঃ- যোৱা ২১-১-৯৮ ইং তাৰিখে আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত মই নগ'চিয়ান বন্ধু -বান্ধৱীক উৎসাহিত কৰিবলৈ সুযোগ পাওঁ। এই সুযোগৰ সদ্ব্যৱহাৰ কৰি মই কবিতা আবৃতি আৰু থিতাতে লিখা গল্প কবিতা প্ৰতিযোগিতা অনুস্থিত কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ সুবিধা দিওঁ।

প্ৰাচীৰ পত্ৰিকা ঃ- আধুনিক ভাষা সাহিত্যৰ বিকাশত প্ৰাচীৰ পত্ৰিকাই এক গুৰুত্বপূৰ্ণ ঠাই আগুৰিছে। সেয়ে বহুবছৰ অব্যৱহৃত হৈ থকা লুপ্তপ্ৰায় প্ৰাচীৰখনকে মেৰামতি কৰি ইয়াৰ ১ম আৰু ২য় সংখ্যা প্ৰকাশ কৰো। এই প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে নগ'চিয়ান বন্ধু-বান্ধৱীক নগ'চিয়ানৰ একাদশ সংখ্যাৰ বাবে লিখিবলৈ উৎসাহিত কৰো। এই খিনিতে মই ক্ষমা বিচাৰিলো, যিসকলৰ লিখনি সমূহ মই প্ৰকাশৰ অপৰাগ হলোঁ।

নগ'চিয়ান লিখক -লিখিকাক উৎসাহিত কৰিবলৈ একমাত্ৰ প্ৰাচীৰখনেই যথেষ্ঠ নহয়। সম্প্ৰতি বিজ্ঞান শাখাৰ বাবে পৃথক প্ৰাচীৰ পত্ৰিকাৰ অভাৱ অনুভৱ কৰিলোঁ।

নগ'চিয়ান একাদশ সংখ্যা ঃ- ১৯৬২ চনতে স্থাপিত হোৱা আমাৰ মহাবিদ্যালয় খনে আজি ৩৬ বছৰতেই ভৰি দিলেহি। কিন্তু আমাৰ নগ'চিয়ানৰ এতিয়াহে একাদশ সংখ্যা প্ৰকাশ হয়। ছাত্ৰ-ছাত্ৰীৰ উন্নত মানদণ্ডৰ লিখনি আৰু উপযুক্ত অৰ্থৰ অভাৱৰ অজুহাতত আমাৰ নগ'চিয়ানৰ সংখ্যাবোৰ পৰম্পৰাগতভাৱে প্ৰতি ২-৩ বছৰৰ মূৰে মূৰে প্ৰকাশ হৈ আহিছে। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই এই ভিত্তিহীন পৰম্পৰা ভংগ

কৰিবলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ হওঁ। আমাৰ মহাবিদ্যালয়ত যে প্ৰয়োজনীয় লিখনি বা অৰ্থ একোৰে অভাৱ নাই, অভাৱ মাথো আলোচনী সম্পাদক আৰু মহাবিদ্যালয় কতৃপক্ষৰ দায়িত্ব বোধৰ, তাৰে প্ৰমাণ আজি আপোনালোকৰ হাতত মাত্ৰ এবছৰীয়া সম্পদনাত নগ'চিয়ানৰ একাদশ সংখ্যা। আশা কৰিছো এই বছৰৰ দৰে প্ৰতিবছৰে আমাৰ নগ'চিয়ানৰ সংখ্যাবোৰ নিয়মিতে প্ৰকাশ হয়। মোক প্ৰতিখোজতে উপদেশ। উৎসাহ, সহায় কৰা বাবে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় শ্ৰীযুত ভৱকান্ত শৰ্মা, ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় মাননীয় শ্ৰী ধীৰেন্দ্ৰ নাথ কলিতা, শ্ৰদ্ধাৰ শ্ৰী প্ৰফুল্ল কাকতি ছাৰ, শ্ৰীযুত পৰেশ বৰা ছাৰ, শ্ৰীযুত হুপেশ দাস ছাৰ, শ্ৰীযুত যতীন চৌধুৰী ছাৰ, দিপ্তী ৰাণী বাইদেউ আৰু ছাত্ৰ একতা সভাৰ সমূহ সতীৰ্থ আৰু সমূহ নগ'চিয়ান বন্ধু-বান্ধবীৰ ওচৰত মই অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত অনাকাংশিত ভুল- ক্ৰুটিৰ বাবে ক্ষমা বিচাৰিলো আৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি

শ্ৰী হৰকান্ত কলিতা
আলোচনী সম্পাদক
ছাত্ৰ একতা সভা
উত্তৰ গুৱাহাটী মহাবিদ্যালয়







## সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে শ্ৰদ্ধা জনাইছোঁ সেই সকল ব্যক্তিক যিসকল ব্যক্তিয়ে সাংস্কৃতিক জগতখন চহকী কৰাৰ বাবে মৃত্যুক সাৱটি লৈছে।

লগতে প্ৰণাম আৰু শুভেচ্ছা জ্ঞাপন কৰিছো সমূহ নগ'চিয়ান বন্ধু-বান্ধৱীলৈ। লগতে শুভেচ্ছা জ্ঞাপন কৰিছো সেই সকল বন্ধু বান্ধৱীলৈ যি সকলে অশেষ চেষ্টাৰ ফলত মোক এই পদটিত নিৰ্বাচিত কৰিলে।

সাংস্কৃতিক সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই পোণ প্ৰথমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱমহোৎসৱত উত্তৰ গুৱাহাটী মহাবিদ্যালয় পৰা বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ সক্ষম হৈছিলো। দ্বিতীয়তে মহাবিদ্যালয় সপ্তাহৰ কাম কৰিবলৈ আগবাঢ়িলো। তাত অন্য বছৰৰ দৰে বিভিন্ন প্ৰতিযোগিতাৰ উল্লেখ আছিল। আৰু বিভিন্ন প্ৰতিযোগিতা পাতিবলৈ অশেষ ইচ্ছা বৈ গ'ল। কাৰণ কম সময়ত সকলোবোৰ বিভাগৰ প্ৰতিযোগিতা পাৰলৈ অসুবিধা হয়। এই সকলোবোৰ প্ৰতিযোগিতা পাতিবলৈ এখন সুকীয়া মঞ্চৰ প্ৰয়োজন মঞ্চৰ মেৰামতিৰ কাম এতিয়ালৈ কৰিব পৰা নাই।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰায়বোৰ ল'ৰা ছোৱালী সাংস্কৃতিক দিশত আগবঢ়া। কিন্তু আমাৰ মহাবিদ্যালয়ত তেনেকুৱা কোনো ধৰণৰ সুবিধা নাই। এই অভাৱৰ কাৰণে সকলোৱে আশা পানী হৈ যায়। গতিকে মই যিখিনি পাৰো সেই খিনি কৰিবলৈ যত্ন কৰিম।

মোলৈ সহায়ৰ হাত আগবঢ়োৱা সৰ্বশ্ৰী নলীন বড়া, দিপ্তী বাণী শইকীয়া, কণুমী দেৱী, যতীন চৌধুৰী, হুপেশ দাস, প্ৰদীপ কলিতা, সংগীতা, কণজুন বৰদলৈ আৰু অজয় হাজৰিকা দেৱৰ নাম নললে মোৰ অন্যায় কৰা হব।

আগলৈ সাংস্কৃতিক বিভাগৰ সম্পাদক আৰু মহাবিদ্যালয়ৰ কতৃপক্ষই মহাবিদ্যালয় প্ৰেক্ষা গৃহটিৰ আধুনিক কৰণত গুৰুত্ব দিয়ে তাৰ বাবে অনুৰোধ জনাইছো।

মই মোৰ এই কাৰ্য্য কালছোৱাত সকলো দিশতে দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। মোৰ কাৰ্য্যকালৰ বছৰটোৰ ভিতৰত অজানিতে কৰা ভুলৰ ক্ষমা ভিক্ষা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

ভৱদীয়
শ্ৰী কমা কাশ্যপ
সাংস্কৃতিক সম্পাদিকা
উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা



# বহিঃ খেল সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, অধ্যাপক- অধ্যাপিকা তথা সমূহ নগ'চিয়ানলৈ মোৰ শ্ৰদ্ধা মবম জ্ঞাপন কৰিলো।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অন্য মহাবিদ্যালয়তকৈ খেলৰ বাবে অসুবিধা আছে। যেনে পুজিঁৰ অভাৱ, খেলৰ সামগ্ৰৰ অভাৱ আদি।

কিন্তু মই অত্যন্ত সুখী যে, আমাৰ ইয়াত অন্য নাথাকিলেও ছাত্ৰ-ছাত্ৰীৰ মাজত উৎসাহ আৰু খেলৰ পৰিবেশ আছে। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে আমাৰ শিক্ষাগুৰু সকলবো ওচৰত মই কৃতজ্ঞ।

অন্য বছৰৰ দৰে এই বছৰো মই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ''মহাবিদ্যালয় সপ্তাহ'তে বহিঃ খেল বিভাগৰ খেল সমূহ অনুষ্ঠিত কৰিছিলো। খেল সমূহ প্ৰতিদ্বন্দিতামূলক আছিল।

কৃতজ্ঞতা স্বীকাৰ ঃ- সমূহ নগ'চিয়ান তথা আমাৰ শিক্ষা গুৰু সকলৰ হৈ মোক ভৰকান্ত শৰ্মা ছাৰ, দিলীপ ছাৰ, মৃগেন ডেকা ছাৰ, নলিনী বৰা ছাৰ, আৰু মোৰ বন্ধু মনোজ, সৌৰভ, অঞ্জন, বিষ্ণু, বিপুল, গৰিমা, বনিতা, দ্বীপ, সীমান্ত, অশোক আদি এই সকলে মোক সহায় কৰে। ইয়াৰ বাবে মই সকলোৰে ওচৰত কৃতজ্ঞ।

সদৌ শেষত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উজ্জ্বল ভৰিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

''জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়''

''জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ- একতা সভা''

শ্ৰী ৰঞ্জিত চন্দ্ৰ বড়ো

বহিঃ খেল সম্পাদক, ১৯৯৭-৯৮ বৰ্ষ







# আন্তঃ খেল সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে ১৯৯৭-৯৮ বৰ্ষৰ আন্তঃ খেল সম্পাদক ৰূপে মোক নগ'চিয়ানৰ সেৱা আগবঢ়াবলৈ দিয়াত মই উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞ।

সম্পাদক হিচাবে মই যি গুৰু দায়িত্ব পালন কৰিব লগীয়া হৈছিলো তাৰ বাবে মই সদায় যত্নপৰ আছিলো। কিন্তু বহু ভবা কথা মই কাৰ্য্যত প্ৰতিফলিত কৰিব পৰা নাছিলো। মহাবিদ্যালয়ৰ পুজিঁৰ অভাৱেই ইয়াৰ বাবে দায়ী।

সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই আন্তঃ খেল বিভাগৰ খেল সমূহ ''মহাবিদ্যালয় সপ্তাহ'ত চলাই নিছিলো।

ইয়াৰ বাবে মই আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ভৰকান্ত শৰ্মা ছাৰ, মৃগেন ডেকা ছাৰ, দিলীপ দাস ছাৰ, নলিনী ৰড়া ছাৰ আৰু মোৰ লগৰ অশোক, সীমান্ত, বিষ্ণু, বণিতা, বিপুল, দ্বীপ, মনোজ, গৰিমা, সৌৰভ আদি সকলোৰে ওচৰতে এই সুযোগতে মোৰ শলাগৰ শৰাই আগবঢ়াইছো।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত বহুতো প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী আছে। উপযুক্ত সহায়-সহযোগিতা কতৃপক্ষই আগবঢ়ালে তেওঁলোকৰ প্ৰতিভা বিকশিত হব। তথা আমাৰ মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰিব।

সদৌশেষত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

''জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়''

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা''

শ্ৰী ৰঞ্জন নাথ

আন্তঃ খেল সম্পাদক

১৯৯৭-৯৮ বৰ্ষ



# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আদিতে মই সেই সকল বীৰ বীৰাংগণালৈ অশ্ৰু-অঞ্জলি নিবেদিলো যি সকলে অসম আইৰ মহৎ স্বাৰ্থত আত্ম বলিদান দি তেখেতসকলৰ জীৱন ধন্য কৰিলে।

লগতে মোক এই গুৰু দায়িত্ব অৰ্পন কৰা সমূহ নগ'চিয়ান সতীৰ্থলৈ মোৰ অকৃত্ৰিম কৃতজ্ঞতা নিবেদিলো। ছাত্ৰ- জিৰণি কোঠাৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই মহাবিদ্যালয় সপ্তাহত আগভাগ লৈ চিত্ৰাংকণ প্ৰতিযোগিতা পাতো। আমাৰ মহাবিদ্যালয় সপ্তাহত অংশ গ্ৰহণ কৰি তেওঁলোকৰ শিল্পসুলভ প্ৰতিভা প্ৰকাশ কৰাত মই নথৈ আনন্দিত।

বহু কষ্ট কৰিওঁ এটি আধুনিক ছাত্ৰ জিৰনি কোঠাৰ ব্যৱস্থা কৰিবলৈ নোৱাৰিলো। সেয়ে মই সমূহ নগ'চিয়ানৰ ওচৰত ক্ষমা বিচাৰিলো। আশা কৰিলো পৰবৰ্ত্তী সম্পাদকে সফল হব পাৰিব।

পৰিশেষত মোৰ কাৰ্য্যকালত অজানিতে কৰা ভূল-ক্ৰুটিৰ বাবে সমূহ নগ'চিয়ান আৰু মোৰ চিৰপূজ্য শিক্ষা গুৰুলৈ ক্ষমা বিচাৰিলো।

জয়তু

নগ'চিয়ান

শ্ৰী পৰশমণি শইকীয়া
সম্পাদক
ছাত্ৰ-জিৰণি কোঠা
উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা







# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সমূহ নগ'চিয়ান বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো আৰু দেশৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো।

মোৰ কাৰ্য্যকালছোৱাৰ আৰম্ভণিতেই আছিল ৰক্ত পৰীক্ষা আৰু ৰক্ত দান অনুষ্ঠান। ১৩ ডিচেম্বৰ তাৰিখে এখনি ৰক্ত পৰীক্ষা আৰু ৰক্ত দান শিৱিৰ অনুষ্ঠিত কৰিছিলো। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগিতাৰ কাৰণে মই অতিশয় আনন্দিত হৈছো। কলেজ সপ্তাহত মই ভেকচন প্ৰতিযোগিতা আৰু চাফ-চিকুন কাৰ্য্যসূচী আয়োজন কৰিছিলো। ভেকচনৰ দৰে এটি আকৰ্শনীয় প্ৰতিযোগতাত মহাবিদ্যালয়ৰ ৬০০ ছাত্ৰ-ছাত্ৰৰ মাত্ৰ ১৫ জনহে প্ৰতিযোগীতাত যোগদান কৰাটো অতিশয় লজ্জাজনক কথা।

৪ চেপ্তেম্বৰ, কলেজ প্ৰতিষ্ঠা দিৱসৰ দিনা অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এখন আলোচনা চক্ৰ আয়োজন কৰিছিলো।

২০ চেপ্তেম্বৰত (এন.চি.চি) আৰু (এন. এন. এচ )ৰ সহযোগত কলেজ চৌহদ পৰিষ্কাৰ কৰিছিলো।

সদৌ শেষত মই যদি কিবা অজানিতে ভূল-ভ্ৰান্তি কৰিছো তেনেহলে তাৰবাবে ক্ষমা বিচাৰিছো। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ এই নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

ধন্যবাদেৰে
সীমান্ত বৰুৱা



# সম্পাদিকা, ছাত্ৰী- জিৰণী কোঠাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ হকে আত্মাহুতি দি আমাৰ বাবে প্ৰেৰণাৰ উৎস হৈ বোৱা সকলক মোৰ সহস্ৰ প্ৰণাম যাচিছো। লগতে ১৯৯৭-৯৮ চনৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে মই ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে এই সীমিত সময়খিনিৰ ভিতৰত ছাত্ৰী জিৰণী কোঠাটোৰ অভাৱ অভিযোগ খিনি আঁতৰাবলৈ চেষ্টা কৰিছিলো। যদিও মই বহুতো অসুবিধাৰ সন্মুখীন হোৱাৰ বাবে আটাইবোৰ অভাৱ-অভিযোগ দূৰ কৰিবলৈ সক্ষম হোৱা নাছিলো।

বছৰ বাগৰি অহাৰ লগে লগে ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা ইজনৰ পিছত সিজন হৈ আহি আছে আৰু প্ৰত্যেকে কিছু কিছু কাম কৰি গৈছে কিন্তু ছাত্ৰী জিৰণী কোঠাৰ কিমানখিনি উন্নতি হৈছে সেইটোহে বিচাৰ্য্য বিষয়। আনহাতে, আমাৰ ছাত্ৰী জিৰণী কোঠাৰ প্ৰয়োজনীয় বহুতো বস্তুৰ অভাৱ গতিকে সেই অভাৱ অভিযোগ খিনি পূৰণ কৰিবলৈ মই কতৃপক্ষক অনুৰোধ জনাওঁ।

মোৰ এই কাৰ্য্যকাল ছোৱাত বিভিন্ন ধৰণে সহায় সহযোগ আগবঢ়োৱা শ্ৰী যুত ভৱকান্ত শৰ্মা আৰু শ্ৰী যুত ধীৰেন কলিতা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু লগতে মোৰ তত্ত্বাৱধায়িকা অধ্যাপিকা কণুমী দেৱী বাইদেউ সুকন্যা শৰ্মা বাইদেউ, দিপ্তী শইকীয়া বাইদেউ, হৃপেশ দাস ছাৰ, প্ৰদীপ কলিতা ছাৰৰ লগতে মোৰ নগ'চিয়ান বন্ধু-বান্ধৱী বিষ্ণু, ৰঞ্জিত, গৰিমা, সৌৰভ, ৰবি, হৰকান্ত, অশোক, সীমান্ত, দ্বীপ, শ্যামন্ত, ৰঞ্জন আদিলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালৰ অন্তত মই মহাবিদ্যালয়খনক কিদৰে সেৱা আগবঢ়ালো আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলে মোৰ পৰা কি পালে তাৰ বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ ওপৰত।

সদৌ শেষত, দুস্কৃতিক আঁতৰাই সংস্কৃতিক সাৰটি লৈ মহাবিদ্যালয়খনৰ হকে যুজ দিবলৈ অনাগত সকলক আহ্বান জনাইছো আৰু লগতে মোৰ কাৰ্য্যকালৰ ভিতৰত অজানিতে যদি কিবা ভূল ত্ৰুটি হৈছে তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিছাৰিছো আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উজ্জ্বল ভৱিষ্যত কামনা কৰি মই প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা

**শ্ৰী ৰণিতা বড়ো**

সম্পাদিকা, ছাত্ৰী- জিৰণী কোঠা

উত্তৰ গুৱাহাটী মহাবিদ্যালয়